
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbowrah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhi | |
| Translated Title: | |
| Place of Publication: Calcutta (kolkata) | Publisher: Editor |
| Year: 1930 (1852 Sak) | Edition: |
| Size: 23½ cms - 45+48+47+55+35 pages | Genre: |
| Volumes: 4 (3rd, 5th, 7th and 8th issue) | Condition of the original: Brittle |
| Remarks: [illegible] | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫৪০৮/অা:
১৫.৮.৯৯




১৯শ বছৰ　　　　১৮৫২ শক

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে"

৩য় সংখ্যা　　　　পুহ

# প্ৰথম প্ৰভাত

[ ব্ৰহ্মপুত্ৰৰ বুকত সূৰ্য্যোদয় দেখি ]

সেইদিনা চাগে' এইদৰে—
কুঁৱলীৰ আৱৰণ ভেদি
মাতৃ-গৰ্ভ এৰি থৈ—
সোমালোঁহি এই পুণ্য বেদী !
আজিৰ দৰেই চাগে'—
জীৱনৰ সেই এটি ক্ষণ
ভবিষ্যৰ আশা ল'ই
জিলিকি আছিল ৰঙা
জবা এটি যেন !
আজিৰ দৰেই—
অসীম সাগৰখনি পুৱাৰ কিৰণে
সীমা বান্ধি হাঁহিছিল নিজে মনে মনে ।
আৰু আজিৰ দৰেই—
গোপন হাঁহিৰ ৰোল বিয়পি পৰি
মহানক মাতিছিল হাত যোৰ কৰি ।
কৈছিল জগতক নিস্ফুট ভাষাৰে—
বিমল আনন্দ ভৰা বিশ্বখনিকৰে
নিজে মোক সাজিছিল নিজৰ হাতেৰে ।
জন্ম মোৰ অভিনয় মহা আনন্দৰ,
হাঁহি অশ্ৰু দুই ছন্দ ভাব প্ৰকাশৰ ।

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

✓

# আমাৰ বৰ্ত্তমান ছাত্ৰসমাজ এনে লক্ষ্যভ্ৰষ্ট কিয়

## ছাত্ৰজীৱন—সংসাৰৰ জুইশাল

''জুইশালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি''। সংসাৰ জীৱন্ত কৰ্ম্মৰ কমাৰশাল; তাৰ উদ্দেশ্য-নিয়াৰিত উত্তমৰ বঙা লো পেলাই লৈ সঙ্কল্পৰ শকত হাঁতুৰিৰে পিতি, আমি আমাৰ নিজ নিজ ভাগ্য গঢ়িবই লাগিব। ই যুঁজৰ ঠাই; 'যোগ্যৰ ৰাজপাট, অযোগ্যৰ অধঃপাত' এয়ে ইয়াৰ মূলনীতি। এই ভাগ্য গঢ়া কমাৰশালত বহি কি গঢ়িম, কি কৰিম বুলিবৰ সময় নাই; মূৰে-কপালে হাত দি বহিবৰ বাবে ইয়াত ঠাই নাই, আহৰি নাই! আগত কৰ্ম্ম, পাছত কৰ্ম্ম; চৌদিশ ছানি পাঞ্চজন্যৰ সুৰেৰে বাজিছে—''ক্লৈব্যং মাস্মগমঃ'' আৰু 'উত্তিষ্ঠ পৰন্তপ!' উঠা, যুঁজা! গতিকে এই কমাৰশালৰ বাবে আমি লৰালিকালৰ জুইশালতে সাজু হৈ যাব লাগিব, নহলে আমাৰ কমাৰশালত বহা মিছা; আমি সংসাৰৰ বাবে অলায়ক।

৫৪০৮/অ:

আনপিনে, এই জুইশালৰ ভাবী কমাৰসকলেই দেশ আৰু জাতিৰ ভাগ্যৰ অজানিত বিধাতা, বিশ্বকৰ্ম্মা। কৰলৈ গলে, এওঁলোকৰ নিজ নিজ ভাগ্যৰ গঢ়েই নিজ পৰিয়াল, নিজ দেশ আৰু নিজ জাতিৰ ভাগ্য নিৰ্দ্ধাৰণ কৰি দিয়ে। দৰাচলতে যি দেশ বা যি জাতিৰ এই ভাবী ভাগ্যবিধাতাসকল লক্ষ্যভ্ৰষ্ট, দুৰ্ব্বল,—সেই দেশ; সেই জাতিৰ, জগতৰ বিশ্বসভাত, সভ্য জগতৰ বুৰঞ্জীত স্থান নাই; সেই জাতি আৰ্য্য হৈও অনাৰ্য্যৰ দৰে, পৰমুখাপেক্ষী, পৰপদদলিত!

আকৌ, এখন দেশ, এটা জাতি যদি কালৰ কুটিল গতিত নিস্তেজ, মুমূৰ্ষ হৈ পৰিছে, আৰ্য্য সভ্যতাৰ বুৰঞ্জীত যদি সেই দেশ, সেই জাতিৰ মোচ যাব খোজা নাম আকৌ জগাব খোজা তেন্তে আন উপায় নাই,—সেই জাতিৰ এই ভাবী ভাগ্য-বিধাতাসকলৰ সুপ্ত শক্তি জাগৰিত আৰু সঞ্চাৰিত কৰা; তেওঁলোকৰ লক্ষ্য স্থিৰ হওক। তেওঁলোকক মাত দিয়া—''নৈতত্ত্বয্যুপপদ্যতে!'' তোমালোক আৰ্য্যৰ সন্তান, তোমালোক অমৃতৰ পুত্ৰ; এনে দুৰ্ব্বলতা, এনে অৱসাদ তোমালোকৰ শোভা নেপায়। তোমালোকে তোমালোকৰ কৌটী-কলীয়া পুৰণি সভ্যতাৰ অমোঘ অস্ত্ৰ হাতত তুলি লোৱাঁ, নিজৰ ভাগ্য, দেশৰ ভাগ্য গঢ়িবলৈ ওলোৱাঁ! জগত-সভাত তোমালোকৰ, তোমালোকৰ জাতিৰ স্থান হেৰাব নোৱাৰে; সি তোমালোকৰ জন্মস্বত্ব!

কিন্তু ই শুদা মুখৰ মহলা মৰাত নহয়। কৰ্ম্মৰ সেই ভয়লগা কমাৰশাললৈ পঠোৱাৰ আগতে চাব লাগিব, জুইশালত তেওঁলোকে কিমানখিনি কৰিব পাৰিলে; চাব লাগিব, ভৱিষ্যৰ এই কঠোৰ সত্যৰ তেওঁলোকক কি আভাস দিব পাৰিলো,—নপঢ়ি নুশুনি আজিলৈকে পৃথিবীত কেও ওজা হোৱা নাই। শিক্ষাৰ এয়ে প্ৰকৃত অৰ্থ। জীৱন মানে সংগ্ৰাম; সৃষ্টিৰ ক্ষুদ্ৰ বালিচাহিৰপৰা মহাকায় গজহস্তীলৈকে এই সংগ্ৰামৰ হাত কেও সাৰিব নোৱাৰে। কিন্তু ইতৰ জীৱৰ কাৰণে যি যুদ্ধ শৰীৰৰ বল-প্ৰধান, মানুহৰ কাৰণে ই আৰু ভয়ানক; ইয়াত শৰীৰৰ বাহিৰেও মনৰ মানসিক, নৈতিক আৰু আধ্যাত্মিক—এই চাৰিও বল প্ৰধান। এই চাৰি শক্তিৰ চৰম বিকাশেই মনুষ্যত্বৰ আদৰ্শ আৰু শিক্ষাৰো লক্ষ্য।

## শিক্ষা—পুৰণি আদৰ্শ

মানুহ জীৱনৰ এই কঠোৰ—মহৎ আদৰ্শ আগত ৰাখিয়ে পুৰাণ হিন্দু আৰ্য্যসকলে জীৱন-কালটো ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, যতী আদি চাৰিটি কাল্পনিক বিভাগত বিভক্ত কৰিছিল।

ব্ৰহ্মচৰ্য্য আশ্ৰমৰ আন নাম ছাত্ৰজীৱন। ইয়াৰ মূলমন্ত্ৰ আছিল বীৰ্য্যধাৰণ,—ব্ৰহ্মচৰ্য্যং বীৰ্য্যধাৰণম্। শৰীৰৰ যাই বস্তু শুক্ৰ পবিত্ৰভাৱে ধাৰণ কৰি জ্ঞান উপাৰ্জ্জনত মন-চিত একান্তভাৱে নিবিষ্ট কৰাই এই আশ্ৰমৰ ঘাই কাম। কিন্তু এই জ্ঞান-অৰ্জ্জন কিহৰ বাবে? ই কেৱল লিখা-পঢ়া আৰু গণিত শাস্ত্ৰৰ ব্যুৎপত্তি লাভ নহয়; ঘাইকৈ ইয়াৰ পিছৰ আশ্ৰম, গাৰ্হস্থ্য জীৱনৰ বাবে উপযুক্ত হোৱা স্বৰূপে এই জ্ঞান-লাভ।

এই বাবে উপযুক্ত বয়সত ছাত্ৰক নি উপযুক্ত গুৰুৰ হাতত সঁপি দিয়া হৈছিল। ছাত্ৰই এই গুৰুৰ ঘৰতে থাকি বিদ্যা উপাৰ্জ্জন কৰিছিল, কিন্তু তাৰবাবে গুৰুৱে কোনো প্ৰকাৰৰ পাৰিতোষিক গ্ৰহণ নকৰিছিল, (অৱশ্যে অনেক ঠাইত টোলবিলাকত এতিয়াও এই সু-প্ৰথা প্ৰচলিত আছে।) গুৰুৰ অন্নই ছাত্ৰৰ অন্ন; ঘৰৰপৰা কোনো প্ৰকাৰ 'খোৰাকি' অনা নহৈছিল।

অধ্যয়নৰ সময়কেইটাৰ বাহিৰে বাকী সময়ত শিষ্যই গুৰুৰ ঘৰত সকলো কাম কৰি দি দিনৰ আহাৰ আৰু বিশ্ৰাম লাভ কৰিছিল। কোনো অৱস্থাতে ছাত্ৰক এইবোৰ দৈনন্দিন কামৰপৰা ৰেহাই দিয়া নহৈছিল। ছাত্ৰ অৱস্থাত শ্ৰীকৃষ্ণ আৰু বলোভদ্ৰ দুয়ো কাশীৰ সান্দীপনি মুনিৰ ওচৰত এইদৰে শিক্ষা লাভ কৰাৰ কথা সকলোৱে শুনিছে।

সাধাৰণ সকলো শিষ্যৰ দৰে শ্ৰীকৃষ্ণই গুৰুৰ ঘৰত খৰি লুৰি আৰু আন সকলো ঘৰুৱা কাম কৰি ভাত মোকোলাই জ্ঞান লাভ কৰিছিল। আন শিষ্যসকলৰ দৰে তেওঁৰো খোৱা-পিন্ধা সকলো 'মোটা' আছিল, টান শয্যাত শুইছিল; প্ৰাণপণে গুৰুৰ আজ্ঞা আৰু উপদেশ মানি চলিছিল। শাস্ত্ৰ অধ্যয়ন এইবোৰৰ লগৰে মাথোন শিক্ষাৰ এটি শাখা স্বৰূপে ধৰা হৈছিল।

এইদৰে যেতিয়া গুৰুৰ ঘৰত থাকি শিষ্যই লাগতিয়াল সকলো শাস্ত্ৰত পাৰদৰ্শী, দৈনন্দিন সাংসাৰিক কামত পাকৈত অৰ্থাৎ কৰ্ম্মপটু, কষ্টসহিষ্ণু, অধ্যৱসায়ী, স্বভাৱত বিনয়ী, গুৰুজন-আজ্ঞাবহ, আৰু ব্ৰহ্মচৰ্য্যত স্থিৰ হৈ উঠিছিল, তেতিয়াহে গুৰুক যথাযথভাৱে সন্তুষ্ট কৰি তেওঁ গুৰুগৃহ এৰি পিতৃগৃহলৈ যাবলৈ অনুমতি পাইছিল। এই অনুমতিয়েই সেই শিষ্যৰ গাৰ্হস্থ্য আশ্ৰমৰ বাবে ''পাছ্‌পৰ্ট'' বুলিব পাৰি; ইয়াৰ অৰ্থ এয়ে যে তেওঁ জীৱনৰ সেই প্ৰথম আশ্ৰমত কৃতিত্ব দেখুৱাইছে, আৰু সংসাৰৰ গধুৰ বোজা বৰৰ যোগ্যতা আৰু শক্তি তেওঁৰ আছে।

অৱশ্যে জীৱনৰ এই চাৰি আশ্ৰমৰ কোনো বৰ ধৰা বন্ধা নিয়ম নাছিল; তথাপি ইয়াৰ মূল-নীতি প্ৰায় সকলো লোকেই পালি চলিছিল, আৰু ব্ৰহ্মচৰ্য্য চাৰিওটি আশ্ৰমতে পালনীয় বুলি ধৰা হৈছিল।

জীৱন-কালটোৰ এই পুৰণি শ্ৰেণী বিভাগটোলৈ চালে ইয়াত সুশৃঙ্খলাৰ এটি সুন্দৰ সাঁচ দেখা যায়। মানুহ জীৱনৰ মহৎ দায়িত্ব, জ্ঞানৰ বাবে পবিত্ৰ আৰু নিস্বাৰ্থ অনুৰাগ, পৰিয়াল, সমাজ আৰু জগতত শান্তি-বিস্তাৰৰ প্ৰকৃত উপায়, এনে জ্ঞান আৰু শিক্ষাৰপৰা নুপজিলে আন কৰপৰা উপজিব?

## নতুন আদৰ্শ—বিলাতৰ শিক্ষাৰ ব্যৱস্থা

ইংলণ্ড, জাৰ্ম্মাণ, ফ্ৰান্স, আমেৰিকা আদি পৃথিবীৰ উন্নত আৰু স্বাধীন দেশবোৰৰ শিক্ষা-পদ্ধতিলৈ মন কৰিলে, এই আদৰ্শৰ অলপ মিল দেখা যায়।

এই দেশবিলাকৰ স্কুল আৰু কলেজৰ ৰেছিডেন্সিয়েল প্ৰথা বিশেষকৈ মন কৰিবলগীয়া। এইবিলাক স্কুল আৰু কলেজৰ লগতে ছাত্ৰথকা ঘৰো লগা; ইয়াৰ শাসন-নিয়ম আদিলৈ চাই ইয়াৰ লগত আগৰ গুৰু-গৃহত থকা শিষ্যৰ তুলনা কৰিব পাৰি। ইটন্ প্ৰভৃতি পাব্লিক স্কুলৰ শাসনৰ কথা ইয়াতে অলপ উনুকিয়াব পাৰি। কিছুমান ৰেছিডেন্সিয়েল কলেজৰ বোলে নিয়ম প্ৰায়ে এনেকুৱাই।

তাত হেনো ৰাতিপুৱা উঠি গা-পা ধুই সাত বজাৰ ভিতৰতে কলেজ বা স্কুলৰ সকলো ছাত্ৰই উপাসনা কৰিবলৈ যাব লাগে। এইবোৰ স্কুলত যিমান ডাঙৰ মানুহৰ লৰাই পঢ়ক লাগে, তেওঁলোকেও আন লৰাৰ দৰেই মাজে সময়ে নিজ হাতেৰে নিজ খোৱা লোৱাৰ সুবিধা কৰি লবলৈ বাধ্য হয়। একোজন পাচ্ৰী বা

লৰ্ডৰ লৰাকো আৱশ্যক হলে তাৰ অইন সহপাঠীৰ (সমাজৰ যিমানেই নীচ থাপৰ হওক) পানী তপতাই, মলমূত্ৰ পৰিষ্কাৰ কৰি দিবলৈ বাধ্য কৰা হয়, আৰু ইয়াৰ ত্ৰুটি হলে তাৰ বাবে যথোচিত শাস্তি ভোগ কৰে।

ইয়াৰপৰা লৰাই আত্মনিৰ্ভৰ আৰু কামৰ মৰ্য্যদা এই দুটি গুণ বিশেষৰূপে শিক্ষা পায়। তাৰ লগে লগে তেওঁলোকে সমাজত সৰ্ব্বৰথী হব পৰা গুণ অভ্যাস কৰে, আৰু অজ্ঞানিত ভাৱে তেওঁলোকৰ মনলৈ আত্মসংযমৰ এটা প্ৰাধান্য আহি পৰে। কৰ্ত্তব্য, নিয়ম আৰু সময়-নিষ্ঠা আদি গুণো ইয়াৰ লগতে আয়ত্ব হয়। কাৰ্য্যকৰী এটা কামে কিতাপৰপৰা সহজে পাব নোৱাৰা শতেকটা বহমূলীয়া কথা শিকায়।

এই পাব্লিক স্কুলবোৰৰপৰাই ছাত্ৰ অক্সফৰ্ড, কেম্ব্ৰিজ আদি নামজলা বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়গৈ। কিন্তু তাৰ বাবে বোলে আমাৰ ইয়াৰ দৰে তাত পৰীক্ষাৰ আড়ম্বৰ নাই; বিশ্ববিদ্যালয়ত পঢ়িবৰ উপযুক্ততা সম্বন্ধে সেই স্কুলবোৰৰ হেড্‌মাষ্টৰ বা অধ্যক্ষসকলৰ এখন লিখা আনিলেই, তাত এটা সাধাৰণ পৰীক্ষা লৈ সাধাৰণতে ছাত্ৰ ভৰ্ত্তি কৰে।

ইংলণ্ড আৰু বেলছত ২১,২২ হেজাৰমান উৎকৃষ্ট চৰকাৰী প্ৰাথমিক পঢ়াশালি; তাত ৭১॥ লাখ লৰা-ছোৱালী আৰু ২ লাখ শিক্ষক। কিন্তু এই দুই দেশৰ লোকসংখ্যা অকল বঙ্গদেশৰ লোকসংখ্যাৰ সমানেই নহয়। স্কটলেণ্ডটো এই বিধৰ পঢ়াশালি তিনি হাজাৰমান। ইয়াৰ বাহিৰেও বিলাতত আৰু ২১ হেজাৰ 'বে-চৰকাৰী' পঢ়াশালিত ৭১ লাখ লৰা ছোৱালীক প্ৰাথমিক শিক্ষা দিয়া হয়। ইংলণ্ড, স্কটলেণ্ড আৰু বেলছৰ সকলো প্ৰকাৰ শিক্ষাৰ কাৰণে বিলাতৰ ৰাজকীয় ধন-ভঁৰালৰপৰা ৮৮॥ কোটি টকা আজিকালি ব্যয় কৰে। তাৰে আধাখিনি প্ৰাথমিক শিক্ষাৰ কাৰণে আৰু বাকী আধা মাথোন উচ্চশিক্ষাৰ বাবে দিয়া হয়। যোৱা কেবছৰমানৰ আগতে গোটেই ভাৰতৰ ৰাজহৰপৰাও বোলে এই টকা দুঠিছিল।

সভ্যজগতত সকলো লৰা-ছোৱালীয়ে অবৈতনিক প্ৰাথমিক শিক্ষা পাবৰ অধিকাৰ পালেও, তেওঁলোকৰ সকলোৱে যে সমানে উচ্চ শিক্ষা পাব, এইটো কোনো দেশতে দেখা নেযায়। মাৰ্কিণ দেশত দুৰ্ব্বল আৰু কৰ্ম্ম-অক্ষম লৰাইহে সাধাৰণতে উচ্চ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা-প্ৰাৰ্থী হয়। তাত আৰু ইউৰোপত সৰহ সংখ্যক লৰায়ে বুজন অৱস্থা পালেই নিজে উপাৰ্জ্জন কৰি খাবলৈ ধৰে। অনেক দেশত বাৰ বছৰলৈকে লৰা-ছোৱালীয়ে কল-কাৰখানাত কাম কৰিব নোৱাৰা আইন আছে। কিন্তু এই বয়স পাৰ হৈ গলেই কাম আৰু বিদ্যা-উপাৰ্জ্জন দুয়োটা একেলগে কৰিব পৰা ব্যৱস্থা আছে। এনেধৰণৰ পঢ়াশালীবোৰক 'কন্টিনুয়েশ্যন স্কুল' বা ধাৰাবাহিক পঢ়াশালি বোলা হয়। কিয়নো প্ৰাথমিক শিক্ষা সাং কৰি যিবিলাক হীন আৰ্থিক অৱস্থাৰ ছাত্ৰই উচ্চ শিক্ষা পাব খোজে, তেওঁলোকক এই পঢ়াশালিবোৰতে প্ৰায় ১৪ বছৰ বয়সৰপৰা ওঠৰ বছৰ বয়সলৈকে শিক্ষা দিয়া হয়। কামৰপৰা আহৰি পোৱা সময়কেৰাই তেওঁলোকৰ পঢ়া সময়।

এই পাব্লিক স্কুলবোৰৰ বাহিৰে, চৰকাৰী সাহায্য-প্ৰাপ্ত (এইডেড্‌) আৰু 'বে-চৰকাৰী' উচ্চশিক্ষাৰ বিদ্যালয় অনেক আছে। শতকৰা ৯০ খন উচ্চ শিক্ষাৰ বিদ্যালয় বেলে এনে সাহায্য-প্ৰাপ্ত, আৰু তাৰ এক-চতুৰ্থাংশমান ছাত্ৰ-ছাত্ৰী প্ৰাথমিক পঢ়াশালিৰপৰা আহি বিনা-মাচুলে ভৰ্ত্তি হোৱা। ইয়াৰ বাহিৰে, পঢ়া-শুনাত পাৰদৰ্শিতা দেখুৱাগৈ অনেক লৰাছোৱালীয়ে ইয়াত অবৈতনিক শিক্ষা পায়। সিহঁতৰ মাজত যিবোৰ বুধিয়ক লৰা সিহঁতে স্কুলৰপৰাই জলপানি ধৰি বা বঁটা লাভ কৰি উচ্চশিক্ষা পায়। এইদৰে নিচেই দাল-টোকোনা আৰু দিনৰ মজুৰি লৈ জীৱিকা উপাৰ্জ্জন কৰি খোৱা মানুহৰ লৰায়ো কৃতবিদ্য হৈ নিজ যোগ্যতাৰে সমাজ আৰু ৰাজ্যৰ অতি ওখ আসন লাভ কৰিব পাৰে।

ইংলণ্ড আৰু বেলছত এইদৰে ১৫০০ উচ্চশিক্ষাৰ বিদ্যালয় আছে, আৰু তাত প্ৰায় ৪ লাখ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা পায়।



কেম্ব্ৰিজ, অক্সফৰ্ড আদি বিশ্ববিদ্যালয়ত কিছুমান নিৰ্দ্দিষ্ট পাব্লিক স্কুলৰপৰা অহা নিৰ্দ্দিষ্ট সংখ্যা ছাত্ৰ লৈ, বাকী ঠাই আন পাব্লিক স্কুল আৰু বিদ্যালয়ৰ ছাত্ৰেৰে পূৰ কৰে। স্কটলেণ্ড, বেল্‌ছ্‌ আৰু ইংলণ্ডৰ উচ্চশ্ৰেণীৰ বিদ্যালয়ৰ ছাত্ৰই এই দুটি বিশ্ববিদ্যালয়ত ঠাই পাবৰ কাৰণে বৃত্তি আৰু বঁটা আছে। বিশ্ববিদ্যালয়ত নানা বিষয়ৰ বাবে সৰহীয়া বৃত্তি আৰু অৰ্থসহায়দানৰ দিহা আছে। নিচেই দুখীয়া লৰাও পৰীক্ষাত সফল হলে বিশ্ববিদ্যালয়ে তেওঁলোকক সাদৰে সুমুৱাই লয়।

যিবিলাক লৰাই ছাত্ৰ অৱস্থাতে ৰোজকাৰ উলিয়াই খাবলগা হয়, তেওঁলোকে সেই ধাৰাবাহিক পঢ়াশালিত আহৰি সময়ত উচ্চশিক্ষা লাভ কৰে, আৰু ছেগ বুজি পঢ়াশালিৰ বাহিৰেও পাঠ্যবিষয়ৰ অধ্যয়ন আৰু চৰ্চ্চা কৰিবলৈ তেওঁলোকক জোখাৰে সুবিধা দিয়া হয়। এই উচ্চ বিদ্যালয়বোৰত স্বাস্থ্যৰক্ষা, ব্যায়াম শিক্ষা, সাঁতোৰা, খেমালি কৰা, আন ছাত্ৰৰ লগত মিলিজুলি সম্ভাৱ আৰু স্নেহৰ আদান-প্ৰদান কৰা আদি সকলো প্ৰকাৰৰ সুবিধা দিয়া হয়। সাময়িক জগতৰ নানা বিষয়ৰ চৰ্চ্চা আৰু আলোচনা কৰি নিজ বুদ্ধিবৃত্তি আৰু মতামতৰ পৰিপুষ্টি সাধন কৰি লবৰ কাৰণে তেওঁলোকৰ নানা 'ছছাইটি' বা সভাসমিতিৰ অনুষ্ঠান আছে। দুখীয়া ছাত্ৰক নানা উপায়ে সহায় কৰা আৰু আন কি, সমাজ-সেৱাৰ বাবেও তেওঁলোকৰ ছাত্ৰসমাজত অনেক দিহা থকা বুলি জনা যায়।

ইয়াৰ বাহিৰেও আহৰি সময়ত আৰু পঢ়াৰ খতি দিনত দহ ঠাই ফুৰা, নানা প্ৰাকৃতিক দৃশ্য আৰু চিত্ৰকলা আদি চোৱা, সঙ্গীত শুনা, ইত্যাদি অনেক ৰকমৰ শিক্ষাৰ দিহা আছে। ছাত্ৰৰ শৈশৱ জীৱনৰ স্ফূৰ্ত্তি, উদ্যম, উৎসাহ, চিত্তৰ আনন্দ আৰু শৰীৰৰ স্বাস্থ্য যাতে পঢ়া-শুনাৰ হেঁচাত চেপেটা নহৈ উত্তৰোত্তৰ সকলো বৃদ্ধি পাই পৰিপুষ্টি আৰু পৰিস্ফুটতা লাভ কৰে, তালৈ সদায় চকু ৰখা হয়। মুঠতে, কি স্কুল, কি কলেজ, তাৰ সকলোতে শিক্ষাৰ ঘাই উদ্দেশ্য হৈছে উপযুক্ত বিলাতবাসীৰ সৃষ্টি। *

(আগলৈ আছে)

শ্ৰীডিম্বেশ্বৰ নেওগ

## কৃষ্ণ কথা

শ্ৰীমদ্ভাগৱত মহাশাস্ত্ৰ। ই পুৰাণৰ সূৰ্য্য। "পুৰাণৰো সূৰ্য্য ইটো মহাভাগৱত"। সূৰ্য্য উদয় নোহোৱালৈকে চন্দ্ৰ, তৰা, গ্ৰহ, নক্ষত্ৰৰ পোহৰ থাকে, সূৰ্য্য ওলালেই সেইবোৰ ম্লান হৈ যায়।

"ভাৰত পুৰাণ আদি যত   প্ৰকাশ কৰয় নানামত
যত মহাজন সৱৰ সভা মধ্যত।
পৰম আনন্দ ৰসময়   কোটী সূৰ্য্য সম প্ৰকাশয়
মহাভাগৱত লোহন্ত যাৰে বেকত॥" (ঘোষা)

ই বেদৰ সাৰ, বেদান্তৰ Concrete ব্যাখ্যা অৰ্থাৎ বস্তুবাচক, ইন্দ্ৰিয়গ্ৰাহ্য, সংহত বস্তু, বিশেষ ব্যাখ্যা। ই বেদ-কল্পতৰু সুস্বাদ ফল।—

"নিগম কল্পতৰোৰ্গলিতং ফলং
শুকমুখাদমৃতদ্ৰৱসংযুতং।
পিবত ভাগৱতং ৰসমালয়ং
মুহুৰহো ৰসিকা ভুবি ভাবুকাঃ।

"সকল নিগম কল্পতৰু   তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈল বিদিত।
ৰসত চতুৰ যিটোজন   কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পীয়োক ফল অমৃত॥" (ঘোষা)

এই বাবেই শুকে পৰীক্ষিতক কৈছিল—

"শুক নিগদতি পৰীক্ষিত   যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমাগুণে।

* 'বাঁহী'—১৪শ বছৰ, ৩য় সংখ্যা, ১১৭ পিঠিত এই নামৰ প্ৰবন্ধ চাওক। শ্ৰীডিঃ নেঃ

কৰিলেক মোৰ বদ্ধ চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলোঁ মই আপুনে ॥
তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আক শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকতে মুকুন্দৰ পাদ পঙ্কজত
অতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি ॥"(ঘোষা)

"সেহি কৃপাময় মোৰ বাক্যচয়
অলঙ্কৃত কৰন্তোক।
শৃঙ্গাৰাদি নানা ৰসে বাক তৌক
আনন্দে লোকে শুনোক ॥
যাৰ মুখপদ্ম মকৰন্দ মধু
হৰি কথা ৰসময়।
ভকত ভ্ৰমৰে পৰম আদৰে
আনন্দে নিতে পিয়য় ॥
হেন কৃপাময় শুক পিতৃ ব্যাস
নতি তান চৰণত।
তাহান কৃপাত পঢ়িলো সাক্ষাত
ইটো মহাভাগৱত ॥"( দ্বিতীয় স্কন্ধ,
শঙ্কৰ দেৱৰ পদ।)

ব্যাসদেৱে ওঠৰখন পুৰাণ ৰচনা কৰি, বেদৰ বিভাগ কৰিলে ;—

"ব্যাস নামে ভৈলা সত্যৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈল অতি অল্পমতি ॥
কৰিলা অনেক শাখা চাৰিয়ো বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ ॥" (কীৰ্ত্তন)

ইমানবিলাক শাস্ত্ৰ কৰিও ব্যাসে বদৰিকাশ্ৰমত বহি মনত বৰ অশান্তি অনুভৱ কৰি আছে।

"উগুল থুগুল মনে নাহি সুখ শান্তি।
নপাস্ত উপায় একো মনে গুণি গান্থি ॥
ব্ৰহ্মজ্ঞান চিন্তে মনত নাহি সুখ।
নজানন্ত মনত কিসক মিলে দুখ ॥'

এনে সময়ত

"সেহি বেলা তৈতে আসি মিলিলা নাৰদ।"

নাৰদে ব্যাসক সুধিলে—

"কিবা হেতু নাহিকে তোমাৰ চিত্ত শান্ত ॥
মহা উচপিচ কিয় থিৰ নুহি চিত্ত ॥
মহন্তৰো মোহ ইটো কিনো বিপৰীত।
চাৰিও বেদৰ কৰিলাহা শাখা ভেদ।
যাৰ যেন জাতি ধৰ্ম্ম দিলা পৰিচ্ছেদ ॥
কৰিলাহা ভাৰত পুৰাণ অষ্টাদশ।
জগতত্তে ব্যাপিলে তোমাৰ মহাযশ ॥
ব্ৰহ্মকো সাক্ষাতকাৰ কৰা সমাধিত।
তথাপি তোমাৰ কেন অসন্তুষ্ট চিত্ত ॥"

নাৰদৰ এই প্ৰশ্ন শুনি ব্যাসে উত্তৰ দিলে—

হওঁ যদি আমি বেদ শাস্ত্ৰত পাৰ্গত।
কৰো নিতে ঈশ্বৰ অৰ্পণ কৰ্ম্ম যত ॥
মহাজ্ঞানপূৰ্ণ আমি জগতে প্ৰখ্যাত।
হোৱে সমাধিত ব্ৰহ্ম আপুনি সাক্ষাত ॥
তথাপি নুগুচে মোৰ মনে অসন্তোষ।
নাপাওঁ বিমৰষি কিবা কৰি আছোঁ দোষ ॥

ব্যাসৰ এই কথাৰ সমিধান নাৰদে এই বুলি দিলে--

নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিসে কৰিলা সবে জগতক নাশ ॥
নিৰন্তৰে পশুৰ লৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰ ইহাৰ সমান ॥
আকস্মিতে লোকৰ কৰাইলা হিংসা ধৰ্ম্ম।
নুবুজিলা তুমিও বেদৰ তত্ত্ব মৰ্ম্ম ॥
গৰ্হিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
তোমাৰ বচনে লোক নাশিলা সমূলি ॥

* • •

যদি জ্ঞানীগণে তাক কৰে নিবাৰণ।
আউৰ তাৰ বাক্যক নামানে একোজন ॥
বোলে উপালম্ভ কৰি বচন খণ্ডিত।
ব্যাসতো অধিক ভৈল এহেন্তে পণ্ডিত।
প্ৰকট কহিলা তুমি আনন্দে ধৰ্ম্মক।
নকৈলা প্ৰখ্যাত কৰি কৃষ্ণ কীৰ্ত্তনক ॥
সিজিল তোমাত ঋষি পৰম অন্যায়।
নাহি সুস্থ চিত্ত তব সেহি অভিপ্ৰায় ॥



এতেকে

মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰক গোবিন্দৰ নাম গুণ মাত্ৰ ॥
শ্ৰৱণ কীৰ্ত্তন মাত্ৰে তাৰোক নিশেষ।
দূৰ হৌক তোমাৰ মনৰ মহাক্লেশ ॥

আৰু যদিও ভক্তি ন বিধ, তাৰ ভিতৰত

"শ্ৰৱণ কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ।"

আৰু—'ভকতি বিহীন জ্ঞান কৰ্ম্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ ॥"

আৰু মই—"উৰ্দ্ধবাহু কৰি হেৰা কৰো অঙ্গীকাৰ।
অধম জাতিতো যদি জন্ম ভৈল তাৰ ॥
জ্ঞানীতো কৰ্ম্মীতো কৰি তথাপি অধিক।
দেৱৰে বন্দনী যিটো ভকতি ৰসিক ॥"

ইত্যাদি উপদেশ দি যেতিয়া নাৰদ গুচি গল, ব্যাসে—'কৃষ্ণৰ মূৰ্ত্তিক পাছে কৰিলন্ত ধ্যান।
হৃদয়তে কৃষ্ণক দেখিলা বিদ্যমান।
বাম পাশে মায়া, দক্ষিণত ভক্তি মাৰ।
দেখি ব্যাস ঋষিৰ ৰোমক ভৈল গাৱ ॥
মায়ায়ে বান্ধন্ত ভক্তি মাতৃয়ে মেলন্ত।
দুহানো মধ্যস্থ ভাৱে আছা ভগৱন্ত ॥
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি ॥"

এনে ভাগৱত শাস্ত্ৰ। এনেখন

বৈকুণ্ঠৰ শাস্ত্ৰ আনি পৰম উৎসুকে।
সংসাৰিক কৰি কৃপা প্ৰচাৰিলা শুকে।

এই ভাগৱত শাস্ত্ৰ ভক্তিপৰ শাস্ত্ৰ। যদিও ন বিধ ভক্তি ই প্ৰচাৰ কৰিছে, তথাপি তাৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তন এই দুই ভক্তিক শ্ৰেষ্ঠ আসন দিছে।

"পূজা আদি যত ভক্তিৰ মধ্যত
শ্ৰৱণ কীৰ্ত্তন সাৰ ॥" (২য় স্কন্ধ ভাগৱত)

ঈশ্বৰৰ নাম গুণ শ্ৰৱণ, আৰু ঈশ্বৰৰ নাম গুণ কীৰ্ত্তন এই দুই ভক্তি অল্পপ্ৰাণ কলিৰ লোকৰ নিমিত্তে ভাগৱত প্ৰচাৰ কৰি জীৱৰ তৰণৰ উপায় কৰি দিলে। সেই দেখি আমাৰ শঙ্কৰদেৱে কৈছে—

"নালাগে দেৱ দ্বিজ ঋষি হৈবে।
নালাগে সমস্ত শাস্ত্ৰ জানিবে ॥
মিছাতে মৰে আন কৰ্ম্ম কৰি।
হোৱন্ত ভকতিত তুষ্ট হৰি ॥"

"কৰ্ম্ম তপ জ্ঞানে সাধে যি গতি।
দানে সন্ন্যাসে বা পাৱে সম্প্ৰতি ॥
ভকতে সুখে বসি পাৱে তাক।
উদ্ধৱক আগে কৃষ্ণৰ বাক ॥"

আৰু ঘৰত সুখেৰে বহি এই নাম ধৰ্ম্ম বা শ্ৰৱণ কীৰ্ত্তন ভক্তি ধৰ্ম্ম আচৰণ কৰি মুক্তি লাভ কৰিব পাৰি। সেইদেখি শুকদেৱে পৰীক্ষিতক কৈছিল—

আৰ যাইবে নালাগে নৃপতি তপোবনে।
গৃহে বসি গতি পাৱে শ্ৰৱণ কীৰ্ত্তনে ॥
"ইটো মহা ভাগৱত শাস্ত্ৰ বৈকুণ্ঠৰ ॥
আত মহাধৰ্ম্ম এক নামেসে প্ৰখ্যাত।
শ্ৰৱণ মাত্ৰকে কৰে কৃষ্ণক সাক্ষাত ॥
পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।
হৰিগুণ নাম ধৰ্ম্ম মহা সুখকৰ ॥
স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ ॥

পৰীক্ষিতক শুকদেৱে কৈছে—

সংসাৰ-তাৰণ পথ আছে অসংখ্যাত।
অনেক বিঘিনি ব্যাপ্ত দুষ্কৰ সাক্ষাত ॥
শ্ৰৱণ কীৰ্ত্তন কৰি কৃষ্ণক আৰাধে।
মহা মোক্ষ সাধে একো বিঘিনি নবাধে ॥
যাত হন্তে হোৱে ৰতি কৃষ্ণৰ চৰণে।
নাহিকে সুগম আতপৰে ত্ৰিভুবনে ॥

আকৌ তেওঁ কৈছে—

পূৰ্ব্বত ব্ৰহ্মায়ে এক চিত্তে তিনিবাৰ।
বেদত বিচাৰি এহিমানে পাইল সাৰ ॥
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে ওপজে গোবিন্দত প্ৰেম ৰতি ॥

আৰু কৈছে—

"মোক্ষতো অধিক সুখ সপ্রেম ভকতি ॥"

ঘোষাত মাধৱদেৱে কৈছে—

চাৰিয়ো বেদৰ চাৰি অক্ষৰ সাৰ কৰি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।
সেহি নাৰায়ণ নাম লৈয়া শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নাজানি ॥

এনে নামধৰ্ম্ম জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৰে মাজত মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰিলে। ঈশ্বৰৰ নাম যি প্ৰচাৰ কৰে সি তৰেই আৰু যি শুনে সিয়ো তৰে।—

নাম-পঞ্চানন নাদে পলাৱত
পাপ দন্তী ভয়ভীত।
বুলিতে এক শুনিতে শত নিস্তৰে
নাম ধৰম বিপৰীত। (শঙ্কৰদেৱ)

এনে উপকাৰী গুৰু আমাৰ শঙ্কৰদেৱ। এনেজন পুৰুষক অসমে বুকুত ধৰিবলৈ পাই অসম ধন্য হল। এইবাবেই মাধৱদেৱে কৈছিল—

"হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ-সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু ॥"

এতেকে ঈশ্বৰৰ নাম লোৱা, নাম লোৱা, নাম লোৱা। নামেই তোমাক এই ভৱ-বন্ধনৰ হাতৰপৰা সকাব। নাৰদে কৈছে—

হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৰদে কয় ॥

সেই দেখি শ্ৰীশঙ্কৰদেৱে কৈছে—

নাৰদে দিলন্ত তিনি কতপা।
নামানিবে আৰু কোনে নে লপা ॥
নাৰদৰ বাণী শিলাৰ ৰেখা।
বৃহন্নাৰদী বিচাৰি দেখা ॥

এতেকে হে বন্ধুসকল! নাম লোৱা, নাম লোৱা আৰু কোনো ভয় নাই।

"নাম লোৱা বাপুসকল নকৰিবা হেলা।
নামেসে ৰাখিবে ঘোৰ সঙ্কটৰ বেলা ॥"

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# আত্ম-অভিমান

কি যে ই খেলা দয়াময়!
তুমি দেখাইছা কৰুণা মুকতি
তাকে দেখি পাওঁ লাজ!
উপযাচি দিছা কত উপচাৰ,
তাতে মই লওঁ ভালৰ বিচাৰ—
অনাদৰ কৰো আদৰৰ দান,
কৰা জগতৰ ৰাজ!

নিজে যচি দিয়া তৃপ্তি হিয়া-ভৰা,
চকুলোৰে মোৰ ভাহি যায় ধৰা,
তোমাৰ কাৰ্য্যত মোৰ অভিমান।
ভাবি লওঁ নিজ কাজ!

শ্ৰীদীননাথ শৰ্ম্মা

—:*:—

# নিৰাশ-প্ৰেম

অন্তৰত আজিও এটি নিৰাশাৰ সুৰ বাজি উঠে। সংসাৰৰ নানা আহুকালৰ মাজত পৰি যদিওবা তাহানিৰ কথাটো পাহৰি থাকো তথাপি চেলু লৈ কথাটোৱে অন্তৰত ভুকুকনি মাৰি মোক উতলা কৰি পেলায়। কিয় কব নোৱাৰোঁ—মনত পৰিলেই মোৰ গাৰ নোম শিয়ঁৰি উঠে আৰু প্ৰেম তৰঙ্গৰ উছৰত পৰি ক্ষন্তেকলৈ অধীৰ হৈ পৰোঁ।

আজি ৫ বছৰৰ আগৰ কথা। ইংৰাজী ১৯২৫ সন। অসহযোগ আন্দোলনৰ ধুমুহা তেতিয়া গাওঁ ভুঁইবোৰত অলপ অলপ শাম কাটিছে। মই ইংৰাজী স্কুলৰ ৯ম শ্ৰেণীত পঢ়োঁ।

সৰু আইটী আজি ভেকোলাৰ ঘৰত। যিখন গাঁৱত ভেকোলাৰ ঘৰ—সেই গাওঁখনৰ আলিয়েদি যাওঁতে সৰু আইটী এতিয়াও মোৰ চকুত নপৰাকৈ নাথাকে। মোৰ যেন এতিয়াও লাজ আছে। বেছিপৰ মুখলৈ চাই থাকিবলৈ অপাৰাগ……মাথোঁ ক্ষন্তেকলৈ।

প্ৰকৃতিত নানা পৰিবৰ্ত্তন ঘটিছে, গ্ৰীষ্মৰ পাছত বৰ্ষাকৈ হেমন্তকাল আহি সমুপস্থিত। খেতিয়কসকলে ধান চপাবলৈ লাগি গৈছে। সেই মাহতে বিবাহৰ দিন। কেউকালে বিয়াৰ ধুমধাম্।

আমাৰ ঘৰৰ ওচৰত সৰু আইটীৰ মোমায়েকৰ ঘৰ। সেই ঘৰতে আজি বিয়া। শুক্লপক্ষ, হেমন্তৰ সুধাকৰে অযাচিতৰূপে জ্যোৎস্না ধৰণীৰ বক্ষত ঢালি দিছে। পকা ধান থকা ক্ষেত্ৰবোৰ চন্দ্ৰদেৱৰ কিৰণত অতি মনোমোহা হৈ পৰিছে।

বিয়াৰ উখল-মাখল। মোৰ মন নবল। ভাঙৰী কাপোৰখন হুছাটি মাৰি লৈ টুকুৰ-টুকুৰকৈ বিয়াৰ ঘৰ পালোগৈ। মই ওলোৱা মাত্ৰকে বিয়াঘৰৰ মোৰ সমনীয়া একনে আতো-পুতোকৈ বহিবলৈ দিলে। দেহিঐ! বিধিৰ দ-বাম কোনে বুজে, আজি মোৰ সেই সমনীয়াজন আৰু ইহ সংসাৰত নাই! গত বছৰতে তেওঁ আমাৰ পৰা বিদায় লৈ গল। কৰলৈ লোভ সামৰিব নোৱাৰিলো তেওঁ মোৰ কৃতজ্ঞতাৰ পাত্ৰ, নকলে অকৃতজ্ঞতাৰ দোষে মোক পৰশন কৰিব।

বহি বিয়াৰ ৰেহ-ৰূপ চাবলৈ লাগিলো। মানুহৰ গাত গোঁসাই নাই, সকলো কামতে ব্যস্ত। ময়ো এনেই থকা নাই। তামোল পকটিয়াই পকটিয়াই কিৰা-কিৰি চোবাবলৈ লাগি গলো।

মোৰ বেছ বুজ আছে সৰু আইটী বিয়াৰ ঘৰত বুলি। এবাৰ কেনেকৈ দেখা পাব পাৰো এইটোৱেই মোৰ মাথোঁ চিন্তা। কথা পাতি আছো যদিও মোৰ কথাত মন বহা নাই—কেবল সেই চিন্তাতেই নিবিষ্ট। এবাৰ মাথোঁ সাক্ষাৎ………।

যি ঘৰত বিয়া সেই ঘৰ দৰাৰ ঘৰ। দৰাই হৈছে সৰু আইটীৰ মোমায়েক। পানী ছনি তুলি দৰা নোৱাবলৈ কাৰবাৰ কৰিছে।

দৰা নোৱোৱা শেষ হৈ গল। তেতিয়াও মোৰ দেখা হোৱা নাই।

দৰাক আনি সাজ কাপোৰ পিন্ধা আসনত বহুৱালেহি। দৰাৰ পিছফালে বহি থকা আয়তীসকলে জাত জাতকৈ বিয়াৰ নামত ধৰিছে।

কব নোৱাৰো কি হল। হঠাৎ মোৰ কাণত পৰিলেহি আহ্বানৰ ফুচকুচীয়া ধ্বনি। উধাতু খাই যেন মোৰ সমনীয়াজনে মোক কাণে কাণে কলেহি "আপোনাক লগ পাব খুজিছে"।

বুজিব নোৱাৰিলোঁ………। ঘপ্ কৰে উঠি চোতালৈ ওলাই গলোঁ।………

মোৰ প্ৰাণ চঞ্চল হৈ উঠিল। চঞ্চলতাৰ লগে লগেই মোৰ গাত এটি স্পন্দন উঠিল। তাৰ লগে লগে জৰ্ জৰ্ ঘাম বৈ গল।………

মই সৰু আইটীৰ লগত বাৰীৰ পিছফালে থকা এজোপা ডাঙৰ কৰ্দৈ গছৰ তলত। কৰ্দৈ জোপাৰ

পাতবোৰ বৰ ঘন আছিল বাবে তাৰ তলত কাহিলী কাহিলী জোনাকহে হৈছিল। দূৰৰ পৰা তলত কি আছে স্পষ্ট দেখা নাযায়।····মোক চোতালতে যপা প্ৰিয় সদাশিৱ যেন হৈ থকা দেখি সমনীয়াজনে পপ কৰে টানি নি সেই গছৰ তলত থৈ তেওঁ তৎক্ষণাৎ ভিতৰলৈ সোমাই আহিল।

ফেঁচা এটি ভুকং কৈ উৰি গল।... ..বাক শক্তিৰ যন্ত্ৰৰ দম্ বন্ধ হৈ গল। নতুন বাক-শক্তিৰ যন্ত্ৰ তৈয়াৰ কৰি লবলৈও অক্ষম হৈ পৰিলোঁ।·····মুঠতে যিমান-খিনি কথা লগ পালে কম বুলি পাগুলি আছিলোঁ, সেইখিনিও সকলো মিছা হল।

অনুমান ১০ মিনিটমান নিস্তব্ধতাৰ মাজত পাৰ হল। মোৰ অস্থিৰতা অলপ অলপ দূৰ হৈছে। তেতিয়া সক আইটাৰ হাতখনিত লাহেকৈ ধৰি বুকলৈ চপাই ললোঁ........। সুধিলোঁ "আজিনো তুমি মোক হঠাতে কিয় মাতিলা?"

সক আইটা নিৰুত্তৰ? ক্ষন্তেক টলকা মাৰি থকাৰ পাছত ধীৰ কণ্ঠে কলে "মোৰ মনত আৰু শান্তি নাই, যদি পাৰে মোক শান্তি দিয়ক"..........।

মনত পৰিল মোৰ হাতত এটা সামান্য আঙঠি আছে। মনৰ আবেগত আঙঠিটো সোলোকাই আনি তেওঁৰ আঙুলীত লাহেকৈ পিন্ধাই দিলোঁ।·········প্ৰবৃত্তিৰ বশবৰ্ত্তী সকলোৰেই। উত্তেজিত হৈছিলোঁ যদিও, দমনত কৃতকাৰ্য্য লাভ কৰিলোঁ।

কৰ্দ্দৈ গছৰ পাতৰ সুকঙ্গাবোৰেদি জ্যোৎস্নাই আমালৈ জুমি চাই আছে। জোনাকীপৰুবাবোৰ জুমে জুমে আহি আমাৰ সেই মিলনত যোগদান দিছেহি। বৰ্ণনাৰ অতীত যি এবাৰ তেনে ঘটনাৰ মাজত পৰিছে, তেওঁহে সেইটো ভালকৈ অনুভৱ কৰিব পাৰিব।

মিলন সাং হল।.............সেইদৰে থাকোঁতেই মোৰ সমনীয়াজনে পুনৰ লৰি গৈ আমাৰ ওচৰ পায়েই লৰা-লৰিকৈ কলে 'সক আইটী, তোক ভিতৰত বিচাৰিছে।"

লাহেকৈ মোৰ বুকৰপৰা এৰাই গল। তেওঁৰ কোমল হাতখনিয়ে মোৰ হাতত ধৰি যেন সেই দিনালৈ শেষ বিদায় মাগিলে।

বিদায় মাজত বহিলোঁহঁগ। আমাৰ ঘটনাৰ কথা জানিবা কাৰো চকুত নপৰাকৈ সাৰিল। সেই দিনালৈ আৰু মোৰ বিয়া চোৱা নহল, কেৱল তেওঁক কেনেকৈ শান্তি দিব পাৰো সেইটোকে ভাবিবলৈ ধৰিলোঁ।······ চিন্তা শেষ নহল, সমিধান দিবলৈ অক্ষম হৈ পৰিলোঁ।

দৰাৰ লগত মই যাবলৈ নহল। চিন্তাৰ চাক-নৈয়াত পৰি মোৰ মূৰত সাতোকুৰা অগ্নি জলিবলৈ লাগিল।

পোনছাটেই আহি বিছনাত শুই পৰিলোঁহি। নিদ্ৰা-দেৱীক ব্যগ্ৰ সহকাৰে আহ্বান কৰিলো মোৰ সেই চিন্তা-ভিভূত বহ্নিক উপশম কৰিবৰ হেতু। কিন্তু ক'তা? কৃতকাৰ্য্য নহল।........

বিছনাত লুটি বাগৰ দিবলৈ আৰম্ভ কৰিলোঁ। সেইদৰেই থাকোঁতেই শুনিলো ফেচুৱে ফেহুঁ-আদি দিছে·········ৰাতি পুৱাও পুৱাও হৈছে।

চকু দুটা মুদ খাইছে; চিলমিলকৈ টোপনি আহিছে। তেনেতে যেন সক আইটীয়ে মোৰ কাষ চাপি আস্তে-ব্যস্তে কৈছে "মোক আপোনাৰ সহধৰ্ম্মিণী কৰি লক, তেতিয়াহে মোৰ মনলৈ শান্তি আহিব"............।

এয়েই সম্ভৱ মোৰ চিন্তাৰ সমিধান! ভাবিলো সঁচাকৈয়ে মোক সক আইটীয়ে অন্তৰেৰে ভাল পায় আৰু সেই ভালপোৱা অটুট ৰাখিবলৈ তেওঁক মই মোৰ জীৱন সঙ্গিনী কৰি লব লাগিব।

মই ভীষণ সমস্যাৰ মাজত বৰ্ত্তমান। তেওঁক বিয়া কৰাবলৈ মোৰ কোনো আপত্তি নাছিল আৰু বাস্তৱিক পক্ষত কবলৈ গলে তেওঁৰ প্ৰতিও মোৰ প্ৰণয় কম নাছিল। কিন্তু সেই পথ বহুত বিপদ সঙ্কুল। সেইবোৰ অতিক্ৰম কৰা মোৰ পক্ষে কঠিন হৈ পৰিল।

দিনৰ পাছত দিন, ক্ৰমে,—পক্ষ, মাহ, পাৰ হৈ গল। আজিলৈকে মই শেষ সিদ্ধান্ত দিব পৰা নাই। মাজে মাজে মাথোঁ তেওঁক মই দেখা কৰি থাকোঁ।······

মোৰ প্ৰবেশিকা পৰীক্ষা দিয়া শেষ হৈ গল।



গাঁৱলীয়া ছোৱালী যদিও, সিমান বোৰ সুবুজা নহয়। তেওঁ কিজানি ভাবিছিল যে মোৰ ছাত্ৰাৱস্থাত মই তেওঁক বিয়া কৰালে মোৰ বিশেষ ক্ষতি হব আৰু সেই ভাবিয়েই কিজানি তেওঁ ফুটাই মোক বিয়া কৰা-বলৈ ধৰা নাছিল।

পৰীক্ষাৰ পাছত ঘৰতে বহি আছোঁ। সময় বুজি মই তেওঁলোকৰ ঘৰলৈ যাওঁ।

ঘূৰি আবেলি। চোতালতে ৰ'দ লৈ বহি আছোঁ। এনেতে মোৰ সেই সমনীয়াজন উপস্থিত।

দুয়ো বহিলোঁ। তামোল-ছালি খাই লাহে লাহে কথা পাতি থাকোঁতেই প্ৰসঙ্গতে সক আইটীৰ কথাটো তেওঁ উলিয়াই পেলালে।

ঘৰত আন মানুহ নাছিল বাবে কথা পাতিবলৈ কোনো বাধা পোৱা নাছিলোঁ।

তেওঁ কলে যে সক আইটীক বিয়া কৰাবনে নকৰায়, এই বিষয়ে খাতাং জবাব লাগে।

মই আচৰিত হৈ সুধিলোঁ, "খাতাং?"

সমনীয়াজনে হাঁহি হাঁহি গহীনাই কলে "হয়, একেবাৰে খাতাংকৈ কৈ দিব লাগে বিয়া কৰাবনে নকৰায়"।

মোৰ মোৰ হেৰাল। সেই দিনালৈ মই মুঠতে একো উত্তৰ দিবলৈ নহল।

মোৰ চিন্তা দুগুণে চৰিল। কি কৰিম কি নকৰিম। দিনৰ পাছত দিনে খবৰ আহিবলৈ লাগিল। মযো দিন লবলৈ লাগিলোঁ।

খবৰৰ পাছত খবৰ। সেই কেইদিন অকল সেই ৰাতিৰ লোৱাতে মই ইমান ব্যস্ত যে অন্য চিন্তা কৰিবলৈ অৱসৰ উলিয়াবলৈ মোৰ পক্ষে টানেই হৈ পৰিছিল।...........

গুন্থক্-ঘানাক্কৈ শুনিবলৈ পালোঁ যে কেইটামান মানুহে আলচ পাতিছে সক আইটীক ধৰি নিবলৈ। সক আইটীৰ মাক নাই। সকতে ধুকাল বাবে বিশেষ তদাৰক লোৱা অন্য মানুহ ঘৰত নাছিল।

কথাটো শুনিও মই সক আইটীক যেনে-তেনে কৰবলৈ সাহ কৰিব নোৱাৰিলোঁ। তেওঁক সেই ফন্দি-য়কদলৰ হাতৰপৰা ৰক্ষা কৰিবলৈ মোৰ ক্ষমতা থকা সত্বেও সেই কামত হস্তক্ষেপ কৰিবলৈ কিবা এটা সুবিধা নাপালোঁ।

সময়ৰ চাক্‌নৈয়া বুৰা টান। ভাগ্যচক্ৰৰ দোমোজাত পৰি কাৰ কি হব লগা আছে কোনে বুজিব?...

এদিন হঠাৎ শুনিবলৈ পালোঁ যে সক আইটীক হেনো ধৰি নিলে। ৰাতৰিৰ ধ্বনিতে প্ৰতিধ্বনিত হৈ নিমিষতে মোৰ মনলৈ এটি অনুতাপৰ সোঁত বৈ আহিল ........অন্তৰত পলকতে বাজি উঠিল,—"আশাত নিৰাশ কৰা ভাল নহয়"

সেই অনুতাপ আজিও মোৰ অন্তৰত জীৱিত। তেওঁ যি নিকলঙ্ক প্ৰেম মোৰ প্ৰতি পোষণ কৰিছিল সেই অমিয় প্ৰেমৰ প্ৰতিদান বা উপহাৰস্বৰূপে মই তেওঁক একোকে দিব নোৱাৰিলোঁ। বুজিছো সেইবাবে মই দায়ী, মোৰ অন্তৰ কঠুৱা, যি অন্তৰক নিৰ্ম্মলা প্ৰেমিকাৰ অতি সৰল প্ৰণয়-লিপ্ত বাণীয়েও গলাব নোৱাৰিলে। ছিঃ ছিঃ মই কি কৰিলোঁ!

মোৰ অন্তৰৰ এচুকত সেই প্ৰেমিকাৰ এদিন—প্ৰেম-মিলন ৰহস্যৰ কথা বৰ্ত্তমানে আছে। মই তেওঁৰ ওচৰত সেইবাবে ঋণী আৰু ক্ষমা—ভিক্ষাৰী।

আজিও কোনোবা বঙালী কবিৰ সুৰত মোৰ অন্তৰে ধীৰ স্বৰেৰে গাব লাগিছে:—

"কি সুর বাজে ভাঙা হৃদি মাঝে
আমি জানি, আমার প্রাণ জানে।"

শ্ৰীজগতচন্দ্ৰ শইকীয়া

# লাচিত ফুকন

যুদ্ধ-বিদ্যা-বিশাৰদ    অসম-গৌৰৱ ৰবি
জননীৰ সুসন্তান তুমি ;
বীৰ-দৰ্পে শত্ৰুকক    কৰি নিতে পৰাজয়
উদ্ধাৰিলা মাতৃ জন্ম-ভূমি।
স্বদেশ ৰক্ষাৰ হেতু    "শৰাই-ঘাটত" তুমি
মাতুলক দিলা বলিদান ;
দেখুৱালা জগতক    গগণ-পৱন-লজ্জা
উকৰাই গৌৰৱ-নিছান।
কটা শিৰ মাতুলৰ    দুই-হাতে তুলি লই
সগৰবে হাঁহিলা এবাৰ ;
ক'লা তুমি ভক্তি-ভাবে    অঁটু লই জননীক
"স্বাধীনতা ৰাখিম তোমাৰ।"
যদুৰ সময় কালে    ঘোৰমূৰ্ত্তি ধৰি চাই
সিংহনাদে কৰি গৰজন ;
আদেশিলা একেষাৰে—"সাজা গড়, নতুবা সবাকে
এই অস্ত্রে কৰিম ছেদন।"
এই বুলি তুমি বীৰ,    সোণৰ ফাকৰপৰা
খুলি লই তীক্ষ্ণ তৰোৱাল—
মস্তক-বিহীন সেই    তনু মাতুলৰ দেহা
একে ঘাপে কৰিলা দুফাল !
পৈশাচিক কাৰ্য্য এনে    বঙ্গবাসকলে দেখি
ত্ৰস্ত হৈ তোমাৰ ভয়ত,
দুগুণ উৎসাহে পুনু    সেই আধকৰা গড়
নিৰ্ম্মানিলে ৰাতি-ভিতৰত।
ৰাখিলা স্বদেশ-মান    স্বাৰ্থ মোহ পৰিহৰি
সজুৱাই অলঙ্ঘন গড় ;
তাতে লেখি থোৱা আছে    সোণোৱালী আখৰেৰে
"দেশতকৈ নোহে মোমা' বৰ।"

ৰজাই সমৰ ভেৰি    অজেয় মোগল সেনা
পৰাজিলা সমৰ-ক্ষেত্রত।
মহাবীৰ ৰামসিংহে    উলটিল স্বদেশলৈ
হাৰ মানি "শৰাই-ঘাটত ;"
কৈ গ'ল মহাবাণী    অসমীয়া সৈনিকক
ৰণ-বিদ্যা ৰখানি বিস্তৰ,—
"দেখা নাই ভাৰতত    মাটিয়ে-পানীয়ে কৰা
সমৰত পটু এনে বীৰ।"
চৌদিশে তোমাৰ বীৰ,    শত্ৰু-সমাজতো আৰু
যশ-গুণ পৰিল বিয়পি ;
জুৰিলা মাতৃৰ মন    একমনে, একপ্ৰাণে
জীৱনৰ সৰ্ব্বস্ব অৰপি।
দেখুৱালা আহোমৰ    বীৰ্য্য শক্তি ধমনীৰ
পৃথিৱীত তুমিয়ে এদিন ;
শত্ৰু ৰক্তে ৰণ-ক্ষেত্র    কৰি অতি বিৰঞ্জিত
—ৰাখি গ'লা যুগমীয়া চিন !
তোমাৰ বলত বীৰ,    লভিলে অসম আয়ে
জগতত সুযশ-সুনাম ;
"সুদূৰ পূৰত আছে    লাচিতৰ জন্ম-দেশ
দেৱ-পুৰী সোণৰ আসাম।"
মাতৃৰ দুখত তনু    কান্দিছিল মন-প্ৰাণ
পূজিছিলা মাতৃক সদায় ;
"ৰণ জয়ী" উপচাৰে,    বুকুৰ শোণিত ঢালি,
সিংহধ্বজ পতাকা উৰাই।
ধন্য বীৰ, ধন্য তুমি,    স্বদেশানুৰাগ তব
ৰখানিছোঁ যথা শকতিৰে ;
দিয়াঁ বৰ সকলোকে    কৰ্ম্মী হবলই যেন
দীক্ষা লভি তোমাৰ আহিৰে।

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন।

---

# বিশ্ব-বাণী

**পণ্ডিত মতিলাল**—ভাৰত গৌৰৱ পণ্ডিত মতিলালৰ জীৱনৰ সঙ্কটাপন্ন অৱস্থাত ভাৰত-বাসীৰ হৃদয়ত কালিলৈকে মঙ্গল-কামনাৰ যি এক মৰ্ম্ম-স্পৰ্শী উদ্‌গ্ৰীৱতা উঠিছিল, তাৰ গুপ্ত-ৰুদ্ধ-শ্বাস বিধাতাৰ ৰুকণা ৰাজ্যত অযথা বিলীন নহল। আজি দেশ-প্ৰাণ মতিলালৰ সেই সঙ্কটাপন্ন অৱস্থা নাই। পৰম পিতা পৰমেশ্বৰৰ পৰম ৰুকণা !

* * * *



শোকত ৰজাক ম্ৰিয়মান, ৰাণীক বিহ্বলা আৰু ৰাজ-বধূক মৃত-প্ৰায় কৰি কপিলাবস্তুৰ ৰাজপুত্ৰই ভিখাৰী সাজিছিল। বহুত দিনৰ কথা। সেই কথাই আজি এখন পুৰাণ। আজিও লাখ কোটি শিৰ ভক্তিৰ ভৰত দোঁ খাই পৰে সেই ৰাজপুত্ৰ সন্ন্যাসীৰ পবিত্ৰ নাম স্মৰণ কৰি ! সেই পুৰাণো এতিয়া পুৰণি, বুৰঞ্জীৰ সেই অধ্যায়ো এতিয়া দূৰ অতীতৰ অতীত কাহিনী !

* * * *

আজি আনন্দ ভৱনৰ ৰজাই নিজে কোঁৱৰ হাতত ভিখাৰীৰ জোলোঙা তুলি দিছে। ৰাজ-ৰাণী, ৰাজ-বধূ সমন্বিতে, ভিখাৰীৰ কৌপিন পিন্ধি বাটৰ একাষত থিয় দিছেহি। আনন্দ ভৱনৰ ৰাজ-প্ৰাসাদত ভিক্ষু সন্ন্যাসীৰ বিহাৰ পাতিছে। ইও এক নতুন ছন্দেৰে ৰচা নতুন পুৰাণ—জগতৰ বুৰঞ্জীত নতুন ঘটনাৰ এক নতুন অধ্যায় ! জীৱন্ত ইতিহাস, প্ৰাণময় পুৰান ! * *

এক মৃত্যু-পথৰ যাত্ৰী,—এক কাৰা-বন্দী !—হয়তো, পৰস্পৰৰ লগত এয়ে জীৱনৰ শেষ দেখা হলহেঁতেন ! তথাপি সকলোটি হিমাদ্ৰি-সদৃশ অচল-অটল ! বীৰ-পুঙ্গৱ জহৰলালৰ মাতা পত্নীৰ এই মহাপ্ৰলয়ৰ দিনতো সতেজ চিত্ত দেখি কাণত বাজি উঠে দ্বিজেন্দ্ৰলালৰ সেই অমৰ সঙ্গীত :—

"সেথা গিয়াছেন তিনি জিনিতে সমর,—
আসিবে জয় গৌরব জিনি।
সধবা অথবা বিধবা তোমার রহিবে উচ্চ শির ;
উঠ বীরজায়া, বাঁধ কুন্তল, মুছায়ে অশ্রু-নীর।"

এনে দেশত যাৰ জন্ম—তাৰ জীৱন ধন্য নহয় আৰু কাৰ জীৱন ধন্য !

**স্বদেশানুৰাগ**—এই বছৰৰ পঞ্জাব বিশ্ব-বিদ্যালয়ৰ উপাধি-বিতৰণ সভাত দাৰ্শনিক ৰাধাকৃষ্ণনে বক্তৃতা প্ৰসঙ্গত স্বদেশানুৰাগৰ এটি সুন্দৰ আখ্যা দিছিল। তেখেতে কয়,—"যথা-শক্তি প্ৰয়োগ কৰি নিজৰ আত্ম-সন্মান আৰু পৱিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ আৰু জীৱনৰ সমস্যাবোৰৰ সমাধানত নিজৰ ৰীতি ৰক্ষা কৰিবলৈ বিচৰাই স্বদেশানুৰাগ। আমাক স্বাধীনতা লাগে—নিজক অক্ষুণ্ণ ৰাখিবলৈ আৰু লগে লগে জগতৰ উন্নতিৰ অৰ্থে আমাৰ স্বতন্ত্ৰ দান দিব পৰা হবলৈ।"

**বিশ্বৰ আত্ম-ধ্বংশ**—ৰাসায়নিকসকলে কয় যে অদূৰ ভৱিষ্যতত যি মহা-সমৰ হব সেই সমৰ হব বিভিন্ন শক্তিশালী জাতিৰ ৰসায়ন আৰু পদাৰ্থ-বিজ্ঞান তত্ত্ববিৎসকলৰ ভিতৰত ; আৰু তাৰ ফল স্বৰূপে হয়

মনুষ্যজাতি পৃথিবীৰপৰা লোপ পাব, নহয় খোৰা-কোঙা হৈ পৰিব। কোনো কোনো ৰসায়ন শাস্ত্ৰ-দক্ষই



এনেবোৰ কল্পনা হাঁহি উৰায়ো দিছে। তেখেতসকলে কয় যে এনে প্ৰাণ-নাশ-কাৰী বাষ্প ৰণ-ক্ষেত্ৰৰ কোনো এক নিৰ্দ্দিষ্ট ভাগতেই মাৰাত্মকভাবে কেন্দ্ৰীভূত কৰি প্ৰয়োগ কৰা অসম্ভৱ। তেনেস্থলত গোটেই ৰণ-ক্ষেত্ৰত প্ৰয়োগ কৰিব কেনেকৈ? সিদিনা হেনো লিভাৰপুলৰ ৰাসায়নিক পণ্ডিতসকলৰ সভাত এই বিষয়ৰ উত্থাপন হওঁতে তাত প্ৰকাশ পাইছিল যে কোনো এক অদৃশ্য ৰশ্মিৰে পৰীক্ষা কৰি পোৱা গৈছে যে সেই ৰশ্মিৰ গোটেই প্ৰাণী জগতক বিধ্বংশ কৰিবৰ শক্তি আছে। তেনেহলে বিশ্ব-ধ্বংশ-কাৰী সমৰৰ কল্পনা হাঁহি উৰাই দিব লগীয়া নহয়।

**মহাত্মা গান্ধী**—'গান্ধী অকল ভাৰতৰে বা এই যুগৰে সম্পত্তি নহয়। তেওঁ সকলো জাতিৰে আৰু সকলো যুগলৈ; তেওঁ জগতৰ উমৈহতীয়া সম্পত্তি।" এই বুলি সিদিনা বোম্বাইত শ্ৰীযুত কে, এম, মুন্সিয়ে এই অতি-মানৱৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি দান কৰিছিল।

—আহৰণ—

---

# অধ্যাপক ৰমণ আৰু নোবেল্ প্ৰাইজ

## (সংগৃহীত চমু আভাস)

**বুৰঞ্জী**—এল্‌ফ্ৰেড্ বাৰ্ণহাৰ্ড নোবেল্ ছাহাব আছিল ছুইজাৰ্‌লেণ্ডৰ এজন ৰাসায়নিক পণ্ডিত আৰু ইঞ্জিনিয়াৰ। এদিন তেওঁ ৰসায়নাগাৰ সোমাই গভীৰ গবেষণাত নিমগ্ন হৈ থাকোতে কেনেবাকৈ তেওঁৰ হাতৰ আঙুলি এটা কাটিলে। তেওঁ ততক্ষণাৎ 'নাইট্ৰ ছেলুলজ' বা 'কলডিয়ন্ ইথাৰ'ত তিয়াই আঙুলিৰ কটা ঠাই-ডোখৰ ঢাকি ধৰিলে। তেওঁৰ আঙুলিটো শুকাই টান হৈ আহিল, লগে লগে তেওঁৰ মনত এটা কথা খেলিলে—'নাইট্ৰ মিছাৰিন্' নামে যি বিস্ফোৰক আছে তাক এই 'ইথাৰ নাইট্ৰ ছেলুলজ'ৰ লগত মিহলালে এই মিশ্ৰ-পদাৰ্থ ক্ৰমে গোট মাৰিব নেকি? তেতিয়াই তেওঁ পৰীক্ষাত লাগিল। আৰু সেই পৰীক্ষাৰ সুফল বা কুফলতেই 'কৰ্ডাইট্' বা 'ব্লাষ্টিং গেলেটাইন'ৰ সৃষ্টি হল। ইয়াৰ বিস্ফোৰণ ক্ষমতা বৰ্ণনাৰ অতীত। সেই দেখিয়েই এজন গ্ৰন্থকৰ্ত্তাই কৈ গৈছে—"The great war might be traced back to Nobel's cut finger." অৰ্থাৎ নোবেল্ চাহাবৰ কটা আঙুলিয়েই কুৰি শতিকাৰ কুৰুক্ষেত্ৰ ইংৰাজ-জাৰ্ম্মাণৰ মহাযুদ্ধ ৰচনা কৰিলে বুলি কব পাৰি।



যি নহওক ইংৰাজ-জাৰ্ম্মাণ যুদ্ধৰ প্ৰধান সহায়কাৰী এই আবিষ্কাৰ জগতৰ শান্তি আৰু সভ্যতাৰ প্ৰধান অনৰ্থ হলেও তাৰ সহায়ত বিপুল অৰ্থ উপাৰ্জ্জন কৰি লক্ষপতি হোৱা নোবেল ছাহাবে জগতৰ শান্তি আৰু সভ্যতাৰ কাৰণেই সেই অৰ্থ দান কৰি অমৰ হৈছে। একোটা প্ৰাইজৰ মূল্য প্ৰায় ৬৫০০ পাউণ্ড অথবা মোটা-মুটি হিচাপত একলাখ টকা। প্ৰতি বছৰে এনেকুৱা পাঁচোটা প্ৰাইজ পৃথিবীৰ পাঁচজন সৰ্ব্বশ্ৰেষ্ঠ মানৱক দান কৰা হয়। এটা দিয়া হয় সৰ্ব্বশ্ৰেষ্ঠ সাহিত্যিকক, এটা দিয়া হয় সৰ্ব্বশ্ৰেষ্ঠ শান্তি প্ৰয়াসীক আৰু বাকী তিনটা দিয়া হয় তিনিজন সৰ্ব্বশ্ৰেষ্ঠ বৈজ্ঞানিকক—অৱশ্যে তিনিওজন বিজ্ঞানৰ বেলেগ শাখাৰ পণ্ডিত হব লাগিব। পৃথিবীৰ কেবাজনো নামজ্বলা পণ্ডিতে গোট খাই ভালকৈ পৰীক্ষা কৰিহে জাতি-ধৰ্ম্ম বিচাৰ নকৰাকৈ এই প্ৰাইজৰ অধিকাৰীসকলক মনোনীত কৰে।

**নোবেল্ প্ৰাইজ আৰু ভাৰতবাসী**—আজিলৈকে দুজন ভাৰতবাসীহে এই প্ৰাইজৰ অধিকাৰী হৈছে। প্ৰথমজন হৈছে কবিসম্ৰাট ৰবীন্দ্ৰনাথ



ঠাকুৰ। তেওঁৰেতক তেওঁৰেতৰ 'গীতাঞ্জলি'য়ে ১৯১৩ সনত সাহিত্যত এই সন্মান দিছিল। আন জন হৈছে বৰ্ত্তমান বছৰতে পদাৰ্থ-বিজ্ঞানত এই প্ৰাইজ লাভকৰা মাদ্ৰাজৰ ছাৰ চন্দ্ৰশেখৰ বেঙ্কট ৰমণ। আজি কেইবছৰমানৰ আগতে মহাত্মা গান্ধীয়ে শান্তি-প্ৰয়াসীৰ প্ৰাইজটো পাব বুলি শুনা গৈছিল। আজি তেখেতে সেই প্ৰাইজ নোপোৱাকৈয়ে বহুত ওপৰলৈ উঠি অতি-মানৱত্ব লাভ কৰিলে। আৰু দুই এবছৰতে উদ্ভিদ-বিজ্ঞানত ছাৰ জগদীশ বসুৱে আৰু সাহিত্যত কবি ইক্বালে এই সন্মান লাভ কৰিব বুলি বহুতে অনুমান কৰিছে।

**অধ্যাপক ৰমণ**—ত্ৰিচিন্‌পল্লীত ১৮৮৮ সনত ৭ নৱেম্বৰৰ দিনা চন্দ্ৰশেখৰ বেঙ্কট ৰমণে জন্মগ্ৰহণ কৰে। তেওঁৰ দেউতাক প্ৰথমতে ভিজিগাপট্টনম্ এ-ভি এম্ কলেজৰ অধ্যাপক আৰু পিছত সেই কলেজৰে সহকাৰী অধ্যক্ষ হৈছিল। ৰমণে ১২ বছৰ বয়সত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা আৰু ১৪ বছৰ বয়সত এফ-এ মহলাত উত্তীৰ্ণ হৈ বি-এ আৰু এম-এ মহলাটো প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। এম্-এ মহলাত উত্তীৰ্ণ হৈ তেওঁ বিশেষ ভাবে বিজ্ঞান অধ্যয়ন কৰিবলৈ মন মেলি য়ুৰোপ যাত্ৰা কৰিবলৈ যো-যা কৰিছিল। তাৰ নিমিত্তে সম্ভৱতঃ তেওঁ 'ষ্টেট্ স্কলাৰ্‌ছিপ্' বা বিদেশত পঢ়িবলৈ ৰজাদৰীয়া বৃত্তিও লাভ কৰিলেহেঁতেন কিন্তু বিধি পথালি দিলে ডাক্তৰসকলে। তেওঁলোকে ৰমণক বিলাতৰ চেঁচা জলবায়ুৱে দুহুজিব বুলি থিৰাং কৰি মত প্ৰকাশ কৰিলে গতিকে তেতিয়ালৈ ৰমণৰ য়ুৰোপ-যাত্ৰা স্থগিত থাকিল। কিন্তু এতিয়া ডাক্তৰসকলৰ সেই মত ভুল বুলি প্ৰমাণিত হৈছে, কিয়নো অলপতে ৰমণে স্বাস্থ্যৰ হানি-বিঘিনি নোহোৱাকৈ সুস্থশৰীৰেৰে য়ুৰোপ আৰু আমেৰিকাৰ ভালেমান ঠাই ভ্ৰমণ কৰিছে। বৰ্ত্তমানে তেওঁ শীত-প্ৰধান য়ুৰোপৰ ছুইজাৰলেণ্ডত আছেগৈ—নোবেল প্ৰাইজ-বিজয়ী সম্ভ্ৰান্ত অতিথি ৰূপে।

**প্ৰতিভাৰ যোগ্যস্থান**—১৯০৭ সনত সৰ্ব্ব ভাৰতৰ প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি ৰমণে ভাৰত গৱৰ্ণমেণ্টৰ অৰ্থ-বিভাগত উচ্চ পদ লাভ কৰে। মহাযুদ্ধৰ সময়ত তেওঁ বঙ্গদেশৰ ডাক আৰু টেলিগ্ৰাফ বিভাগৰ 'ডেপুটি একাউটেণ্ট জেনেৰেল'ৰ

পদত অধিষ্ঠিত হৈছিল। ছাত্র অৱস্থাত আৰু চৰ্কাৰী অৰ্থ-বিভাগৰ বিষয় হৈ থাকোঁতেও তেওঁ কেতিয়াও নিয়মিত ভাবে বিজ্ঞান চৰ্চা কৰিবলৈ পাহৰা নাছিল আৰু বিজ্ঞান সম্পৰ্কে মৌলিক গৱেষণা কৰি সুধীমণ্ডলীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯১৪ সনত কলিকতাত বহা 'সদৌ ভাৰত বিজ্ঞান কংগ্ৰেছ'ৰ অধিবেশনত তেওঁ এটা মৌলিক গৱেষণামূলক প্ৰবন্ধ পাঠ কৰে। সেই প্ৰবন্ধতেই স্বনামধন্য আশুতোষ মুখোপাধ্যায়ে ৰমণৰ অন্তৰ্নিহিত প্ৰতিভাৰ পৰিচয় পায়। তাৰ ফলতেই ১৯১৮ সনত কলিকতা বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ 'ছাৰ তাৰকনাথ পালিত অধ্যাপকৰ পদত ৰমণক নিযুক্ত কৰা হয়। প্ৰথমতে তেওঁ চৰ্কাৰি চাকৰিৰপৰা ছবছৰৰ ছুটি লৈহে এই কামত সোমাইছিল কিন্তু শেহত বেচি টকাৰ চৰ্কাৰি কামো এৰি দি নিজৰ মন মিলা কাম পালিত অধ্যাপকৰ পদত স্থায়ী ভাবে থাকি বিজ্ঞান বাণীৰ ওচৰত সম্পূৰ্ণভাবে আত্মসমৰ্পণ কৰিলে। এজন অবঙালীক এই গৌৰৱৰ পদত প্ৰতিষ্ঠিত কৰাত বহুত বঙালীয়ে ছাৰ আশুতোষৰ ওপৰত পেটে পেটে অসন্তুষ্ট হৈছিল—অযোগ্যক ৰাজপাটত বহুওৱা বুলি। কিন্তু আজি ছাৰ আশুতোষৰ দৰে মোল বুজি প্ৰতিভাক যোগ্যস্থান দিব পৰা লোক ভাৰতত কেইজন? সেই দীঘল দৃষ্টিৰ সুফল আজি কেৱল বঙ্গদেশেই নহয়—গোটেই ভাৰতবৰ্ষই উপভোগ কৰিছে।

**উপাধি-বিজয়**—আচাৰ্য্য ৰমণ "ইণ্ডিয়ান্ জাৰ্ণেল্ অৱ্ ফিজিক্স্" পত্ৰিকাৰ প্ৰতিষ্ঠাতা আৰু সম্পাদক। তেওঁ কলিকতাৰ "ইণ্ডিয়ান্ এছোছিয়েশ্যন্ ফৰ্ এডভান্স্‌মেণ্ট্ অৱ্ ছাইন্স্" সভাৰ অবৈতনিক সম্পাদক। ১৯২৮ সনত তেওঁ 'ছাৰ্" উপাধি লাভ কৰে। ১৯২৯ সনত জাৰ্ম্মাণীৰ "ফ্ৰি বাৰ্গ্" বিশ্ববিদ্যালয়ৰ সম্মানসূচক "পি-এইচ্-ডি" আৰু ১৯৩০ সনত আমেৰিকাৰ গ্লাছ্‌গো বিশ্ববিদ্যালয়ৰ সম্মানসূচক "এল্-এল্-ডি' উপাধিৰে ৰমণক ভূষিত কৰা হয়। ১৯২৯ সনত তেওঁ ৰোমৰ "ইটালিয়ান্ ছোছাইটি অৱ্ ছাইন্স্" নামৰ বিজ্ঞান প্ৰতিষ্ঠানৰ "প্ৰেমিয় মেটউচি" পদক লাভ কৰাৰ পিছত য়ুৰোপৰ নানা দেশত পৰিভ্ৰমণ কৰি তেওঁৰ আবিষ্কাৰবোৰৰ সম্বন্ধে বক্তৃতা দি বিপুল যশস্যা লাভ কৰে। আমেৰিকা আৰু কানাডাৰপৰাও তেওঁ বিশেষ ভাবে সম্মানিত হয়। নোবেল প্ৰাইজ পোৱাৰ অলপদিনৰ আগতে তেওঁ ইংলণ্ডৰ "ৰয়েল্ ছোছাইটি"ৰ পৰা "হিউজ্" পদক লাভ কৰে। সম্ভৱতঃ ১৯২৭ সনত তেওঁ আবিষ্কাৰ কৰা 'ৰমণ এফেক্ট'ৰ পৰাই নোবেল্ প্ৰাইজেৰে পুৰস্কৃত হয়। এসময়ত ৰমণে কৈছিল-"I will collect degrees like postal stamps but I will remain forever plain C.V. Raman" অৰ্থাৎ মই ডাকঘৰৰ টিকটৰ নিচিনাকৈ উপাধি সংগ্ৰহ কৰিম কিন্তু চিৰকাল ছি-ভি ৰমণ উকা নাম লৈয়েই থাকিম। যথাৰ্থতে এই বাক্য আজি ভালদৰে কাৰ্য্যত পৰিণত হৈছে।

**ৰমণৰ দান**—প্ৰথমতে ৰমণে শব্দবিদ্যা (Acconstics) সম্বন্ধে—বিশেষকৈ সঙ্গীতৰ সুৰবোৰৰ সম্বন্ধে মৌলিক গৱেষণা কৰে। এতিয়াও তেওঁ সেই বিষয়ত সৰ্ব্বশ্ৰেষ্ঠ পণ্ডিত বুলি পৰিচিত। চকুতত্ব সম্বন্ধীয় গৱেষণাত—যাইকৈ পোহৰৰ ৰেখা পৰিব্যাপ্ত হোৱাৰ ফলত সাগৰৰ পানী নীলা হোৱাৰ কাৰণ আৰু আন আন নৈসৰ্গিক ঘটনাৰ কাৰণ আবিষ্কাৰ কৰাৰ নিমিত্তে পাশ্চাত্য বিজ্ঞান-জগতত ৰমণৰ নাম সকলোৰে জনাজাত হৈ পৰে। ১৯২৪ সনত তেওঁ ৰয়েল্ ছোছাইটিৰ সদস্য * নিৰ্ব্বাচিত হয়। সেই বছৰতে তেওঁ টৰোণ্টো নগৰত "বৃটিছ্ এছোছিয়েশ্যন'ৰ দ্বাৰা অধ্যাপক নিযুক্ত হয় আৰু পাছাডেনা নগৰৰ "কেলিফৰ্নিয়ান্ ইনষ্টিটিউট্ অৱ্ টেক্‌নোলজি'ৰ "ভিজিটিং প্ৰফেছৰ" বা পৰিদৰ্শক অধ্যাপক পদ পায়। ১৯২৫ সনত তেওঁ "ৰাছিয়ান্ একাডেমি অৱ্ ছাইন্স"ৰ দুশ বছৰীয়া উৎসৱত ভাৰতবৰ্ষৰ প্ৰতিনিধি হিচাপে যোগদান কৰে।

* আজিলৈকে চাৰিজন ভাৰতবাসীয়েহে এই ছোছাইটিৰ সদস্য হ'ব পাৰিছে। তেওঁলোক হৈছে ৰামানুজম্, জগদীশ বসু, ৰমণ আৰু মেঘনাদ সাহা। লিখক

**"ৰমণ-এফেক্ট্"**—১৯২৯ সনত লণ্ডনৰ "ফাৰাডে ছোছাইটি"ত তেওঁ তেওঁৰ নতুন আবিষ্কাৰৰ সম্বন্ধে যি বক্তৃতা দিয়ে তাৰপৰাই তেওঁ গোটেই পৃথিৱীৰ বিজ্ঞান-জগতত বিশেষভাবে প্ৰসিদ্ধি লাভ কৰে। এই আবিষ্কাৰেই জগৎ-প্ৰসিদ্ধ "ৰমণ-এফেক্ট"। তেওঁ প্ৰমাণ কৰি দেখাইছে যে বিভিন্ন দ্ৰব্যই যি পোহৰ পৰিব্যাপ্ত কৰে তাৰ মাজত আগেয়ে নজনা কিছুমান ৰেখা আছে। এই ৰেখাবোৰে প্ৰত্যেকটো দ্ৰব্যৰ অণু-সমাবেশৰ লগত এটা গণিতৰ অনুপাত ৰক্ষা কৰে। এই এফেক্ট সম্বন্ধে Encyclopoedia Britanicaত এইদৰে লিখিছে—"When a beam of monochromatic light passes through a transparent substance, a certain amount of light is scattered from the path of the original beam which is of greater wave-length than the incident light. This effect was discovered by Raman in 1928 and is known by his name.

**আত্মশ্লাঘি**—পদাৰ্থ-বিজ্ঞানত নোবেল-প্ৰাইজ লাভ কৰা ডবলিউ-ছি-ৰণ্টগেন্, ৰেলে, জে-জে-টমথন্, মাইকেল্ মাৰকনি আৰু আন আন জগৎবৰেণ্য বৈজ্ঞানিকৰ লগত আজি ভাৰতৰ সুপুত্ৰ চন্দ্ৰশেখৰ ৱেঙ্কট ৰমণেো একে শাৰীতেই সন্মানৰ আসন। সঁচাকৈয়ে ভাৰতবৰ্ষৰ ই বৰ গৌৰৱৰ কথা। চীন, জাপান, তুৰস্ক আদি এছিয়াৰ আন আন স্বাধীন দেশবোৰ এতিয়াও এই সন্মানৰপৰা বঞ্চিত হৈ আছে। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয়—পৰাধীনতাৰ মাজেদিও প্ৰতিভা বিকশিত হৈ উঠিব পাৰে, য়ুৰোপীয় শিক্ষা লাভ নকৰাকৈয়ো জগৎ-সভাত শ্ৰেষ্ঠ আসন লাভ কৰিব পাৰি। আজি সহস্ৰ বিষাদ-বিঘিনিৰ মাজেদিও মলিনা ভাৰতমাতৃৰ মুখত এবাৰ হাঁহিৰ ৰেখা বিৰিঙি উঠিছে—অমৰ পুত্ৰৰ সুকীৰ্ত্তি দেখি। সেই কাৰণেহে কবিয়ে গাইছে—

"কোনে কলে আই, তোক শকতিবিহীন বুলি
আই, তোৰ পুত্ৰ শকতিৱন্ত
আই মোৰ, আই অ' !"

ভগৱানে চন্দ্ৰশেখৰ ৱেঙ্কট ৰমণক দীৰ্ঘজীৱী কৰক।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

---



# ধূলি

( আলোচনা )

[ ধূলি। নাট, শ্ৰীকমলেশ্বৰ চলিহা। মূল্য।/০ অনা। বানপানী—সংস্কৰণ। ]

এখানমান কিতাপখন দেখি প্ৰথমতে আমি পঢ়িবলৈকে মন নকৰিছিলোঁ। কিন্তু এলুটি দি আকৌ দোহাৰিবৰ মন গ'ল। তৃতীয়বাৰ পঢ়ি অঁতাই বুজিলোঁ। এই অকণমান কিতাপখনে অসমীয়া সাহিত্যৰ চিন্তাধাৰাৰ গতিকে ওলোটাই দিছে। আজিলৈকে প্ৰকাশ হোৱা কোনো অসমীয়া গ্ৰন্থ ইমান গধুৰ যেন দেখা নাই। 'ধূলি'য়ে আজিৰ বস্তু জগতৰপৰা পাঠকক হেজাৰ হেজাৰ বছৰ আগৰ বৈদিক যুগলৈ টানি লৈ যায়।

'ধূলি'ৰ প্ৰধান উদ্দেশ্য মানৱ জীৱনৰ গোটাদেৰেক কঠিন ৰহস্যৰ দুৱাৰ মুকলি কৰা। অকপট ভাবে কবলৈ গ'লে শ্ৰীযুত চলিহাৰ ৰচনাত এটা বিশ্ব-প্ৰেমৰ আদৰ্শভাব স্পষ্টভাবেই ফুটি উঠিছে। আৰম্ভৰপৰা শেষলৈকে কবিয়ে তেওঁৰ সৃষ্ট চৰিত্ৰাৱলীৰ কথাৰ মাজেদি দেখুৱাব খুজিছে যে, আদৰ্শ আৰু বাস্তৱৰ মাজত যি বিৰোধ,

সেই বিৰোধ ভাৱৰ শেষ সিদ্ধান্ত হৈছে নিৰ্ব্বিকাৰ আত্ম-জ্ঞান। পঞ্চম পৃষ্ঠাত গ'ৰখীয়াই কৈছে—"এইদৰেই কোনেও কাৰো লগ নেপায়।".............এইখিনি কোৱাৰ উদ্দেশ্য মানুহৰ প্ৰকৃত সঙ্গী নিজৰ হিয়াতে থাকে। বিচাৰি ল'ব জানিলে সংসাৰৰ বিপদে মানুহক হেঁচি ৰাখিব নোৱাৰে। ইয়াৰ পাছত গ'ৰখীয়াই বিশ্ব সৌন্দৰ্য্যৰ কথা কওঁতে শৰত কালৰ যি এটি কবি-সুলভ বৰ্ণনা দিছে সি অতি বিতোপন। ধূলিয়ে সেইবোৰ ক'ত শিকিলা বুলি সোধাত সি কৈছে—"এই বিশ্ব-পঞ্চশালিৰ মই ছাত্ৰ।........" শিকিবৰ মন থাকিলে, সত্যানুসন্ধান কৰিব জানিলে নিত্য-বৰ্ত্তমান প্ৰকৃতিতে বিস্তৰ শিক্ষাৰ বিষয় আছে। মাত্ৰ তাৰ কাৰণে লাগে—সেই দিব্য ভাৱ।.........গৰু এজনীয়ে ধান খোৱাৰ কথা কওঁতে আকৌ গৰখীয়াটোৱে কৈছে—'খাওক ধান, চৰক সুখেৰে। পৃথিৱীত মোৰ গৰুৱে আনক ছলি নেখায়।" এই কথাবাৰৰ ভিতৰত যেন মানুহৰ শঠ, প্ৰৱঞ্চনাৰ প্ৰতি কবিৰ এটা অশ্ৰদ্ধা প্ৰকাশ হৈছে। সঁচাই, মানুহতকৈ পশু কিমান সৰল! সেই একেটা বচনতে আছে—"ধানৰ পাত মোৰ বাঙলীয়ে খাইছে, তাই মানুহক বুকুৰ তেজ দিব। মানুহে সেই কথা নুবুজে, নুবুজে ঐ।" মানুহ কিমান স্বাৰ্থপৰ।...........

কবিৰ ভাব অতি উচ্চ। উপনিষদ, বেদান্তৰ শাৰীত থিয় হৈহে তেখেতে বিশ্ব-সৌন্দৰ্য্য চাইছে। গতিকে বস্তু জগতত তেওঁৰ উদাহৰণ পোৱা অলপ টান। বাৰ পৃষ্ঠাত শৰতে সমীৰক কৈছে "আপোন মুক্তিৰ বাবে যুঁজ কৰি মৰোঁতা মানুহৰ তেজৰ" আলতাৰে ধূলিৰ ভৰি বোলাই দিয়া। এইটো যেন অদ্বৈতবাদীৰ ব্ৰহ্মজ্ঞান-লাভৰ ইঙ্গিত।...........

ইয়াৰ পাছতে প্ৰথম যৌৱনৰ উদণ্ড অৱস্থা লক্ষ্য কৰি শৰতৰ মুখেদি কবিয়ে কোৱাইছে—"এয়ে প্ৰথম সমীৰ! থামনি এই ঢৌত কঁপিব। ফটফটীয়া পানীৰ ওপৰতো বৰ মৃদু এই কঁপনি। এই কঁপনি অকস্মাতে আঘাত হব।.........কিন্তু ভৱিষ্যত বৰ নিকৰুণ।......" যৌৱনৰ উতলা তেজ চেঁচা পৰি আহিলে মানুহৰ যি দশা হয় তাৰে সঙ্কেত। (ক'ব নোৱাৰোঁ প্ৰেমিকসকলৰ ভয় লাগেনে নাই!)........কথাৰ চলতে মাজে মাজে একোটা বৰ্ত্তমান আন্দোলনৰ ছাঁ পেলাই কবিয়ে স্বদেশ-প্ৰীতিৰো পৰিচয় দিছে। (সূতা কটাৰ কথা—১৫ পৃষ্ঠা। যদিহে কিবা দাৰ্শনিক সূতা মাক কৰিব!) শ্ৰীযুত চলিহা দাৰ্শনিক। তেখেতে মানুহৰ যন্ত্ৰ-সঙ্গীততকৈ প্ৰকৃতিৰ আপোন সঙ্গীত বেচি ভাল বুলিছে আৰু বোলাও উচিত। ১৭ পৃষ্ঠাত গৰখীয়াৰ বচন-ফাঁকিত ভাব প্ৰকাশ হৈছে।........শেৱালিয়ে আত্মোৎসৰ্গ কৰি কিমান তৃপ্তি লাভ কৰিছে ১৮ পৃষ্ঠাত বচন ফাঁকিয়ে কৈছে—"পূজাত লাগিবলৈ মই বৰ ভাল পাওঁ।"........ইয়াৰ পাছত গৰখীয়াৰ গানটোৰ মাজেদি কবিৰ মনৰ নিষ্কাম সাধনাৰ গোন্ধ এটি আপোনাআপুনি ওলাই পৰে। সংসাৰৰ মাজত যেন তেওঁ ৰহস্যৰ এখন সাগৰ দেখা পাইছে। তথাপি তেওঁৰ সাহ আছে সেইবোৰ অতিক্ৰম কৰি যাব পাৰিব।...........

দ্বিতীয় দৰ্শনত সুমেৰু আৰু ধ্ৰুৱাৰ কথা বাৰ্ত্তা আৰম্ভ হৈছে। সুমেৰুৱে দৃশ্যমান জগত আৰু ধ্ৰুৱাই ব্ৰহ্মাণ্ডৰ আঁৰত লুকাই থকা মহামায়াৰ ভাব প্ৰকাশ কৰিছে। এইখিনিতে কিতাপ এখনৰ কথা লৈ উন্নতিৰ প্ৰসঙ্গ ওলাইছে। সুমেৰুৱে কৈছে যে, প্ৰকৃত উন্নতি কাক বোলে তেওঁ কব নোৱাৰে। শাস্ত্ৰ পঢ়িলেও উন্নতি হয় আকৌ দলিয়াই পেলালেও উন্নতি হয়। উত্তৰত ধ্ৰুৱাই কৈছে—"উন্নতি মানে মনৰ উন্নতি।" কথাৰ চলতে সুমেৰুৱে ভাল আৰু বেয়া কিতাপৰ এটি বেছ criticism দি গৈছে। কবিৰ মতে 'নোবেল প্ৰাইজ পোৱা লেখকে বেয়া কথা লিখিলে সেইবোৰৰ স্তুতি বাঢ়ে হয়, কিন্তু পৃথিৱীৰ আটাইতকৈ ডাঙৰ অমঙ্গল তাত ঘটে।' (কথাটো তেনেই সঁচা কিন্তু আজিৰ এই পদাৰ্থ জগতত আদৰ্শই কিমান কাম কৰিব পাৰে আমি কব নোৱাৰো!) সেই একেটা বচনতে সুমেৰুৱে ধ্ৰুৱাক কৈছে—"তুমি প্ৰথমে হাতত পোৱা কিতাপটোৱে সাৰোগত কৰি নলবা। ললে ভুল হব।" অৰ্থাৎ কবিয়ে কৈছে নিৰ্গুণ ব্ৰহ্মৰ উপাসক হবলৈ ভোগীয়ে



লিখা কিতাপত প্ৰকৃত আচাৰ নাই। বিশ্ব পুথিয়েইহে সেই পথৰ আচল সম্বল।—কিতাপ নপঢ়াকৈ থাকিব পাৰিলেই ভাল বুলি তেওঁ কৈছে। 'কিতাপে জ্ঞান নিদিয়ে, জ্ঞান লাভত সহায় কৰে। কিতাপে লক্ষ্য উলিয়াই নিদিয়ে, লক্ষ্য আঙুলিয়াই দিয়ে। কিতাপ নপঢ়িলেও **যথাৰ্থ জ্ঞান আৰু এই লক্ষ** লাভ হয়। বোধহয় ব্ৰহ্মজ্ঞান আৰু নিৰ্ব্বাণ মুক্তি!

ইয়াৰ অলপ পাছতে মালিনীয়ে কৈছে—"হাকিম হবলৈহে কিতাপ পঢ়িব লাগে, মলা গুঠিবলৈ নেলাগে।" আধুনিক শিক্ষাৰ এটা ভাল উদাহৰণ!

লাহে লাহে কবিয়ে আকৌ সুন্দৰৰ উপাসনাত যোগ দিছেহি। শৰত পূৰ্ণিমাৰ 'পুনঠ জোনৰ পোহৰ', লক্ষ্মী-পূজাৰ আৱতিত এটা বিজয় উৎসৱৰ কল্পনা কৰিছে। কল্পনা বিতোপন!........

ইয়াতো নিৰ্ব্বিকাৰ মণিৰ মুখৰ গানটোত 'সাগৰ আৰু পৃথিৱীৰ যুঁজ' দেখুৱাই কবিয়ে কৈছে, পৃথিৱীত স্বাৰ্থৰ লগত মানুহৰ যি সংঘাত তাত একো সুখ নাই। স্বাৰ্থৰ শঙ্খধ্বনিতকৈ তৰাবোৰৰ 'অযুত চকুৰ গীত' অতি মধুৰ (যদিও আমি কাণেৰে শুনো), পূতনা ৰাক্ষসীয়ে শ্ৰীকৃষ্ণক পাছে প'ছে খেদি ফুৰাদি স্বাৰ্থ ৰাক্ষসীয়েও মানুহক খেদি ফুৰিছে। (তাৰ হাত সাৰিবৰ উপায়?) ধ্ৰুৱাই মণিক কৈছে—"তোমাৰ যন্ত্ৰটো বাজে, মোৰ যন্ত্ৰ নেবাজে।...সি দেখে নিৰ্ব্বিকাৰ আকাশ।......" বিশ্ব-লীলাৰ নিগূঢ় তত্ত্ব!.. ...

উদাহৰণ দি অন্ত কৰিব নোৱাৰি। স্বাৰ্থ আৰু নিঃস্বাৰ্থৰ তুমুল যুদ্ধ! মায়া-মুগ্ধ মানুহৰ চকুত দিব্য দৃষ্টি পাবৰ উপায় নাই যদিহে তেওঁ আত্মজ্ঞানী নহয়। বিয়া কৰাই 'লোৰৰ জিঞ্জিৰীত' মানুহ বান্ধ খায় কাৰণ সিহঁতে বিশ্ব-বীণাৰ সুৰটো ধৰিব পৰা নাই দেখি! কবিয়ে কৈছে, মানুহক দুদিনীয়া লগ কেলেই? বিচাৰিলে হৃদয়তে চিৰকলীয়া লগ পোৱা হয়। আদৰ্শবিহীন সাহিত্য বা কোনো কলাৰ একো মূল্য নাই কাৰণ তাত 'ব্ৰহ্মাণ্ডপতিৰ' ছবি নেথাকে। ৫১ পৃষ্ঠাৰ সমীৰে কোৱা কথাখিনিয়ে নিষ্কাম কৰ্ম্মীৰ মুক্তি বৰ্ণনা কৰি কৈছে—"বাটকৰাৰ তেজ-অনুলিপ্ত ধূলি জগতৰ জয়স্তম্ভ।" তথাপি এই পাৰ্থিৱ জগততো এটা মোহ আছে আৰু কবিয়ে সুমেৰুৰ মুখেদি কোৱাইছে—"এই জীৱন যে বৰ সোৱাদ।......" ৰবীন্দ্ৰ নাথেও কৈছে—"মৰিতে চাহি না এই সুন্দৰ ভুবনে।"........................

আন এঠাইত—

মুক্তি আৰু ধূলিৰ সম্বন্ধ দেখুৱাই কৈছে—"নীল আকাশ মুকুতিৰ স্বৰূপ, ধূলি বেদনাৰ স্বৰূপ।........ বেদনাৰ ধূলিত আনন্দৰ তেজ মিহলাৰা। ইয়াৰ আৰু ওৰ নাই। অপৰিপূৰ্ণ জীৱনে মুকুতিৰ মন্দিৰ নেদেখে। দুৱাৰ দেখিব, তাৰ কপাট মেল নেখায়, কিন্তু ধূলিত জীৱনৰ দুখ পূৰ্ণ হৈ দেখা দিব। তেতিয়া ধূলিৰ সমাধিত তেজৰ অৰ্ঘ্য দিবা।"........পৃথিৱীত কিমানবোৰ নিষ্ঠুৰ কাম ঘটিছে তাক বাধা দিব নোৱাৰি, কাৰণ মানুহৰ সুখৰ যতে অন্ত সেইখিনিতে নিষ্ঠুৰতাৰ আৰম্ভ! আৰু ই লীলা!........ইয়াৰ পাছত কবিয়ে এইবাৰ মানুহকে সৰ্ব্বশ্ৰেষ্ঠ বুলিছে। কৈছে, 'মানুহ অমৰ নহলেও মহাকালক জয় কৰে' কাৰণ Man is God in spirit. মানুহে ধনৰ পোহৰত শান্তি দেখে তেতিয়াহে যেতিয়া প্ৰকাশৰ জ্যোতি বিচাৰি নেপাই বেদনাতুৰ হয়। কিন্তু তাতো আচল সুখ নাই, যি 'চিৰ দুখ কষ্টৰ মাজতো আনন্দময় জীৱনেশ্বৰক দেখে' তেওঁহে আচল সুখী। অৰ্থাৎ সৎ, চিত আৰু আনন্দৰ উপলব্ধিয়েইহে সুখ।......

'ধূলিৰ' উদ্দেশ্য সফল হৈছে। কবিয়ে পাতনিত কোৱামতে 'ধূলিত' মুকুতিৰ আশা সঁচাকৈয়ে দেখা পোৱা হয় কিন্তু দুভাৰ্গা প্ৰিয়াৰ ধুনীয়া মুখখনেই হ'ল মহাকাল। মটৰ গাৰীৰ দুমদুমনিয়েও শান্তি নিদিয়া হ'ল।........

শ্ৰীমা—

# মিছা কথা *

ভাল পাইছিলোঁ সঁচা, এদিনা তোমাক,
- সিযে আজি অতীতৰ কথা ;
অতীত অতীত হল, লেবেলি সবিল,
সোৰো যত হৃদয়ৰ ব্যথা।
নাই মোৰ ভালপোৱা আজি তোমালৈ
চাবলৈকো হাবিয়াস নাই,
একোবাৰ দেখা পালে লুকা ভুমুকাত
তাতে হিয়া ডুব পৰি যায়।
নেপাওঁ তোমাক ভাল, অকণিকে আজি
কই থলোঁ, ঠগ খাবা পাছে,
শুনিলে পাইছা বুলি দুখ কৰবাত
পৰাণত বৰ ব্যথা বাজে।
গলে বা আহিলে তুমি, মোৰ হানি নাই
—তুমি মোৰ একোকে নোহোৱা ;
লগ থাকিলেও মাথোঁ, তুমি গলে গই,
লাগে বৰ অকল-শৰীয়া।
সেই স্নেহ, সেই প্ৰীতি নাই তোমালৈ,
নাই স্পৃহা তোমাৰ কথাত,
কলে হলে কোনোবাই শুনোঁ একেবাহে
মই কিন্তু নিৰৱ নিমাত।
নেভাবোঁ তোমাৰ কথা একেৰিকে আজি
পাহৰিলো তোমাক সমূলি,
তোমাৰ মুখনি মাথোঁ দেখিলে আনক
—তাহি উঠে মেঘত বিজুলী।
সচাঁকৈয়ে ভাল আজি নেলাগে তোমাক
কালি-কথা পুৰণি কলীয়া ;
নিজম-নিশাত হলে আহে এতিয়াও
অতৃপ্তিৰ এটি হুমুনিয়া।
ইচ্ছা কৰি আজি-কালি নেচাওঁ তোমাক
—কলে কৰে লোকে অবিশ্বাস,
দেখিলে তোমাক হেনো চাওঁ হেঁপাহেৰে
আৰু হেনো উঠে দীৰ্ঘশ্বাস !
জানো মই ভাল আজি নেপাওঁ তোমাক ;
লোকে কিয় ভাবে বিপৰীতে ?
মাটিৰ প্ৰতিমা মোৰ দিলো বিসৰ্জ্জন
শৰতৰ কোন দশমীতে !

শ্ৰীথানেশ্বৰ হাজৰিকা

* ইংৰাজীৰ ছা লৈ।



# বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি

সিদিনা তিনটা বুৰ্বুৰণিৰ কথা কবলৈ গৈ তিনি সংখ্যাতে উছুটি খাই পৰি ৰলোঁ। সিকালে ত্ৰিমূৰ্ত্তি বুৰ্বুৰণি পলাযুৰ্দ্ধং। আইন-আদালতৰ ভাষাৰে কবলৈ গলে "আছামী ফেৰাৰ।" তাৰ এটাৰ উৱাদিহ পাই আজি তাক ধৰি আনিছোঁ। এই ধৰাক "গিৰিপ দাৰ বুলিলেই হয়। কাৰণ সি আপোন ইচ্ছাতে আহিবই খুখুজিছিল। সি বিলাতত ওলাইছিল গৈ। "কেনেকৈ তই বিলাত পালি গৈ" বুলি তাক সোধাত, সি কলে এৰোপ্লেনেৰে অৰ্থাৎ আকাশী-বিমানেৰে। যাবৰ কেনেকৈ তই ক'ত পালি বুলি সোধাত, সি উত্তৰ দিলে "খিদমদগাৰৰ কাম কৰি।" অৰ্থাৎ বিমান-যাত্ৰীৰ খানাখোৱা মেজৰ কাম কৰিবলৈ লগুৱা হৈ।

চোৰাংচোৱাৰ সহায় লৈ এই পলৰীয়াটোক বিলাতত "গিৰিপ দাৰ" কৰি অনা হল।

"তই কিয় গৈছিলি ?"

"বিলাতত বহা ঘূৰণীয়া মেজৰ মেলখন চাবলৈ গৈছিলোঁ।"

"তাত কি দেখিলি ?"

এই প্ৰশ্নৰ উত্তৰত সি ঘূৰণীয়া মেজৰ মেলৰ কথা এৰি বিলাতৰ বৰ্ণনা দিবলৈ ওলাল। তাক কোনোপধ্যে বখাবই নোৱাৰোঁ। প্ৰথমতে সি কলে, "বিলাতৰ মানুহবোৰ বগা।" মই কলোঁ, "এইটো ন খবৰ।" তাৰ পিছত সি কলে, "সিহঁতে খায়, শোৱে, আৰু আমাৰ নিচিনাকৈ দন্দ-হাই কৰে।" মই কলোঁ, "এইটোও নতুন খবৰ।"

"মতাবোৰে ঠেঙা পিন্ধে তিৰুতাবোৰে মেখেলা পিন্ধে,—কিন্তু মেখেলাখন আঁঠুলৈকে অথবা আঁঠুৰ ওচৰৰ প্ৰদেশলৈকে উজুৱা। আৰু সিহঁতে আমাৰ কামাখ্যা চাবলৈ আহিলে, কামাখ্যাপৰ্ব্বতৰ মেখেলা-উজুৱা বাটেদি নিৰাপদে অহা যোৱা কৰিব পাৰিব।"

মই কলোঁ, "এইটোও নতুন খবৰ। কিন্তু এনেবোৰ খবৰৰ কথা আৰু কৈ থাকিলে তোৰ মুখখনত সোপা দি পিঠিত সোকা মেলিম। আন কিবা কবলৈ আছে যদি ক, বাজে কথা বলকি নাথাকিবি।"

'বিলাতীয়ে এধা-সিজা মঙহ বৰকৈ খায় ; পাওৰুটি চকলচেৰেক খায়, আৰু সিকোৱা শাক পাচলি খায়।"

মই কলোঁ, "ভাল কৰে। আমাৰ দেশত মাছ-মঙহ ৰান্ধোতে হালধি, জালুক, জিৰা, ধনীয়া, তেজপাত, এদা, মৰিচ আদি ছয়ত্ৰিশ জাতৰ "গৰম মছলাৰ" খেলিমেলিত মাছ মঙহৰ যেনেকৈ কণকঠীয়া মৰা কয়, মাছ মঙহৰ জাত আমাৰ দেশত থাকে বুলি বুকু ডাঠকৈ কবই নোৱাৰি। আছে নে নাই জানিব খুজিলে চাৰিসত্ৰীয়া সকলকে প্ৰমুখ্য কৰি গোঁসাইসকলক আৰু স্মৃতিৰত্ন বিদ্যাবাগীশসকলক প্ৰশ্ন কৰিহে সেই সমস্যাৰ প্ৰকৃত ব্যৱস্থা আনিব পৰা যাব। তাৰ আগেয়ে আমাৰ আয়ুৰ্ব্বেদ-শাস্ত্ৰৰ সহায় নিশ্চয় পোৱা যাব ; কাৰণ, ভজা, পোৰা খৰিকাত দিয়া আৰু যাইকে মছলাৰ বলত মাছ মঙহৰ প্ৰত্যেকটোৱে একোটা কালাপাহাড় বা পোৰাসুঠান হৈ আমাৰ পেটৰ জীৰ্ণ মন্দিৰবোৰ ভাঙি-ছিঙি তাত অজা-ৰ্ণৰ দৰবাৰ বহুৱাব লাগিছে।

"বিলাতৰ মানুহৰ এশ জনৰ ভিতৰত ৭৫ জনৰ দাঁত বেয়া ; আৰু সেইদেখি তেওঁলোকে দাঁত বন্ধাই লব লগীয়াত পৰে ; আৰু সেই বন্ধোৱা দাঁতেৰেই এধা-সিজা মঙহ তেওঁলোকে চোবায়। তাৰ "পুলিচ মেন" অৰ্থাৎ কোটোৱালবোৰ বৰ ধোদোঙা ; আমাৰ দেশৰ ফৰিং কনিষ্টবল যেন নহয়। তাৰ ওপৰি সিহঁত বৰ ভদ্ৰ। বাটত ফুৰা মানুহক সিহঁতে বৰ সহায় কৰে। তাত মই ভাৱনা চাবলৈকো গৈছিলোঁ। নাচো দেখিলোঁ। নট আৰু নটীবোৰে বেছ নাচিব জানে ; কিন্তু নটী-বোৰৰ পিন্ধা কাপোৰ-কানিৰ বিপৰ্য্যয় বৰকৈ মোৰ চকুত

পৰিল। সিহঁতৰ কাপোৰ পিন্ধাৰ গঢ় দেখিলে আমাৰ গাঁৱৰ আলতীবাইহঁতে কিজানি সিহঁতক নাঙঠাকে বুলিব।”

মই কলোঁ, “চুপ! তই স্বৰ্গলৈ গৈছিলি নে?” সি কলে, “নাইযোৱা।” মই কলোঁ, “মই গৈছিলোঁ। তাত দেখি আহিছোঁ উৰ্ব্বশী মেনকাৰ কাপোৰো প্ৰায় তথৈবচ। এতেকে স্বৰ্গৰ বিদ্যাধৰীসকলৰ এনেকুৱাই কাণ্ডকাৰখানা; তাত মায়া দেখিব নাপায়; আৰু আমি নৰ-মনিচৰ কথা তাত নচলে। আৰু কি দেখিলি ক? আন কথা মোক নালাগে। ঘূৰণীয়া মেজৰ কি দেখিলি ক?”

সি কলে,—“ৰাউণ্ডটেবোল মানে যদি ঘূৰণীয়া মেজ হয়, সেইখন মই নেদেখিলো। মেলুৱাইসকলে বেঢ়ি বহা মেজখন যোৱাৰ টাবটো যেনহে। বোধকৰো সি ঘূৰণীয়া হবলৈ যাওঁতেই বৰ জাৰত ঠেৰেঙা লাগি গোট মাৰিলে। যি হওক; তাৰে কাষে কাষে বহি শাস্ত্ৰী, ছাপ্ৰু, জয়াকৰ, জিনা, মুঞ্জে প্ৰভৃতি মেলুৱাইসকলে মেল মাৰিব লাগিছে। আমাৰ দেশৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাকো তাতে দেখিলো। বেচেৰাৰ গা ভাল নহয় হবলা, জাৰতে কেকাঁই আছে। মেলুৱাইসকলৰ ছৰ্দ্দাৰ হৈছে কোনোবা সত্ৰৰ অধিকাৰ গোসাঁই এজন,—নাম আগাখাঁ। ভাৰতৰ পশ্চিম ফালে হেনো তেওঁৰ সত্ৰ আৰু শিচ আছে, আৰু দক্ষিণ আফ্ৰিকাতো। আৰু শুনিলো গোসাঁইজনক শিচবোৰে সাক্ষাত ঈশ্বৰৰ অৱতাৰ ভাবি মান কৰে। আন কি, শুনিছোঁ হেনো, অৱশ্যে সঁচা-মিছা কব নোৱাৰো, তেওঁৰ গা ধোৱা পানীকো, আমাৰ গঙ্গাজলৰ দৰে চিচাত ভৰাই থৈ সেৱকসকলৰ মাজত বিলোৱা হয়; আৰু সেৱকসকলে সেই জল পৱিত্ৰ বস্তু বুলি কিনিও আনে। তেওঁৰ বৰণটো যদিও দেখিবলৈ য়ুৰোপীয়ৰ দৰে বগা নহয়, কিন্তু সাজে-পাৰে কথায়-বাৰ্ত্তায় তেওঁ চাহাবৰো আও চাহাব। আন কি তেওঁৰ বদন-কমল বিলাতী মানুহবহে বৰ চিনাকি যদিও ভাৰতীয়ৰ পক্ষে তেনে নহয়। তেওঁ ঘোঁৰদৌৰ খেলৰ ওস্তা। আৰু হেনো বিলাতী মেম বিয়া কৰি সেই জনাক গোঁসানী পাতি লৈছে। সেই গোসাঁয়নীৰ গা ধোৱা জল নাইবা পাদোদক নৈষ্ঠিক শিষ্যসকলে পান কৰে নে নকৰে অৱশ্যে নাজানো। এনেজন গোসাঁই ছাহাব ভাৰতীয় মেলুৱাইৰ মূৰ হৈ সেই মেলত বহিছে।”

মই কলোঁ, “বেছ কৰিছে। গোসাঁই ঈশ্বৰ-প্ৰভু-সকলৰ কথাই সুকীয়া। তেওঁলোক স্বৰ্গতো যেনে গোসাঁই, মৰ্ত্ত্যতো তেনে। প্ৰভু জগন্নাথসকল ইচ্ছাময়। তেওঁলোকৰ ইচ্ছাতে জগৎখন চলিছে, মেলুৱাই কেইজনা কা কথা।” তাৰ পিছত আৰু কি আছে ক, বুলি তাক সোধাত সি কলে, “তাৰ পিছৰ ডাঙৰৰ কথা কেনেকৈ কম। আপুনি মোক দেখোন গিৰিপৰাৰ কৰি আনিলেই। তথাপি এটা কথা মোৰ মনত খেলাইছে, কওঁ। সেই বিলাত-প্ৰবাসী ভাৰতীয় মেলুৱাইসকলে যিহকে কথন মথন কৰক, তেওঁলোকৰ কথা ভাৰতৰ সৰ্ব্ব-সাধাৰণে শুনিব বুলি মোৰ মনে নধৰে। তেওঁলোকক ভাৰতৰ সৰ্ব্বসাধাৰণে নিজৰ প্ৰতিনিধি পাতি পঠিৱা নাই। ভাৰতৰ প্ৰতিনিধিসকল বৰ ফাটকৰ ভিতৰত; আৰু সেইসকলৰ এজনো এই মেলত নাই। এতেকে বিলাতৰ মেলত মেলুৱাইসকলে গেৰা-বোৱাবোৰ খোলাকুটিৰ তাল হব। আৰু বিলাতীসকলে মুখৰ মহলা যিমানকে মাৰক, কাৰ্য্যত তেওঁলোকৰ জমিদাৰীৰ বস্তি, ফৰিঙতি আৰু কপিত মাটিৰ সূচ্যগ্ৰ পৰিমিতো সহজে ভাৰতক এৰি নিদিয়ে। যদি কিবা দিয়েও, তাক সোঁহাতে দি বাওঁহাতে কাঢ়ি নিব।”

মই কলোঁ, “তই বৰকৈ কেপ্ কেপাইছ। বিলাতৰ ৰাউণ্ডটেবোলৰ মেলত মুখৰ মহলা মাৰি থকাবোৰৰ দেখি তয়ো মুখৰ মহলা মাৰিবলৈ শিকি আহিছ,—আৰু এই অতি অলপ কালৰ ভিতৰতে। টেমছ নৈৰ পানী আমাৰ গঙ্গা ব্ৰহ্মপুত্ৰৰ পানীতকৈও ডাইল দেখিছোঁ। বাৰু যা আজিলৈ, শুই থাকগৈ। মোৰো হামি আহিছে, ময়ো বাগৰ এটা মাৰোগৈ।

কৃপাবৰ

---

# আঁৰ পৰ্ব্বত

লোহিত মোহিত বেলি মাৰ যায় যায় লুইতৰ বিশাল গৰ্ভত
সোণৰ ডিঙৰাখনি নাচি নাচি যায় অভাগাক সাৱটি বুকুত।
থউকি বাথউ নাচে সোণোৱালি ঢউ তটিনীৰ করুণ সুৰত;
দিগ্ বালা সৱে সানে ৰঙ্ বেৰঙৰ সেন্দুৰীয়া ৰঙ্ অংবত।
হেলাৰঙে উটি-ভাহি অনন্ত সুঁতিত প্ৰকৃতিৰ লীলাখেলা চাই
নামিলোঁ এখনি গ'ই সৈকতভূমিত নাওখনি পাৰত চপাই।
লাহে লাহে ৰঙা বেলি বাওলী মুখেৰে পছিমত মেলানি মাগিলে,
সুখৰ সপোন মোৰ কিহবাই যেন খুন্দিয়াই সমূলি ভাঙিলে।
বহল বিশাল পাৰ শুকুলা বালিৰ কুমলীয়া ইৰিণা ৰিৰিণা,
উলুবনি, কাঁহীবন, নল, খাগ গজি বাই আছে সকৰুণ বীণা!
থন্তেক থমকি ৰ'ই হমুনিয়া কাঢ়ি চকুপানী নীৰলে টুকিলে
বিষাদ বিননি সুৰ বই মলয়াই ভগা মন মোৰ আকৰ্ষিলে।
খেলিলে এনেতে এটি ভাব অন্তৰত,—“শুনোঁ বাৰু য'তে ত'তে কিয়
নলৰ পেঁপাৰ মাত অতি সকৰুণ?”—যদিওবা মোৰ অতি প্ৰিয়!
মনৰ আবেগ হায়! দমাব নোৱাৰি, নল আনি পেঁপা এটি সাজি
ফু দিলোঁ; বেদনাত উঠিল পুনৰ সকৰুণ সুৰটিয়ে বাজি!!
সুধিলোঁ মনতে,—“হে'ৰ পেঁপা মৰমৰ! কিয়নো বিনাৱ বাৰু তই?
কি দুখ মনত তোৰ? বুকুৰ মাজত ৰাখিছোঁ যে আলফুল ক'ই!”
—‘আই-বোপা, ভাই-ভনী, লগ-সমনীয়া এৰি আহি অকলই হায়!
বিৰহৰ বেদনাত সংসাৰ-বনত কান্দি ফুৰো ইনাই-বিনাই!”
সমাধি-সঙ্গীত জুৰি বিহগ-বিহগী লীন হ'ল নীল অনন্তত,
করুণ সুৰৰ এটি ক্ষীণতম্ স্মৃতি বাজি ৰ'ল ভগা অন্তৰত।
উলটিল গৰখীয়া দিনৰ শেষত আনন্দত বন বেণু বাই
বন-গীত এটি জুৰি গাই সমস্বৰে সন্ধিয়াৰ ৰেহ-ৰূপ চাই।
নীৰলত বহি বহি ব্যথিত পৰাণে সুঁৱৰি সুঁৱৰি অতীতৰ
সপোনৰ প্ৰায় স্মৃতি পিলোঁ হিয়া ভৰি দিঠকত চকুৰ আঁতৰ।
সমুখত বিৰাজিছে আঁৰ পৰবত,—বেদনাত বিয়াকুল হলোঁ,
নিশ্বাসত হমুনিয়া পৰিল বাগৰি টপ্ টপ্ দুধাৰি চকু-লো।
নিমিষতে বেদনাৰ হ'ল উপশম, চালোঁ যেৱে তুলি চকুযুৰি
দৃষ্টিৰ সীমাত মোৰ প্ৰকৃতি বুকুত বাগৰিছে চকু-লো নিজৰি।

আছিল নীৰৱে যিবা অতীতৰ স্মৃতি বিস্মৃতিৰ অতল গৰ্ভত
আন্ধাৰ কুৰ্ঁৱলি ফালি লাহে লাহে ক'ই জিলিকিল স্মৰণ-পটত।
ইয়াতে এদিন হায়! এই বালিতেই অভাগিনী জননীক মই
আপোন হাতেৰে তুলি দিছিলোঁ চিতাত—গগণ পৰশা চিতাজুই!
দাউ দাউ কৰে জলি মানবী কায়াটি লীন হ'ল বিশাল ধৰাত,
প্ৰকৃতিয়ে নিচুকায় শীত-বসন্তত;—তাহি যায় ভৱ বাৰিষাত।
এয়ে পুণ্য-তীৰ্থ মোৰ সমাধি মাতৃৰ, ইয়ে মোৰ স্বৰগ ধৰাৰ,
ইয়াতেই দুখুনীয়ে অনন্ত শয্যাত শুই আছে মনে আপোনাৰ।'
নিদিবা আঘাত সানি দুটি চৰণৰ, চেনেহৰ গৰখীয়া হেৰা!
কৰিছোঁ কাৰউ ভাই, যুৰি দুটি হাত নাভাঙিবা পৰ্ব্বতৰ বেৰা।
যদিও দুখুনী হায়! নিচেই আজলী, দুখীয়াৰ ঘৰৰ মাইহঁৰী,
—তথাপিতো তেওঁ মোৰ চেনেহৰ আই,—স্বৰগতকৈয়ো গৰীয়সী!
হ'ব পাৰে অশিক্ষিতা জনম দুখুনী, নকৰিবা ভাই উপহাস!
—বনতে মৰহি যায় কত বন-ফুল,— কোনে তাৰ ক'ব ইতিহাস?
এযাৰি সাদৰী মাত, এটি হুমুনিয়া, বিষাদৰ চকু-লো এটুপি,
সুকোমল হিয়াখনি সবাৰো কাৰণে,—অভাগীৰ শ্ৰেষ্ঠদান সিটি।
নীৰৱে মুখটি থ'ই "আই'ৰ কোলাত শুই আছে অভাগিনী সউ
দোষাদোষ গুণাগুণ নিবিচাৰা ভাই, কৰযোৰে কৰিছোঁ কাৰউ।
কত যুগ-যুগান্তৰ পাৰ হৈ গ'ল, কত শত নশ্বৰ জীৱন
লয় পালে ধৰণীত; আঁৰ পৰৱত! আছা তুমি পুলকিত মন!
থাকা দেৱ, থাকা তুমি জননীক চাই এই দৰে চিৰকাললই
খেলি মেলি ভাব তুলি শতেক হাজাৰ ভাবুকৰ প্ৰাণ নচুৱাই।
—স্মৃতি সৌধ! তুমি মোৰ চিৰ প্ৰিয়তম—প্ৰণমিছোঁ শতকোটি বাৰ
তুমিয়েই একমাত্ৰ পথৰ সম্বল,—যদিন্যাতো কৰোঁ হাহাকাৰ। •

শ্ৰীবদনচন্দ্ৰ শৰ্ম্মা

---

• একতা সভাৰ এবানি সাধাৰণ অধিবেশনত পঠিত—লিখক।

# সতীৰ আত্ম-নিৰ্ভৰতা

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥"

সেই মঙ্গলময় সৰ্ব্বব্যাপী বিশ্বনিয়ন্তাৰ চৰণত নমস্কাৰ কৰি মই আজি জনাই নজনাই কেআষাৰমান কথা পূজনীয়া আইসকলক আৰু মৰমৰ বাই-ভনীসকলৰ আগত কবলৈ আগ বাঢ়িলোঁ।

আজি আসামৰ প্ৰায় সকলো ঠাইতে "সতী জয়মতীৰ মহাপ্ৰয়াণৰ তিথি" সভা-সমিতি পাতি মহাসমাৰোহেৰে উৎসৱ পালন কৰা হৈছে। আমিও সেই উদ্দেশ্যেই দেৱীৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি যাচিবলৈ সকলোটি একে ঠাইতে গোটখাইছোঁহক। কিন্তু সকলোৱে এবাৰ ভাবি চোৱা উচিত যে এইদৰে বছৰেকৰ মূৰত এদিন দুই-চাৰিখন ৰচনা পাঠ কৰি নানা আড়ম্বৰেৰে তিথি-পালন কৰাতকৈ ঘৰে ঘৰে নিজক আৰু জীয়াৰী-বোৱাৰী আদিক সতীৰ আচল আৰ্হিৰে গঢ়ি তুলিবলৈ চেষ্টা কৰিব পাৰিলেহে যথাৰ্থতে সতীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হব; আৰু আমিও সতীৰ পবিত্ৰ আশীৰ্ব্বাদৰ পাত্ৰী হমহঁক। সতী জয়মতীৰ কাহিনীৰ কথা আসামত নজনা বা শুনা প্ৰাণী, শিক্ষিত সমাজৰ কথাকে নকওঁ, একেবাৰে নিৰক্ষৰ হোৱা গাঁৱলীয়া সমাজতো, বোধকৰো বিৰল। সাহিত্য-ক্ষেত্ৰতো সতীৰ পবিত্ৰ কাহিনী অনেকে অনেকভাৱে বৰ্ণাইছে। তাতে আকৌ নতুনকৈ মোৰ নিচিনা অনভিজ্ঞা সাধাৰণ তিৰোতা এজনীয়ে কবলৈ যোৱাটো বাস্তৱিকে ধৃষ্টতা মাথোন। নতুন কিবা শুনিব খুজিছে যদি আপোনালোক হতাশহে হব, আৰু পুৰণি কথাকে কওঁতেও যদি কৰবাত দায় দোষ হয় অপৈণত হাতৰ লিখা বুলি ক্ষমা কৰিব।

মোৰ ক্ষুদ্ৰ বুদ্ধিৰে ইয়াকে কব খোজো যে, আন্তৰিক প্ৰেৰণা জগাই তুলিব নোৱাৰিলে কেৱল বাহ্যিকতাৰ বশীভূত হৈ ষোড়শোপচাৰে প্ৰাণহীন প্ৰথাৰে অৰ্ঘ্য-অৰিহণা যাচিলেই সতীৰ মৰ্য্যাদা ৰক্ষা কৰিব নোৱাৰি। বাহ্যিকতাৰ মূল্য সাধাৰণৰ ওচৰতহে, মহৎ-লোকক বাহ্যিকতাৰে বশীভূত কৰিব পৰা হলে ভগৱান শ্ৰীকৃষ্ণই দুৰ্য্যোধনৰ ৰাজভোগ এৰি ভিক্ষুক বিদুৰৰ ঘৰত আলহি নহলহেঁতেন। আন্তৰিক শ্ৰদ্ধাৰ খুদকণ, ধুপ-ধুনাৰ আড়ম্বৰ শূন্য পূজাৰ শৰাই আগ বঢ়াব পাৰিলেহে সতীৰ অচল অটল সিংহাসনও স্থিৰতা হেকৰাব। আৰু আমিও সতীৰ মহান হৃদয়ৰ পবিত্ৰ আশীৰ্ব্বাদৰ মহাশক্তিৰে আমাক শক্তিমতী কৰি কৰ্ত্তব্যৰ বাট বিচাৰি লৈ নিজক গঢ়ি তুলিবৰ শক্তি নিশ্চয় পাম। প্ৰাণত মনো বাক্যৰ প্ৰেৰণা জগাই তুলিব নোৱাৰিলে বাহ্যিকতাৰে কেতিয়াও নিজত্ব ৰক্ষা কৰিব নোৱাৰি।

"জুইৰ ফিৰিঙতিৰ দৰে
একেবাৰে খৰেকীয়া"

সতীৰ গৌৰৱত নিজকে গৌৰৱান্বিত বুলি ভাবি, 'এবাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা"ৰ দৰে দেখাক দেখি আমিও নানা সাজ-পাৰেৰে দেখনিয়াৰ হৈ, দুই-চাৰিখন ৰচনা বা প্ৰবন্ধ লিখাতে কৰ্ত্তব্যৰ শেষ বুলি ভাবি উদ্দেশ্যহীন-তিথি উৎসৱতে সমাধান কৰো। এইদৰে প্ৰাণ প্ৰতিষ্ঠাৰ পূজা ভাগি বাদ দি, মহা পূজাত ধৰিলে আমি কোনো সঙ্গ উদ্দেশ্যকে সম্পাদন কৰিব নোৱাৰো। আনকি যদি কোনোবাই আমাক "সতী জয়াৰ গুণ-গৰিমাৰ বিশেষত্ব কি' বুলি প্ৰশ্ন কৰে বোধকৰো আমি উত্তৰ দিবলৈ অপাৰগ হম।

নিজৰ সকলো স্বাৰ্থ ত্যাগ কৰাটো উচিত বিবেচনা কৰি যি জয়াই দেশৰ কাৰণে বুদ্ধি পৰামৰ্শ দি স্বামীক নিৰাপদ কৰিছিল, সেই মহীয়সীৰ উপযোগী উত্তৰৰ সন্তুলি আমাৰ হাতত থকাহলে বোধকৰো আমি আমাৰ মহৎ উদ্দেশ্যৰ সীমা উৎসৱতে নথৈ কণাপৰিমাণে কিছুদূৰ কাৰ্য্যতো খটাব পাৰিলোহেঁতেন। কিন্তু আমি কি হৈছোঁ, কিমান দূৰ আগুৱাব পাৰিছোঁ, ভাবিলে দুঃখ লগা অৱস্থা! শুনিবলৈ কাণত আপচু লাগিলেও অস্বীকাৰ কৰিবৰ

উপায় নাই। নহলে বৰ্ত্তমান এই জগত-জোৰা জাগৰণৰ দিনত নানা সমস্যাৰ খলকনিৰ ঢৌৰ দায়িত্ব বুজিবলৈ আওকণীয়া হৈ, এচুকীয়াভাবে দুই একৰ ওপৰতে নিৰ্ভৰ কৰি আমি কেতিয়াও থাকিব নোৱাৰিলোহেঁতেন।

অৱশ্যে আন্তৰিক পিয়াহৰ উদগনি থকা হলে আংশিক ভাৱে উপযোগী উপাদানেৰে অৱস্থা অনুযায়ী কৰ্ত্তব্যৰ সীমা বুজি দায়িত্বৰ ভাৰ লবলৈ কিছু দূৰ আগবাঢ়িব পৰা গলহেঁতেন। পিছে কলে কি হব? বৰ্ত্তমান আমি কোনো বিষয়তে সম্পূৰ্ণভাৱে প্ৰতিযোগিতা আদিত আমাৰ দৈতি-কাষৰীয়া বাই-ভনীসকলৰ লগতেই যোগ দিবলৈ অপাৰগ। কিন্তু আটাইতকৈ লাজৰ কথা হব, আমাৰ সাতপুৰুষীয়া সাধনাৰ বস্তু কপাহ সূতাৰ কামতো যদি আমি আটাইতকৈ পাছপৰা হওঁ। সেই বিষয়ে ইমানতে আমি সকলোৱেই সাৱধান হোৱাটো উচিত। নহলে আগন্তুক যেনে দেখা গৈছে এইদৰে উদাসীন হৈ থাকিলে আমাৰ চিৰকলীয়া নিগাজী সম্পত্তিৰ অস্তিত্বই নাথাকিব। আইসকল! ইমানতে আৰু বেছি কথালৈ গৈ আপোনাসকলক আছকাল নকৰো বুলি ভাবোতেই, ওপৰত উল্লেখিত বাবে বিবুদ্ধি হৈ, সতীত্বৰ বিষয়ে অভিজ্ঞতা অনুসৰি যি হয় কেঁআৰাংমান কবলৈ বাধ্য হব লগা হলো। অৱশ্যে বাওনাই আকাশৰ চন্দ্ৰ ধৰিবলৈ হাতমেলা অৱস্থাতকৈও যে মোৰ অৱস্থা বেছি শোচনীয়, তাত অলপো সন্দেহ নাই।

সতীত্বৰ বিশেষত্বৰ সংজ্ঞা দিবলৈ মোৰ বুদ্ধিৰ একেবাৰে নাটনি। কেৱল "একমেবাদ্বিতীয়ম্"তে সতীত্বৰ বিশেষত্ব বুলি কলে "সতী" শব্দৰ মৰ্য্যাদাহে লাঘৱ কৰা হব। সেয়েই সতীত্বৰ অকলশৰীয়া জোখৰ কাঠী হোৱা হলে অহল্যা, দ্ৰৌপদী আদি পঞ্চকন্যাই প্ৰাতঃস্মৰণীয়া হৈ সতীৰ অগ্ৰগণি আসনত ঠাই নেপালেহেঁতেন। ধৈৰ্য্য, ক্ষমা আদি বিশেষ গুণেৰেও সতীত্বৰ ব্যাখ্যা দিব নোৱাৰি। স্ত্ৰী-পুৰুষ নিৰ্ব্বিশেষে কোনো মহাত্মাৰেই চৰিত্ৰত আৱদ্ধতা দেখিবলৈ পোৱা নেযায়। সত্ত্ব, ৰজঃ, তমঃ তিনিও গুণৰে সামঞ্জস্য তেওঁলোকৰ চৰিত্ৰত আছে। তাৰ প্ৰমাণ মহাভাৰত, ৰামায়ণ আদি চালেই বহুত পোৱা যায়।

শিক্ষাৰ দোহাই দি অন্ধভাৱে নিজৰ প্ৰাধান্য নেদেখুৱাই, দুৰ্জ্জয় মনক শাসনৰ মুঠিৰ ভিতৰৰপৰা এৰা দিবলৈ সুবিধা নিদি, চৰিত্ৰ গঠনেৰে নিজৰ অস্তিত্ব বিচাৰি লব জানিলে প্ৰকৃতিদত্ত দানত সকলোৰেই সমান অধিকাৰ আছে বুলি জ্ঞানীলোকে কয়। পক্ষপাতী প্ৰকৃতিয়ে তেওঁৰ দানৰপৰা কাকো বঞ্চিত কৰা নাই। "যেনেকৈ জুই আৰু পানী উভয়ৰে সহায় নহলে ভাত ৰন্ধা অসম্ভৱ, সেইদৰে শিক্ষা আৰু চৰিত্ৰৰ সামঞ্জস্য ৰাখিব নোৱাৰিলে প্ৰকৃত মানুহ হোৱাও অসম্ভৱ।' শিক্ষাৰ বীজ-মন্ত্ৰেৰে সকলো শক্তিক জগাই, চকুত জ্ঞানৰ বিত-চকু পিন্ধি, মনক সদায় বিচাৰৰূপী অস্ত্ৰৰ শাসনৰ তলতীয়া কৰি, বিবেক বুদ্ধিৰ পৰিচালনাৰে শিক্ষাৰ মান ৰাখি চলিব জনা বাবেহে আদৰ্শ মহীয়সীসকলক তিৰোতাৰ শ্ৰেষ্ঠ ভূষণ বিনয় নম্ৰতায়ো আত্ম-বিস্মৃত কৰিব পৰা নাছিল। কৰ্ত্তব্যত হেলা কৰা যেন দেখিলে অপ্ৰিয় ভাষাৰ সহায়েৰেও নিজৰ পতি-পুত্ৰক কৰ্ত্তব্যত আগুৱাবলৈ উদগাই দিছিল। নহলে শ্ৰীকৃষ্ণৰ আগত দ্ৰৌপদীয়ে এইদৰে কব নোৱাৰিলেহেঁতেন :—

"অসমৰ্থ হলে দোষ নাই, নপুংসক ভৈলা পাণ্ডু ভাই,
লোৱা দামোদৰ আসন্নাৰ পাণ্ডু ধনু।"

আত্মনিৰ্ভৰশীলা আৰ্য্যা নাৰীসকলৰ গতিৰোধ সামাজিকতায়ো কৰিব নোৱাৰিছিল। ন্যায় যুক্তি থকা যেন দেখিলে পৰিয়ালজনৰ গলগ্ৰহ নহৈ বহুত সময়ত শাস্ত্ৰ-সমাজ-বিৰুদ্ধ প্ৰথাৰ আশ্ৰয় লৈ নিজ নিজ সমস্যাৰ সমাধান কৰি লৈছিল। সামাজিক প্ৰথাৰ আঁৰকাপোৰত আৱদ্ধ থকাহলে দময়ন্তীৰ পুনৰ স্বামী লাভ আৰু ৰুক্মিণীৰ কৃষ্ণ-নিমন্ত্ৰণ কৰিবৰ সাহ নহলহেঁতেন।

আত্মনিৰ্ভৰতাৰ লগে লগে ত্যাগ, ঈশ্বৰ-বিশ্বাস আদি মহৎ গুণ নথকাহলে সতী জয়াই কঠোৰ শাস্তি বৰণ কৰি নিজৰ স্বামী পুত্ৰক আথানী-আবানি অৱস্থাত এৰি থৈ, হাঁহি মুখে বীৰ-মৰণৰ কোলাত ঠাই লৈ, দেশ আৰু জাতিৰ গৌৰৱ বঢ়াই মৰিও অমৰ হব নোৱাৰিলেহেঁতেন। একে উপাদানেৰে গঠিত বৰ্ত্তমান আমি তিৰোতাসমাজ কি হৈছোঁ, ভাবিলে লাজত মূৰ



দোঁ খায়। সাধাৰণ সাধাৰণ কথা একোটাকে বিষম সমস্যা কৰি পৰিয়ালজনক অশান্তিত পেলাই নানা কৰ্ত্তব্যত বাধা দিও সগৌৰৱে নিজৰ প্ৰাধান্য বঢ়াইছোঁ বুলি ভৰা অৱস্থাত পৰিছোঁগৈ।

সীমাবদ্ধ চাৰি আঙুলিয়া কৰ্ম্মক্ষেত্ৰতে তিৰোতাৰ কৰ্ত্তব্যৰ সীমা দি, উদাৰ ভাৰত সমাজৰ তিৰোতাৰ শিক্ষা দীক্ষাৰ প্ৰণালী সঙ্কীৰ্ণ কৰি দিয়াটোকেই তিৰোতাৰ অধঃপতনৰ মূল বুলি যদিও বৰ্ত্তমান সকলোৱেই স্বীকাৰ কৰিছে আৰু তাৰ প্ৰতিকাৰৰ উপায় বিধান কৰিবলৈ চেষ্টা কৰিছে, তথাপি বহুদিনীয়া মজ্জাগত সংস্কাৰ সঙ্কোচ আদি ভাবেই যে আমাৰ উন্নতি বাটৰ কাঁইট হৈ, বিবেক-বুদ্ধিৰ পৰিচালনা পাহৰাই, ঘৰুৱা জঞ্জালৰ দোহাই দি আমাক নিশ্চেষ্টিত হবলৈ শিকাইছে তাত অলপো সন্দেহ নাই। এই ভাৰতৰ উদাৰ শিক্ষায়েই এসময়ত আদৰ্শ মহীয়সীসকলক সকলো গুণ আয়ত্তাধীনত ৰাখিবৰ শক্তি দিছিল। আসন্ন বিপদত নিজক ৰক্ষা কৰা আৰু সন্মুখ সংগ্ৰামত বিপদগ্ৰস্তজনক সহায় কৰিব পৰা শক্তিৰ নাটনিও তেখেতসকলৰ নাছিল। তাৰ প্ৰমাণ সুভদ্ৰা, সাবিত্ৰী, দময়ন্তী আদিতে পোৱা যায়। আন কি কাল-মূৰ্ত্তি অগ্নিকো সত্য ধৰ্ম্মৰ বলেৰে পৰাজয় কৰি জগতৰ চকুত চমক লগাব পৰা ক্ষমতাও অটুট ৰাখিব পাৰিছিল। কিন্তু সেই বুলি তেওঁলোকে অবিবেকী ভাবে যতে ততে নিজৰ প্ৰাধান্য দেখুৱাই পতি পুত্ৰৰ বীৰত্বৰ মৰ্য্যদা হানি নকৰিছিল; বৰং ধৈৰ্য্য সহিষ্ণুতা আদি ভূষণেৰে নিজক পৰিশোভিত কৰি উভয়কুলৰে গৌৰৱ অক্ষুণ্ণ ৰাখিছিল। যুক্তিৰ ফালৰপৰা সত্যৰ সন্ধান বিচাৰি সকলো গুণৰে মান ৰাখিব নজনাহলে,-যি দ্ৰৌপদীয়ে প্ৰতিশোধৰ বশ হৈ পাঁচ পাণ্ডৱৰ প্ৰতি নপুংসক আদি ভাষা প্ৰয়োগ কৰিবলৈও পাছ ভৰি নহৈছিল, সেই দ্ৰৌপদীয়েই আকৌ মহাশত্ৰু পিতৃকুল স্বামীকুল-অন্তকাৰী অশ্বত্থামাক ক্ষমা কৰি অৰ্জ্জুনৰ ওচৰত প্ৰাণভিক্ষা কৰিব নোৱাৰিলেহেঁতেন! অতীত ভাৰতৰ আদৰ্শ নাৰীসকলৰ কথা কবিৰ কল্পনা লেখনী-প্ৰসূত বুলি ভাবি, দুখীয়াৰ সান্ত্বনাৰ পাশুপত অস্ত্ৰ হতাশৰ হুমুনিয়াটিকে আশ্ৰয় লৈ 'লেজুত ধৰা বল নিদিয়া' ভাবে কলা-ঘুমটিত পৰি নিজ নিজ দায়িত্ব বুজি নলৈ, লোকৰ বাটতে কণাৰ দৰে বাট বুলি নিজে হাত সাবটি বহি থাকিবৰ সময় আৰু নাই। উপস্থিত এই বিষম সমস্যাৰ দিনত অদম্য উৎসাহেৰে বৰ্ত্তমান আৰু অতীতৰ মহানাদৰ্শৰ আৰ্হিলৈ চকু ফুৰাই টোপনি ভাঙিবৰ নানা উপাদানৰ সহায় লবই লাগিব। যদি দূৰলৈ হাত মেলিলে অৱসাদৰ ভাবে ওভোটাব খোজে, তেনেহলে অতি প্ৰাচীনলৈ নগৈ আমাৰ নিচেই ওচৰ সম্বন্ধীয়া নিছলী আসাম আইৰে চেনেহৰ জিয়াৰী ত্যাগৰ আদৰ্শ জয়মতীৰ জীৱন আহুতিৰে যুগযীয়াকৈ থৈ যোৱা জ্বলি থকা বন্তি গছি আৰু যুদ্ধক্ষেত্ৰত পতিব্ৰতা মূলা গাভৰুৰ চামুণ্ডা মূৰ্ত্তি আদি বুৰঞ্জীপাতত জিলিকি থকা অসংখ্য সাধ্বী, সতী বীৰনাৰীৰ আদৰ্শ চাবনেকিলৈ এবাৰ চকু দিয়ক; সেই অমৃতৰ সন্ধান চকুত পৰিলে আমাৰ শুই থকা বহুদিনীয়া লুপ্ত শক্তিয়ে কানি-কথা শুনাই, কঙ্কালত টঙালি বান্ধি অস্থি-চৰ্ম্ম-সাৰ নাৰী-শক্তিকে মথি কৰ্ত্তব্যৰ সীমা বুজিবলৈ অসীম দায়িত্বৰ ভাৰ গ্ৰহণ কৰিবলৈ কাচিপাৰি উঠিবলৈ বল দিব বুলি নিঃসন্দেহে কব পাৰি। কিন্তু ব্যৱহাৰৰ মৰ্য্যদা নেজানিলে বহুদিনীয়া হেৰোৱা বিত পাই অপব্যৱহাৰ কৰিলে, অমৃতেই গৰল হৈ অস্তিত্বই নাইকিয়া হোৱাৰ হে সম্ভৱ। অবিনাশী মাতৃ-শক্তিৰ ফল ভোগ কৰিবলৈ হলে স্কুল কলেজৰ উপাধিধাৰী শিক্ষা অৰ্জ্জা পুৰুষেৰে সৈতে সমানে অধিকাৰ পোৱাটোকেই নাৰী-শক্তি-জাগৰণৰ শেষ সীমা বুলি নেভাবি, সূক্ষ্মাতিসূক্ষ্ম ভাবে মাতৃ-শক্তিৰ গতি পৰিণতি কিমানত, উদ্দেশ্য কি, বুজি লৈহে কৰ্ম্ম-ক্ষেত্ৰত নমাটো বুধিয়কৰ কাম যেন লাগে। বিশ্ববিদ্যালয়ৰ কৃতিত্বেৰে লাভ কৰা শিক্ষাতে শিক্ষাৰ অন্ত পৰিল বুলি নেভাবি, আজীৱন নিজেই নিজৰ শিক্ষক হৈ নানা সাজ-সঁজুলিৰ সহায়েৰে জ্ঞানৰ ভঁৰাল মুকলি কৰাৰ হেঁপাহ সুগুণ আগ্ৰহ মনত ৰাখি চলিব পাৰিলে সকলো গুণেই কণ্ঠলগ্ন বস্তুৰ দৰে নিশ্চয় হব। অৱশ্যে তিৰোতাৰ ঘাই কৰ্ম্মস্থল গৃহস্থালীকে কেন্দ্ৰ কৰি লৈ একমাত্ৰ অভ্যাস আৰু সাধনাৰে ধৰ্ম্ম, কৰ্ম্ম,

সাহিত্য সমাজৰপৰা আৰম্ভ কৰি ৰণুৱাৰ ৰণক্ষেত্ৰলৈকে আমাৰ দায়িত্ব বুজি লৈ সহযোগীভাৱে কৰ্ম্মক্ষেত্ৰত আগুৱাবলৈ পুৰুষসকলক সহায় কৰিবলৈ চেষ্টা আৰু আৱশ্যক বুদ্ধি জ্ঞানৰ আবিষ্কাৰ সহায়েৰে তেওঁলোকক পোনবাট দেখুৱাবলৈ যত্নৱতী হৈ উদাৰভাৱে আমাৰ পূৰ্ণ মাতৃ-শক্তি বিলাব পাৰিলেহে দেশ আৰু জাতিৰ মঙ্গল সাধন কৰা হব।

এইখিনিতে অসমীয়া সমাজৰ শিপিনীৰ তাঁতৰ শাল, ভাতৰ চৰু উধান-পতাৰেপৰা আৰম্ভ কৰি আধ্যাত্মিক জগতৰ গুৰিয়াল মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু ৺শ্ৰীশ্ৰীমাধৱদেৱৰ চৰণত অঞ্জলি ভৰা ফুলেৰে হিয়াতলি উবুৰিয়াই ভক্তিপূৰ্ণ সেৱা জনাই, মহাপুৰুষ মাধৱদেৱৰ ঘোষাপুথিৰ পদ একাকি গাই মোৰ এই ক্ষুদ্ৰ ৰচনা খনিৰ সামৰণি মাৰোঁ:—

"মাধৱৰ নাম ৰৎস, প্ৰায় ভৈল ভক্তে তাঙ্ক লৈয়া যায়,
বেদৰ ঈশ্বৰ হৰি ধেনু যেন, তাৰ পাছে পাছে ধায়।"

মাধৱৰ নামৰ আকৰ্ষণী শক্তিয়েই ভক্তৰ একমাত্ৰ বল। সেইদৰে সতীৰ পবিত্ৰ তেজৰ আকৰ্ষণী শক্তিকে আমিও আমাৰ বল, আমাৰ সম্বল কৰি লওঁহক যাতে সেই শক্তিয়ে অলক্ষিতে আমাৰ সুপ্ত নাৰীশক্তি জগাই তোলে, যাতে—সেই শক্তিৰ বলতে দেশ-মাতৃৰ চৰণ-সেৱাৰ উপযুক্ত সন্তানৰ মাক হৈ, কুন্তীৰ দৰে দেশ আৰু বিপন্নজনৰ উদ্ধাৰাৰ্থে নিৰ্ভীকভাৱে সেই সন্তানক আগবঢ়াবৰ শক্তি আমি আয়ত্তাধীন কৰিব পাৰো। সেই উদ্দেশ্যেৰেই আহক, আইসকল! আমি আড়ম্বৰ-শূন্য আন্তৰিক শ্ৰদ্ধাৰ অৰ্ঘ্য সতীক যাচি তেখেতৰ একেবি কৰুণা ভিক্ষা কৰোঁ। *

শ্ৰীবসন্তলতা হাজৰিকা

---

# কাঁইটৰ বল

বল খেলিব মই নেজানোঁ। সেইবাবে লগৰীয়া খেলুৱৈৰ গালি খাওঁ। ওচৰেদি যোৱা বলটোও মাৰিব নোৱাৰি, ধৰিব নোৱাৰি মই মোৰ দলৰ গুৰিত অকামিলা। দুখ-শোকক লগৰীয়া কৰি লৈ ঘৰলৈ ওভটোঁ। সান্ত্বনা নেপাই ৰাতি বাটিটো কান্দো।

বলৰ দল মই সেইদেখি এৰি দিলোঁ। তেওঁবিলাকৰ সলনি এটা কেতোৰ কলা, বেকেতামুৱা, আপচু মানুহ মোৰ সঙ্গী হ'ল। তাৰ ৰঙা চুৰীয়া, ৰঙা চুলি, ৰঙা দাঁত।

খেলত জিকি আনবোৰ লৰাই বঁটা পোৱা দেখি কান্দিছিলোঁ। হঠাৎ সেই ৰঙা আৰু কলা মানুহটো কৰবাৰপৰা ওলাই মোৰ পিঠি চপৰিয়াই কলে 'লৰা, তই কাঁইটৰ বল খেলিবি। লোল এইটো বল।' এই বুলি সি কাঁইটৰ বল এটা বলেৰে মোৰ বুকুলৈ দলি মাৰি দিলে। বুতাম নোহোৱা বনিয়ন এটা মোৰ গাত আছিল। মুকলি বুকুত বলটো পৰি বনিয়নে সৈতে খাঙলি কৰিলে। তথাপি মই বলটো বুটলি ললোঁ—আটোম-টোকাৰিকৈ। সি মোৰ হাতৰ তলুৱা বিন্ধি থকাসৰকা কৰিলে।

সেই কাঁইটৰ বলটোৰেই মই অকলে অকলে ওমলোঁ। অকলে বুলিছোঁ এই কাৰণেই যে লোকলৈ বলটো দলিয়াই জিকিব নোৱাৰি। 'কেৰম্' খেলৰ 'ষ্ট্ৰাইকাৰটো' 'বৰ্ডৰ' দাঁতিত লাগি উভটি অহাৰ দৰে লোকৰ গাত নলগাকৈয়ে সি মোৰ গালৈ দুগুণ বেগেৰে উভটি আহে আৰু মই তেজেৰে টুংৰলি হওঁ।

মই তেতিয়া জানিলোঁ কিয় বলৰ গিৰিহঁতৰ গাটো ৰঙা। এইদৰেই মোৰ কাঁইটৰ বলৰ খেল দিনে ৰাতিয়ে

* এই ৰচনাখনি সতী জয়মতীৰ তিৰোভাৱ তিথি উপলক্ষে ১৮৫১ শকত কামৰূপ মহিলা সমিতিৰ বিশেষ সভাত পাঠ কৰা হৈছিল। লেখিকা



চলিবলৈ ধৰিলে। ৰঙা পিশাচটোক ভয় কৰিয়েই নে ভক্তি কৰিয়েই কব নোৱাৰোঁ, মই সেই বল খেলাত বৰ আসক্ত হৈ পৰিলোঁ।

শ্ৰেণীত যি ভালকৈ পাঠ আওৰাব পাৰে, অঙ্ক শুদ্ধকৈ কাৰৰ জানে তাৰ গালৈ বলটো মাৰি দিওঁ, কিন্তু কি দুৰ্ভাগ্য, বলটো তাৰ গাত নেলাগি দুগুণ জোৰেৰে মোলৈ উভটি আহি মোৰ গাত ঠেকা খায়হি আৰু মই তাৰ কাঁইটৰ বিষৰ যন্ত্ৰণাত পোত যাওঁ।

ক্ৰমে মোৰ বয়সৰপৰা বল-খেলা আৰু পঢ়া-শুনাৰ সময় আঁতৰি গল। সম্প্ৰে সংসাৰত সোমাইছোঁ আৰু অদৃষ্টৰ সাগৰত পাৰি দিবলৈ নিজৰ জীৱনৰ নাৱৰ পাল তৰি দিছোঁ। কাঁইটৰ বলে সেই সাগৰ আৰু নাৱৰ ওপৰতো লীলা কৰিবলৈ ধৰিলে। বলখেল আৰু পঢ়া-শুনাৰ সলনি এইবাৰ তাৰ লক্ষ্য হল কৰ্ম্ম আৰু উন্নতি। যাৰ পকি-ঘৰ, ভাল বাগিচা, ডাঙৰ বাৰী তেওঁলৈ মই সেই বলটো মাৰি দিওঁ। যাৰ বিদ্যা অগাধ, মান-সন্মান বেছি, তেওঁলৈ, যি ধনী, যি মটৰ কাৰত উঠি ফুৰে তেওঁলৈ, যাৰ চৰিত্ৰ সুন্দৰ তেওঁলৈ, বা যি গুণী,—বা যি কথা কব জানে ভাল, তেওঁলৈ। এইদৰে মই দেৱতাৰ দৰে মানুহবোৰলৈ কাঁইটৰ বলটো বলেৰে মাৰি দিওঁ, হৈপাহ, সি গৈ যেন তেওঁবিলাকৰ সকলো ঐশ্বৰ্য্য আৰু সৌন্দৰ্য্যবোৰ খহাই মাটিত বিলীন কৰি দিয়ে। কিন্তু মোৰ বলৰ সাধ্য নাই যে সি তেওঁবিলাকক ছোৱে। সি শেনটো যোৱাদি গৈ ফেঁচাটো অহাদি উলটি আহে আৰু খণ্ডত মোৰ বুকত টান কামোৰ মাৰি তাৰ জোৰ তোলেহি।

মোৰ সমুখৰ সাগৰো মোৰ বিপক্ষ হল। পৰ্ব্বতৰ সমান ঢৌ তুলি তেওঁ মোক বিপন্ন কৰিলে। পালৰ বতাহ অনুকূল নহৈ প্ৰতিকূল হল। একো একোটা বিভীষণ বিয়াগোম শিলে পানীত মূৰ উলিয়াই মোৰ নাৱৰ বাটত বিধিপথালি দিলে। কাঁইটৰ বলটো এইবোৰত মোৰ সহায় নহল। সি মোক কেৱল অৰ্জ্জৰিত কৰিব জানে সহায় কৰিব নেজানে, সাহ দিব নোৱাৰে।

মযো অকল কাঁইটৰ বলকে লৈ সময় কটাওঁ, নিজৰ জাৱনক থিৰ কৰি লবলৈ সময় নেপাওঁ।

অইনৰ নাৱে ঢোবোৰ জয় কৰি ব'দ-বতাহত বগা পাল জিলিকাই, কঁপাই মোক পাছ পেলাই গৈ থাকিবলৈ ধৰিলে, মই বলটো তেওঁবিলাকৰ গালৈ প্ৰহাৰ কৰিবলৈ প্ৰাণপণ চেষ্টা কৰিলো হয়, কিন্তু উজাব নোৱাৰিলোঁ। সি দুৰ্জ্জয় হৈ ঘূৰি ঘূৰি মোকহে প্ৰহাৰ কৰিবলৈ ধৰিলে আৰু নিদাৰুণ যন্ত্ৰণাত অস্থিৰ হৈ মই নাৱৰ ওপৰত অচেতন হৈ পৰিলোঁ।

ৰাতিৰ আকাশত জোন বেলি যেন একোটা হৈ জ্বলিছে। মলয়াৰ এছাটি বায়ু মোৰ গাটোত যেন কমণ্ডলুৰ পানী ছটিয়াই দিলে। মই চকু মেলি দেখোঁ মোৰ কাষত দুটি ভৰি গাখীৰ যেন, অথচ ভৰিৰ পাৰ দুটি সেন্দুৰ। ওপৰলৈ চাওঁ এখন মহিমাৰ মুখ, ধক্ ধক্ কৰে বগা সাজ-পাৰেৰে একৰাকী কপহী "এঞ্জেল্।" গৰুড়ৰ পাখিৰ দৰে দুখনি পাখিও যেন দেখিলোঁ। তেওঁ মোৰ কাতৰ মুখত সান্ত্বনাৰ কোমল হাত বুলাই কলে 'বোপাই, কাঁইটৰ বলটো দলিয়াই পেলোৱা। আৰু কেতিয়াও নলবা। তাৰ সলনি এই জুইৰ বলটো তোমাক দিলোঁ, ইয়েই তোমাৰ সাৰথি হব!'

দুই হাত পাতি কেঁচা সোণ যেন চক্‌মকীয়া জুইৰ বলটো মই ললোঁ। সি মোক সুপুৰিলে, মোৰ ক্ষত-বিক্ষত হোৱা গা শীতল কৰিলে। বুকুত বহুত সাহ, বহুত আশা দিলে ধুমুহাক ভয় নকৰিবলৈ শিকালে, পানীত লুকাই থকা চোৰ-শিলৰপৰা নাও নিৰ্ব্বিঘিনিয়ে আঁতৰাই নিবলৈ বুদ্ধি দিলে আৰু আগেয়ে যালৈ কাঁইটৰ বল মাৰিছিলোঁ তেওঁবিলাকক শ্ৰদ্ধা কৰিবলৈ জ্ঞান জন্মালে।

বলটো পাই মই ধন্য হলোঁ; কিন্তু দেখোঁ, সেই মহিমময়ী আৰু মোৰ ওচৰত নাই।

জানিলোঁ, বলটো মোৰ জীৱন-গুৰুৰ দান। জীৱনৰ 'দ্ৰচ' (?) সি ছাই কৰিব সোণৰ দৰে। সংসাৰত যিবোৰ দুৰ্ভগীয়াৰ হাতত কাঁইটৰ বল আছে জুই বল নাই, তেওঁবিলাকে যেন সোনকালেই মোৰ এই জীৱন-গুৰুক বিচাৰে। তেওঁৰ প্ৰতি মোৰ অঞ্জলি। কিন্তু মই কাঁইটৰ বলটো দলিয়াই দিব নোৱাৰিলোঁ; কাঁইট আৰু জুইৰ বল দুয়োটা আজি মোৰ জীৱন-নাৱত।

'ক'

# মহাপুৰুষ শ্ৰীমাধৱদেৱৰ ধৰ্ম্মমত

তেজোময় শ্ৰীশঙ্কৰ-সূৰ্য্যক কেন্দ্ৰ কৰি অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ সৌৰজগতত যি জ্যোতিৰ্ম্ময় নক্ষত্ৰৰাশিয়ে সুবিমল কিৰণমালা বিলাই গৈছে, মহাপুৰুষ শ্ৰীমাধৱদেৱে সেইসকলৰ মাজত বৃহস্পতিৰ দৰে অতি বিচক্ষণ ঠাই অধিকাৰ কৰে। তথাপি শ্ৰীমাধৱদেৱৰ ধৰ্ম্মমত বা প্ৰতিভাৰ স্বৰূপ বুজিবলৈ হলে শ্ৰীশঙ্কৰদেৱৰ, তথা বৈষ্ণৱ ধৰ্ম্মৰ, সাধাৰণ লক্ষণলৈ নিৰীক্ষণ নকৰিলে নচলে; কিয়নো, সকলো জোন-তৰা সেই বেলিৰ পোহৰতহে বিলনীয়া।

শ্ৰীমদ্ভাগৱদ্গীতা, শ্ৰীমদ্ভাগৱত আৰু পুৰাণসমূহে ভাৰতৰ নৱ বৈষ্ণৱ ধৰ্ম্ম আন্দোলনৰ প্ৰাণ-সঞ্চাৰণী-শক্তি বুকুত সাঁচি থৈছিল। তাতকৈ উজাই বেদ উপনিষদ আদিত ইয়াৰ কোনো চিন মোকাম বিচাৰি পোৱা টান সঁচা, কিন্তু তাত এই বৈষ্ণৱ ধৰ্ম্মৰ মৰ্ম্ম, গাইৰ ওহাৰত গাখীৰ লুকাই থকাৰ দৰে, নিহিত আছিল—

"সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥"

শ্ৰীমাধৱৰ ঘোষাৰ সুৰেৰে এইদৰে ঘোষিত হৈছে—

"সকলে উপনিষদে ধেনু দোগ্ধা ভৈল তাৰ নন্দসুত,
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল তাৰ গীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত্ত,
সুবুদ্ধিসকলে সন্তোষে পান কৰয়॥"

নাঃ ঘোঃ। ৬৬৭

'বৈষ্ণৱ' শব্দই যদিও বিষ্ণুসম্বন্ধীয় কথাহে বুজায়, তথাপি বৈষ্ণৱধৰ্ম্ম বিশেষভাৱে কৃষ্ণ-বিষয়কহে; বিষ্ণু-বিষয়ক নহয়! এই কৃষ্ণ অৱতাৰ নিশ্চয় বেদৰ বহুত পাছৰ; সেই দেখি শ্ৰীমাধৱদেৱে কৈছে—

"কিন্তু ইটো মহাধৰ্ম্ম, মাধৱৰ জন্মকৰ্ম্ম
বেদে যাৰ নজানে মহিমা।" নাঃ ঘোঃ ৭৮।

গতিকে বেদ-উপনিষদ নামে হিন্দুধৰ্ম্মৰ এই সৰ্ব্বপ্ৰথম সাহিত্যখিনি এৰি আহি ক্ৰমে মহাভাৰত, গীতা হৰিবংশ, ভাগৱত আৰু পুৰাণসমূহত সৰহ ভাবৰৈ শ্ৰীকৃষ্ণৰ নাম আৰু চৰিত-বৰ্ণনা পোৱা হয়! অকল ইমানেই নহয়; ভাৰতবৰ্ষৰ সৰহভাগ লোকেই কৃষ্ণভক্ত, আৰু ভাৰতীয় সাহিত্যৰ সৰহখিনি ঠাইকেই শ্ৰীকৃষ্ণ লীলা বিষয়ক কথাই জিনি আছে। ঘাইকৈ মনত ৰাখিব লগা কথা, ভাৰতীয় ধৰ্ম্মক্ষেত্ৰ আৰু সাহিত্য-ক্ষেত্ৰত শ্ৰীকৃষ্ণ এক আকাশলঙ্ঘা ব্যক্তিত্ব বা সৰ্ব্বপ্ৰিয় অৱতাৰেই নহয়; তেৱেঁ সেই বিষ্ণু, তেৱেঁ সেই অনাদি কাৰণ। পূৰ্ণব্ৰহ্ম।

সৃষ্টিতত্ত্ব বিষয়লৈ মন কৰিলে হিন্দু ধৰ্ম্মমতে দুটি মূল নীতি দেখিবলৈ পোৱা হয়,—অন্তৰ্মুখী আৰু বহিৰ্মুখী (Convergent and divergent principles or centripetal and centrifugal forces) "একোঽহং বহু স্যামি"—সেই অদ্বিতীয় জনৰ বহুধা হোৱাৰ ইচ্ছাৰ ফলেই এই সৃষ্টি কৌশল। "বহু স্যামি" বোলোতেই বুজোৱা হৈছে—"সূত্ৰে মণি গনা ইৱ"—একেডালি ডোলেৰে গোঁথা এধাৰি মণিৰ দৰে—এই "বহু" অৰ্থাৎ সৃষ্টিৰ সকলোৰে ভিতৰেদি সেই 'একঃ' অৰ্থাৎ অনন্ত ব্ৰহ্ম ব্যাপি আছে। কিন্তু এইখিনিতে এইটি সিদ্ধান্ত ঠাৱৰকৈ জানি থব লাগিব, ব্ৰহ্ম সকলোতে আছে, কিন্তু সকলো ব্ৰহ্মত নাই, অৰ্থাৎ সকলো তেওঁৰ বাহিৰ; প্ৰকৃতিৰ কৰ্তৃত্বত প্ৰকট এই বিশ্বব্ৰহ্মাণ্ড প্ৰকৃতিপুৰুষৰ (Procreating force) কাৰ্য্য, ব্ৰহ্ম বা মাধৱ তাৰ অতীত—

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।" নাঃ ঘোঃ ৪০৫।

স্থূল নীহাৰিকাবাদ (Nebular Theory) মতে যেনেকৈ মূল অসীম উত্তপ্ত নীহাৰিকাখণ্ডৰপৰা তাৰ মহা আবৰ্ত্তনৰ ফলত ছিটিকি যোৱা সৰু সৰু খণ্ডবোৰে তাকে ঘাই কৰি গ্ৰহ উপগ্ৰহৰূপে চিৰকাল ঘূৰি আছে, তেনেকৈ সেই অখণ্ড ব্ৰহ্মৰ খণ্ড জীৱবোৰো সেই অখণ্ডকে



ঘিৰাই চলিব লাগিছে, আৰু অখণ্ডয়ো নিজ খণ্ড-বোৰক সেইদৰে আকৰ্ষণ কৰিবই লাগিছে। জানি বা নাজানি, ধন বুলি, মান বুলি, ভাৰ্য্যা বা পুত্ৰ বুলি সকলো জীৱই সেই পৰম (absolute) ব্ৰহ্ম ভগৱন্তকে বিচাৰিছে। আৰু ভগৱন্তও সেই সকলো স্বৰূপে, আৰু জোন বেলি, বতাহ-পানী স্বৰূপে সকলোৰে মাজত নিজক বিলাই দিবলৈ সদায় ব্যাকুলতা প্ৰকাশ কৰিছে—"যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।" গীতা। জ্ঞানযোগ। ১১।

এয়ে আত্মাৰ ৰাসায়নিক আকৰ্ষণ (Chemical affinity), এয়ে আধ্যাত্মিক মধ্যাকৰ্ষণ (Spiritual gravitation) আৰু ইয়াৰ বিজ্ঞানেই ধৰ্ম্ম।

'ৰসো বৈ সঃ।—

বিশ্বৰ সকলো ৰসৰ আধাৰস্বৰূপ সেই ভগৱানৰ লীলাময় এই যে সৃষ্টি, ই লীলাই; ইয়াত গহীন (Serious) বুলি ধৰিব লগা একো নাই। এই সৃষ্টিত স্ৰষ্টাৰ কোনো কামনা বা লাভৰ বাঞ্ছা নাই; প্ৰকৃত খেলোৱাৰে (Sportsman) যেনেকৈ জয় পৰাজয়ৰ ধৃষ্টতা মনত নুপুহি খেলৰ আনন্দৰ বাবেই খেলে, ভগৱানৰ সৃষ্টিৰ উদ্দেশ্যও তাৰ অধিক বা হীন একো নহয়। সৰুৱা এটিয়ে যেনেকৈ এই মুহূৰ্ত্তত ওমলা বস্তু এটি পাবলৈ অতিশয় হেঁপাহ দেখুৱালে, আৰু পিছ মুহূৰ্ত্তত তাক পায়ো হাঁহিমুখে তাক নেওচা দিলে, তাৰ বাবে মনত লেশ মাত্ৰও ক্ষোভ নৰল, ঈশ্বৰৰ সৃষ্টিও তদ্ৰূপ। আৱশ্যক হলে ইয়াক নিমিষতে সামৰি থবলৈ তেওঁ একেৰিও দ্বিধা বোধ নকৰিব। কিয়নো তেওঁৰ কাৰণে এই সৃষ্টি কোনো লাভৰ কথা নহয়; ই তেওঁৰ হাতৰ জানিবা "বাহিৰা খৰচ"। শ্ৰীকৃষ্ণই নিজ হাতে হেলা-ৰঙে পুত্ৰ নৰকাসুৰৰ প্ৰাণ লোৱা আৰু নিজ যদুকুল ধ্বংস কৰাই তাৰ অন্যতম প্ৰমাণ। বাইবেলৰ Genesis (জেনেছিছ) মতে সেই প্ৰথম পয়োধিজল (Noah's ark) আদি বৃত্তান্তই, এটি সকলৰাই নিজ সৃষ্টি এটি সৰ্ব্বাঙ্গ-সুন্দৰ কৰিবলৈ কৰা সকলো চেষ্টাৰ চিন দেখুৱাইছে, অৰ্থাৎ নিজ ইচ্ছামতে গঢ়াক ভাঙিছে আৰু ভঙাক গঢ়িছে।

"ন মাং কৰ্ম্মাণি লিম্পন্তি
ন মে কৰ্ম্মফলে স্পৃহা।
ইতি মাং যোঽভিজানাতি
কৰ্ম্মভিৰ্ন স বধ্যতে॥" (জ্ঞাঃ যোঃ ১৪।)

অৰ্থাৎ '(সৃষ্টি আদি) কৰ্ম্মসমূহে মোক লিপ্ত কৰিব নোৱাৰে, (কিয়নো) কৰ্ম্মফলত মোৰ স্পৃহা নাই। এইদৰে যিলোকে মোক জানে, তেওঁ কৰ্ম্মসমূহত বান্ধ নাখায়।' অতি নিভূল আৰু মুকলি কৈ এই অনাসক্ত কৰ্ম্মই গীতাৰ ঘাই শিক্ষা। ইয়াতেই কৰ্ম্ম, জ্ঞান আৰু ভক্তিযোগৰ ত্ৰিবেণী-সঙ্গম হৈছে। জগতৰ মধ্যযুগৰ বাণী—"সংসাৰ ত্যাগ কৰি বৈৰাগী হোৱা।" গীতা ঘাইকৈ তাৰ বিৰুদ্ধেই এটি তীব্ৰ অখণ্ডনীয় চিৰন্তন প্ৰতিবাদ। সি যি হওক, এই সংসাৰক আমি এখন খেল বা ভাৱনা বুলিয়েই সদায় ধৰিব লাগিব, তাকে পাহৰি ইয়াকে মৰ কামোৰ মাৰি ধৰি থাকিব খুজিলে বা "অকৰা মৈত উঠা'ৰ দৰে কৰিলে, তাৰ ফল দুখ, নিৰাশা আৰু অপমান অৱশ্যম্ভাৱী। কিন্তু মনত ৰাখিব লাগিব, খেল হলেও প্ৰাণ মন ঢালি ন্যায়মতে এই খেল খেলিব লাগিব, আৰু ভাৱনা হলেও জীৱন্তভাৱে আৰু অকপটচিতে আমাৰ ভাও দিবই লাগিব; অৰ্থাৎ সংসাৰত থাকি বিবেক বুদ্ধিৰে নিজৰ কাম কৰি নোখোৱাটো সকলো অৱস্থাতে পাপ আৰু লগৰৰ কথাই। এয়ে গীতাৰ সেই অমৰ বাণী—"নৈতৎত্বয্যুপপদ্যতে"—'এনে কথাই তোমাক নুশুৱায়।' এই খিনিতে অকৌ পাহৰিব নালাগিব, "উত্তিষ্ঠ পৰন্তপ!" —'পৰন্তপ, ঠিয় হোৱা'; কিন্তু হীন প্ৰতিহিংসাৰ মন্ত্ৰণাত স্বাৰ্থসিদ্ধিৰ দীন তৰোৱাল লৈ নহয়, কৰ্ত্তব্যৰ দেৱ দুন্দুভি পাঞ্চজন্যৰ সুৰত আত্মাৰ পবিত্ৰ গাণ্ডিৱ ধৰি ঠিয় হোৱা। অৰ্থাৎ তুমি প্ৰকৃত খেলোৱাৰ (Sportsman) হব লাগিব, প্ৰতিহিংসাৰ ফেঁটাগোম সাপ অন্তৰত পুহিবৰ তোমাৰ অধিকাৰ নাই; আৰু ভাৱৰীয় হলেও তুমি কাৰো প্ৰতি বিশেষ আসক্তি, নিন্দা বা ঘৃণাৰ ভাব মনলৈ আনিব নোৱাৰা, কিয়নো সকলো লগৰ ভাৱৰীয়াহে।

সৃষ্টি বিষয়ক এই মূল স্থূল সত্যবোৰতে বৈষ্ণৱধৰ্ম্মৰ

গভীৰ তত্ত্বসমূহ লুকাই আছে। প্ৰথমতে কেৱল ব্ৰহ্মইহে আছে; তেওঁৰ বাহিৰে বিশ্ব ব্ৰহ্মাণ্ডত একোৰে স্বকীয়া সত্তা নাই ;—

"তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক ॥৫২০।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন ॥৫২১।
"তুমি সে কেৱলে সত্য মিছা সবে আন।"৫২৩।

হঃ নোঃ

দ্বিতীয়তে যদিও এই বিশ্ব-ব্ৰহ্মাণ্ডৰ স্বকীয়া সত্তা নাই, তথাপি ই তেওঁৰ সত্তাৰে সত্তাবান ; গতিকে ই বিষ্ণুময়। এয়ে বিবিধৰ মাজত মিলন (Units among diversities)। এই চকুৰে যি জগতক চাব নাজানে, তেওঁ অবৈষ্ণৱ আৰু কৃষ্ণ-প্ৰেমৰ বাবে তেনেই অৰসিক ; তেওঁৰ চকুত মায়াৰ জাল পৰিল,—

"সমস্তে ভূততে ব্যাপি আছোঁ মই হৰি।
সবাক মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥"১৮২০।
"কুকুৰ, চণ্ডাল, গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পড়ি কৰিবা প্ৰণাম॥"১৮২৩।
"বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে ॥১৮২৪

শ্ৰীকৃঃ বৈঃ প্ৰঃ।

এই বিশ্ব-ভাৱনাত সেই মহানাট্যকাৰৰ ইচ্ছাতে আমি সকলোৱে নানা ভাৱে নাচি বাগি ভাও দিছোঁ; ইয়াত কাৰো সৈতে কাৰো ভাও একেবাৰে নিমিলে। কিন্তু আমি সকলো একে ভাৱৰীয়াই ; গতিকে আমাৰ ভিতৰত আমি ভিন্ দেখিলে নিশ্চয় ভ্ৰমত পৰিলো, আমাৰ তত্ত্বজ্ঞান হেৰুৱালো ;—

"ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল ॥
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাহাকেসে পণ্ডিত বুলিয়া সৰ্ব্ব জান ॥১৮২১

শ্ৰীকৃঃ বৈঃ প্ৰঃ।

যেচুঁৱা নবাৰ বাবে কোনো কামেই বিদৰে সৎ (moral) or অসৎ (immoral) নহয়, কিন্তু এই দুই গুণৰে বাহিৰ (non-moral) ; নিৰ্ব্বিকাৰ পৰব্ৰহ্মৰ দৃষ্টিতো সেইদৰে সৎ অসৎ আদি অৰ্থহীন কথা,— মানুহৰ গুণ আৰু দোষ দুইতে তেওঁ সমানে উদাস। গতিকে তেওঁৰ অনুগামী বৈষ্ণৱো তেনেকুৱাই হব লাগিব। (আগলৈ)

শ্ৰীডিম্বেশ্বৰ নেওগ

# জীৱনৰ জোখ

বৰ্ত্তমান হৈছে কলিৰ যুগ। এই যুগৰ ৰজা হৈছে পাপৰ প্ৰতিমা কলি। সত্য ত্ৰেতা আদি যুগৰ মানুহবিলাক হেনো দীৰ্ঘজীৱী আৰু স্বাস্থ্যবান আছিল। মহীপ-তিলক প্ৰভু শ্ৰীৰামচন্দ্ৰই হেনো দহ হাজাৰ বছৰকাল ৰাজত্বকে কৰিছিল। আগৰ যুগ তিনিটাত এনেকুৱা দীৰ্ঘজীৱী পুৰুষৰ কথা পুৰণি পুথিত অনেক পোৱা যায়। সিবোৰৰ কিছু অতিৰঞ্জিত হলেও কিছুমান সম্পূৰ্ণ সত্য বুলি দৃঢ় বিশ্বাস। কলিৰ যুগতেই আমাৰ প্ৰাতঃস্মৰণীয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰভু প্ৰায় ছকুৰি বছৰ কাল জীয়াই থকা কথা অসমীয়া মাত্ৰেই জানে। সেইজনা পুৰুষৰ জীৱন-কালকেই আদৰ্শ লৈ হবলা মাকে পুতেকক—"মোৰ বোপাৰ ছকুৰি বছৰ পৰমায়ু হক" বুলি হিয়া খুলি আশীৰ্ব্বাদ দিয়ে। এতিয়া ক্ৰমে ক্ৰমে মানুহৰ জীৱন-কাল টুটি অহা যেন অনুমান হয়। গাওঁ-ভুঁৱনি অনেক নীতি-কথাৰ ভঁৰাল বুঢ়া মানুহৰ সংখ্যাও কমি যোৱা বুলি বহুতৰ পৰা শুনিছোঁ। এতিয়া বিশেষতঃ আসামত, হাইহাহাকাৰ, অকাল-আপদ, অভাৱ-অভিযোগ আৰু অকালমৰণ বেছি হৈহে যাবলৈ ধৰিছে। সদালাপ, সজ্জচৰ্চ্চা, সত্যপ্ৰিয়তা, সময়নিষ্ঠতা আৰু ঈশ্বৰ-আৰাধনাৰ লগত দীৰ্ঘ জীৱনৰ ঘনিষ্ঠ সম্বন্ধ। আগৰ মানুহবিলাক বৰ কৰ্ম্মঠ আৰু সত্যপ্ৰিয় আছিল,—অসত্যক বৰ ঘিণ কৰিছিল। সত্য ৰক্ষাৰ কাৰণেই হৰিশ্চন্দ্ৰ ৰজাই ৰাজ্য, ধন ত্যাগ কৰি চণ্ডালৰ কিনা গোলাম হৈ জীৱন কটাইছিল। প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যত হেনো মুঠেই অকাল মৰণ নহৈছিল। এয়ে হল আগৰ দিনৰ কথা। এতিয়া দেখিব—বুঢ়া বাপেকে অতি মৰমৰ পুতেকক নিজ কান্ধেদি মৰিশালিলৈ বৈ নি কান্দি কান্দি নিজেই পুৰিছে, শাহুৱেকে বাৰী বোৱাৰীয়েকক আগত লৈ হা-হুমুনিয়াহ কাঢ়ি অতি কষ্টেৰে দুখময় জীৱন যাপন কৰিব লাগিছে। ভাৰতবাসীৰ আগৰ দিন আৰু এতিয়াৰ দিন স্বৰ্গ-মৰ্ত্ত্যৰ পাৰ্থক্য। কবিসকলে আগৰ কথালৈ লক্ষ্য কৰিহে হবলা, ভাৰতবৰ্ষক 'সোণৰ হিন্দুস্থান" বুলি আখ্যা দিছে।

প্ৰকৃতিৰ কিছুমান নিয়মৰ লগত মানুহৰ স্বাস্থ্যৰ বৰ ওচৰা-ওচৰি সম্বন্ধ। সেই নিয়মৰ ব্যতিক্ৰম হলেই বেমাৰ-আজাৰ হয়। জনা মানুহে সদাই সজ-নীতিনিয়মবোৰ পালন কৰি চলি অকাল-মৰণ-ৰূপ আত্মহত্যাৰপৰা হাত সাৰিবলৈ চেষ্টা কৰে।

কলিৰ দিনত অসমীয়া মানুহ গড়ে ৬০ বছৰ জীয়াই থকা বুলি ধৰি ইয়াত এটা চমু হিচাব দিলো ; এই হিচাব কোনো ঠাইৰ মানুহৰ লগত অলপ অচৰপ নিমিলিবও পাৰে, কাৰণ ই আনুমানিক হিচাব মাত্ৰ। ইয়াত সৰু সুৰা কামৰ হিচাব দুটা এটাও বৈ যাব পাৰে।

| কাম :— | | কাল : — |
|---|---|---|
| (১) নবা কালত খৰচ হয় | … | ৮ বছৰ |
| (২) টোপনি মৰাত খৰচ হয় | … | |
| (দিনে ৬.৭ ঘণ্টাকৈ ধৰি) | … | ১৮ " |
| (৩) খোৱা-লোৱাত | … | ৭ " |
| (৪) বেমাৰ পাতি আদিত | … | ২ " |
| (৫) গা পা ধোৱা আদিত | … | ২ " |
| (৬) পঢ়া শুনা কৰাত | … | ৪ "(?) |
| (৭) বাজে মেলত | … | ৫ " |
| (৮) ধপাত চুৰট আৰু তামোল পান আদি খোৱাত | … | ১ " |
| (৯) নানা বিষয়ত | … | ২ " |
| | মুঠ | ৪৯ বছৰ খৰচ। |

| | | |
|---|---|---|
| জীৱন কাল | … | ৬০ বছৰ |
| খৰচ হল | … | ৪৯ " |
| | | ১১ বছৰ বাকী ৰ'ল। |

ওপৰৰ হিচাবৰপৰা দেখা যায় ৬০ বছৰ জীয়াই থকা মানুহ এজনে মাথোন ১০।১১ বছৰ কালহে

নিজৰ জীৱনৰ উন্নতি-মূলক কাম কৰি কটাব পাৰে। কানীয়াই যে ইমানকৈও কম সময়হে পায়! আসামত ছমাহ কাম কৰি ছমাহ বাবুৱাৰি বহি খোৱা মানুহো কম নোলায়। এই কাৰণেই আসাম আজি দুখ-দৰিদ্ৰতাৰ লীলা-ভূমি।

অসমীয়া বহুত মানুহেই অনবৰত কাল কটোৱাটো পাপ কাম বুলি নাভাবে। ই বৰ দুখৰ বিষয়। যোৱা এক মুহূৰ্ত্তও আৰু যে ঘূৰি নাহে, আমি যে প্ৰত্যেক মুহূৰ্ত্তৰ লগে লগে সৰ্ব্বগ্ৰাহী মৃত্যুৰ ওচৰ চাপিব লাগিছোঁ,—এই কথা কেইজন অসমীয়া মানুহে সদায় মনত ৰাখি নিজৰ কৰ্ত্তব্য কামত নিবিষ্ট থাকে? জীৱনৰ মোল বুজা মানুহে অলপ সময়ো অবাবত নকটায়; তেওঁলোকে সদাই কৰ্ত্তব্য কাম কৰি থাকিহে সুখ শান্তি উপভোগ কৰে। কামত হে নাম; ভাল কামে মানুহৰ নাম অজৰ-অমৰ কৰি ৰাখে। আৰু কামৰপৰাহে মানুহৰ জীৱন-কাল নিৰূপণ কৰিব পাৰি।

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস

---

# গাখীৰ আৰু গাখীৰৰপৰা কৰা আন আন বস্তু

(আগৰ সংখ্যাৰ পাছৰপৰা)

আজিলৈকে আবিষ্কৃত হোৱা 'ভিটামিন'বিলাকৰ এটাই কেটাকে কম বেছি পৰিমাণে গাখীৰত পোৱা গৈছে।

ভিটামিন 'ক'—শৰীৰৰ পুষ্টিবৰ্দ্ধনকাৰক, } যথেষ্ট পৰিমাণ।
ভিটামিন 'খ'—স্নায়বিক দুৰ্ব্বলতানাশক }

ভিটামিন 'গ'—চৰ্ম্মৰোগনাশক — সাধাৰণ মাত্ৰা।

ভিটামিন 'ঘ'—শৰীৰৰ জোৰা আদিৰ দুৰ্ব্বলতা নাশক — নিচেই কম।

ভিটামিন 'ঙ'—বন্ধ্যাতানাশক ইয়াকো গাখীৰত পোৱা গৈছে।

বিকৃত (abnormal) গাখীৰ।—গাখীৰৰ সোৱাদ বা ৰঙত অনেক সময়ত বিকৃতি ঘটা পোৱা যায়। যেনে, লুণীয়া, তিতা, বীজল, নীলা আৰু ৰঙচুৱা। এনে হোৱাৰ কাৰণ তলত দিয়া হল।

লুণীয়া—গৰু জনীয়ে পোৱালী দিবৰ সময় হলে বা তাইৰ ওহাৰত কোনো বেমাৰ হলে, তাইৰ গাখীৰত চেনিৰ পৰিমাণ কমি যায় আৰু গাখীৰৰ সোৱাদ লুণীয়া হয়।

তিতা—৪৫°ৰ কম তাপত গাখীৰ ৰাখিলে এবিধ বীজাণু বৃদ্ধি হৈ গাখীৰৰ সোৱাদ তিতা কৰে। কোনো কোনো ঘাঁহৰপৰাও গাখীৰৰ সোৱাদ তিতা হয়।

বীজল—বেয়া পানী, ধূলি-মাকটি আদিৰপৰা এবিধ বীজাণু গাখীৰত সোমাই গাখীৰ বীজল কৰে।

নীলা—বহুত সময় গাখীৰ বেছি গৰম ঠাইত ৰাখিলে গাখীৰৰ ৰং নীলা হোৱা পোৱা যায়।

ৰঙচুৱা—গাখীৰ ৰঙচুৱা হোৱাৰ দুটা কাৰণ হব পাৰে। যদি কেঁচা গাখীৰ ৰঙচুৱা হোৱা পোৱা যায় তেন্তে সেই গাখীৰত তেজৰ লগত থকা ৰঙা-পৰমাণুৰ সংখ্যা বেছি বুলি ধৰিব লাগিব। (ই সচৰাচৰ গাখীৰৰ লগত থাকেই)। যদি গৰম গাখীৰ ৰঙচুৱা হয়—তেন্তে সেই গাখীৰৰ চেনি আদি ধাতব পদাৰ্থবিলাক উত্তাপত পুৰি গৈছে বুলি ধৰিব লাগিব।

গাখীৰে আন আন বস্তুৰপৰা অতি সহজে গোন্ধ আহৰণ কৰিব পাৰে, সেই কাৰণে গোন্ধ-ভাপ নথকা ঠাইত হে গাখীৰ ৰাখিব লাগে।

বিশুদ্ধ গাখীৰ যেনেকৈ মানুহৰ কাৰণে আদৰ্শ



আহাৰ—সেইদৰে বীজাণুৰ পক্ষেও ই এক উপযুক্ত বৃদ্ধি স্থল। এই বীজাণুবোৰ উশাহে-নিশাহে, ধূলিয়ে মাটিয়ে, পানীয়ে বতাহে অসংখ্য অসংখ্য বিস্তাৰিত হৈ আছে। গতিকে বিজাণু নাইকীয়া গাখীৰ কোনো ৰকমেই পাব নোৱাৰি। সৰ্ব্ব-সাধাৰণ বীজাণুৱে গাখীৰ তিতা, টেঙা, বীজল, কাচি বা দৈ কৰিয়েই ক্ষান্ত থাকে, কিন্তু এনে কেতবোৰ বীজাণু আছে যে সিহঁতে মানুহৰ মাজত মহা-প্ৰলয়ৰ সৃষ্টি কৰিব পাৰে। এই মাৰাত্মক বিধৰ বীজাণুৰ কেটামান কিবা স্বৰূপে গাখীৰত সোমালেই, সেই গাখীৰ মানুহৰ আদৰ্শ আহাৰৰ সলনি বিহত পৰিণত হয়। কাৰণ বীজাণুবোৰৰ বৃদ্ধিৰ হাৰ ইমান বেছি যে এটা বীজাণু এঘণ্টাৰ ভিতৰত ফাটি আঁঠোটা হয়। ইহঁতৰ এটা এটাৰ আকাৰ $\frac{১}{২৫০০}$ ইঞ্চি। ইহঁত পোনেই ওহাৰৰপৰা খীৰায় অনা গাখীৰৰ এক c. c তে ১২০০০ লৈকে থাকে। আধাসেৰ গাখীৰত ইহঁতৰ সংখ্যা ১২০০০×৩২০=৩৮৪০০০০। যক্ষ্মা, হাইজা, সন্নিপাত জ্বৰ আদি বহুতো মাৰাত্মক আৰু সংক্ৰামক ব্যাধিৰ বীজাণু গাখীৰৰ মাজেদি জন-সাধাৰণৰ মাজত বিস্তাৰিত হোৱাৰ ভূৰি ভূৰি প্ৰমাণ সংগ্ৰহ হৈছে। এই কাৰণে অবিশুদ্ধ গাখীৰ মহা বিহ বুলি গণ্য কৰা উচিত।

ব্যাধিবিস্তাৰক বীজাণুৰ বাহিৰেও অগণন বীজাণু গাখীৰত বতাহ আদিৰপৰা প্ৰৱেশ কৰে। সাধাৰণতে ইহঁতৰপৰা মানুহৰ একো অপকাৰ নহয়। কাৰণ ইহঁতৰ বংশ বৃদ্ধি যেনে সোণকালে হয়, ধ্বংসও তেনে সোনকালে সাধিব পৰা শক্তি মানুহৰ উদৰত আছে। ব্যাধিবিস্তাৰক বীজাণুৰ ওচৰত মানুহৰ স্বাভাৱিক শক্তিয়ে সাধাৰণতে পৰাভৱ মানে। যিবিলাক বীজাণুৱে মানুহৰ পোনপটিয়াভাৱে অপকাৰ নকৰে, সেইবিলাকে গাখীৰৰ অৱস্থাৰ পৰিবৰ্ত্তন আনে আৰু গাখীৰ কাচি বা দৈ কৰায়; সৰশেষত মানুহৰ ব্যৱহাৰৰ অনুপযোগী কৰে। এইবিলাক বীজাণুক শাসনৰ তললৈ আনিব নোৱাৰিলে গাখীৰৰ ব্যৱসায় (dairying) একৰকম অসম্ভৱ।

বীজাণুবিলাক সৰ্ব্বসাধাৰণতে তলত দিয়া ঠাইবিলাকত পোৱা যায়:—

(১) মাটিৰ ওপৰ ভাগত, মাটিৰ ৪ ফুট তলত নিচেই কম বীজাণুহে থকা পোৱা যায়।

(২) পানীৰ সকলো ভাগতে। সাগৰৰ বহুত তলৰ পানীতো বীজাণু পোৱা গৈছে।

(৩) বতাহত—বিশেষকৈ মানুহ আদি জীৱ-জন্তুৰ বাস স্থানৰ ওচৰত। তলৰ বতাহত ওপৰৰ বতাহতকৈ বেছি পোৱা যায়।

(৪) গেলা পচা বস্তুত অধিক সংখ্যক বীজাণু পোৱা যায়।

৫৪০৮/অ:

(৫) জন্তুৰ মুখত, পেটত, নাড়ি-ভুৰু আদিত নোম বা চুলিৰ তলত, নখত, কাপোৰত, গাৰ ছালত।

(৬) মল মূত্ৰাদিত।

(৭) মাখি আদিৰ গাত।

মুঠতে প্ৰকৃতি-ৰাজ্যত এনে এডোখৰ ঠাই নাই, যত বীজাণু নাই। কোনো ঠাইত হয়তো আহাৰৰ অভাৱত বৃদ্ধি নোহোৱাকৈ পৰি আছে। আহাৰ পালেই সিহঁত উত্তৰোত্তৰ বৃদ্ধি হয়। আকৌ হয়তো কিবা কাৰণত সিহঁতৰ বৃদ্ধিত ব্যাঘাত পাই থমকি ৰয়। এইদৰেই সিহঁতে আবহমান কাল সিহঁতৰ অস্তিত্ব ৰাখি আহিছে। সুবিধা পালে সিহঁতৰ এই বিশ্ব জুৰি থকা সংখ্যাই সিহঁতৰ বংশ বৃদ্ধি কৰিবপৰা ক্ষমতাৰ সহাযেৰে প্ৰকৃতিৰ ৰূপ পৰিবৰ্ত্তন কৰি দিব পাৰে। তাকো দুদিন এদিনৰ ভিতৰতে। সিহঁত ইমান ক্ষুদ্ৰ অথচ সিহঁতৰ শক্তি ইমান অনিৰ্দ্দিষ্ট!

এই বীজাণুবিলাক গাখীৰলৈ আহে কেনেকৈ তাক তলত দেখুৱা হল।

(১) গৰুৰ ওহাৰৰপৰা—গাখীৰ দিয়া বাটৰ বিন্ধায়দি বতাহৰপৰা গৈ সোমায় থাকে। ইয়াৰপৰা হাত সাৰিবৰ উপায় নাই। যাহক প্ৰথমৰ দুচোঁচামান গাখীৰ কঁৰীয়াত নলৈ পেলাই দিয়া উচিত। এই প্ৰথম কিচোঁচা গাখীৰৰ এক ছি-ছি-ত ১২০০০ পৰ্য্যন্ত বীজাণু পোৱা গৈছে। মাজৰ গাখীৰত প্ৰত্যেক ছি ছি-ত ৪০০০ উচ্চতম সংখ্যা।

(২) গৰুৰ গাৰপৰা—অপৰিষ্কাৰ হলে গৰুৰ গাৰ

পৰাও এই বীজাণুবোৰ গাখীৰ খীৰাওঁতে গাখীৰত সোমায়।

(৩) গোহালিৰ ধূলি-মাকটিৰপৰা।

(৪) অপৰিষ্কাৰ গাখীৰ-খীৰোৱা মানুহৰ হাত আদিৰপৰা।

(৫) অপৰিষ্কাৰ কঁৰীয়াৰপৰা। এই কাৰণৰপৰা মিন্নতম শতকৰা ৮০ ভাগ বীজাণু গাখীৰত সোমায় বুলি প্ৰমাণ পোৱা হৈছে।

(৬) অপৰিষ্কাৰ পানী মিহলোৱাৰপৰা।

(৭) গোৱালায় বেচিবলৈ আনোতে ধূলি-মাকটি পৰি, মাখি আদি বহি গাখীৰলৈ বীজাণু যোৱা আন এটি বাট।

এইবিলাক কাৰণলৈ সতৰ্ক দৃষ্টি ৰাখিলে গাখীৰলৈ অধিক সংখ্যক বীজাণু অহাৰ বাটত বহুতো প্ৰতিবন্ধক পৰে।

গাখীৰত বীজাণুৰ বংশ-বৃদ্ধিৰ কাৰণে, উদ্‌জান (hydorgen), অম্লজান (oxygen), যৱক্ষাৰজান (nitrogen) আদি বীজাণুৰ সকলো আহাৰ আছে। তাৰ উপৰি গাখীৰ জুলীয়া। গতিকে বীজাণুৰ কাৰণে উপযুক্ত আহাৰ। এই কাৰণেই গাখীৰ সোনকালে নষ্ট হয়। কিন্তু এই বীজাণুৰ হাতৰপৰা আঁতৰাই ৰাখিব পাৰিলে গাখীৰ দিনকৈয়ে নহয় বছৰ হিচাবে ৰাখিব পৰা হব।

বীজাণু শাসন কৰাৰ দুটা উপায় আছে। এটা হৈছে কোনো ৰক্ষণশীল (preservative) পদাৰ্থ সংযোগ কৰি বীজাণু ধ্বংস কৰা। আৰু আনটো হৈছে উত্তাপৰ হ্ৰাস বা বৃদ্ধি কৰি বীজাণুক ধ্বংস কৰা নাইবা বংশ বৃদ্ধি কৰাৰপৰা বিৰত ৰখা। প্ৰথম উপায় বীজাণুৰ কাৰণে যেনে অনিষ্টকৰ, মানুহৰ কাৰণেও তেনে বিপদ-সঙ্কুল। পাছৰ উপায়েই আজি বৈজ্ঞানিক-সকলৰ দ্বাৰা সৰ্ব্বতোভাৱে মনোনীত হৈছে।

উত্তাপৰ হ্ৰাস কৰিলে বীজাণুবিলাক কাৰ্য্য-শক্তি-ৰহিত হয়। উত্তাপৰ বৃদ্ধি কৰিলে সিহঁত মৰি যায়। হ্ৰাস আৰু বৃদ্ধিৰ মাজ সীমাতেই সিহঁতৰ মহা-সমাৰোহে বংশ বৃদ্ধি হয়।

অতি উত্তাপত বীজাণুবোৰ ধ্বংস হয়। এই উত্তাপ ১৪৫° ডিগ্ৰীৰ ওপৰ হব লাগিব। মমলীয়া গৰমত ৮০°ৰ পৰা ১০০° ভিতৰত সিহঁতে বাঢ়িবলৈ উত্তম সুবিধা পায়। ৫০° ডিগ্ৰীৰ তলত সিহঁতৰ বৃদ্ধিৰ হাৰ বহুত কমে। গোট মৰা ঠাণ্ডাত (৩৪° ডিগ্ৰীৰ তলত) সিহঁতৰ বৃদ্ধিয়েই নহয়।

এই কাৰণে ৫০° ডিগ্ৰীৰ তলত গাখীৰ ৰাখিলে সেই গাখীৰ দৈ মাৰিবলৈ ২০০ ঘণ্টা অৰ্থাৎ ৮ দিন ৮ ঘণ্টা লাগিব। ৬৮° ডিগ্ৰিত ৰখা গাখীৰ ৪০ ঘণ্টা অৰ্থাৎ ১ দিন ১৬ ঘণ্টাৰ মূৰতে দৈ মৰা পোৱা যাব।

এতিয়া দেখা গ'ল, সময় আৰু উত্তাপ বীজাণুৰ বৃদ্ধিৰ কাৰণে বৰ আৱশ্যকীয়। অধিক সময় আৰু অধিক উত্তাপ হলে বীজাণুৰ সংখ্যাও বাঢ়ি অধিক হয়। এটা বীজাণুৰপৰা এটা ফাটি ২ টা হবলৈ ২০ মিনিট সময় লাগে, এই অনুপাতে এঘণ্টাত এটা বীজাণু ৮টাত পৰিণত হয়। আৰু সেই এটাৰে ৪ ঘণ্টাৰ পাছত ৪০৯৬ টা পো-পোৱালী, নাতী নাতিনী হয়।

বীজাণুবিলাকৰ গঢ় আৰু প্ৰকৃতি আদি লৈ অনেক জাতিত ভাগ কৰা হৈছে। গাখীৰত সৰ্ব্ব সাধাৰণতে lactic acid bacteria বেছি পৰিমাণে পোৱা যায়। এই বিধ বীজাণুৱে গাখীৰ দৈ মৰায়। ইহঁতৰ সংখ্যা বেছি থকাৰ কাৰণে অনেক সময়ত আন আন মানুহৰ অপকাৰী বীজাণুৱে উন্নতি কৰিব নোৱাৰে। বীজাণুবিলাকে গাখীৰত বা আন খোৱা বস্তুত enzymes নামেৰে এবিধ পদাৰ্থ উৎপন্ন কৰে। এই পদাৰ্থবিলাকে বস্তুবিলাকৰ ৰাসায়নিক মূলবিলাকৰ সংমিশ্ৰণৰ পৰিবৰ্ত্তন ঘটায়। কিছুমান enzymes এ আহাৰ হজম কৰাত সহায়ো কৰে।

সৰ্ব্ব-সাধাৰণতে আমি দেখোঁ গৰম-কালিতকৈ জাৰকালি গাখীৰ সৰহপৰ এৰাঁ হৈ থাকে। গৰম-কালি দিনটোত গাখীৰ দুইবাৰ তিনিবাৰ গৰম কৰিও পাছদিনা পুৱা সেই গাখীৰে অনেক সময়ত আমাক বিমুখ কৰা ঘটনা বৰ বিৰল নহয়। ইয়াৰ মূল কাৰণ হৈছে বায়ু-মণ্ডলীৰ উত্তাপ আৰু সেই অনু-



সৰি বীজাণুৰ হ্ৰাস-বৃদ্ধি। ওপৰত কৈ আহিছোঁ গৰুৰ ওহাৰৰপৰা লোৱা গাখীৰো বীজাণু ৰহিত হব নোৱাৰে। সেই গাখীৰ যদি আমি খীৰাই আনিয়ে খুব ঠাণ্ডা ঠাইত ৰাখি থওঁ, সি সেছিপৰ এৰাঁ হৈ থাকিব হয়, কিন্তু তাৰ ভিতৰত থকা বীজাণুবোৰ জীয়াই থাকিল যিবোৰে খোৱাৰ পাছত মানুহৰ মহা অপকাৰ কৰিব পাৰে। আনপিনে গাখীৰ গৰম কৰি থৈ দিলেও বায়ু-মণ্ডলীৰ সৰ্ব্বসাধাৰণ উত্তাপে বতাহত উৰি-ফুৰা বীজাণুক গাখীৰত পুনৰ বংশ-বৃদ্ধি কৰিবলৈ সুযোগ দিয়ে। এই কাৰণে ফৰাচী বৈজ্ঞানিক লুইপাছ্‌টিৰৰ আবিষ্কৃত "পাছ-টিৰিশ্যন" (pasteurization) প্ৰণালীৰে গোটেই ইউৰোপ, আমেৰিকা আদি ঠাইত আৰু ভাৰতৰো ডাঙৰ ডাঙৰ চহৰবিলাকত গাখীৰ বিশুদ্ধ কৰি ব্যৱহাৰ কৰিবলৈ ধৰিছে। 'পাছটিৰিজেশ্যন' প্ৰণালীৰে বিশুদ্ধ কৰা গাখীৰ সম্পূৰ্ণ নিৰাপদ বুলি আজিকালি বৈজ্ঞানিক-সকলে মত দিছে।

ভাৰতবৰ্ষত গাখীৰ উতলায় গাখীৰৰ বীজাণু ধ্বংস কৰি গাখীৰ খাবৰ উপযোগী কৰাৰ নিয়ম বহুত দিনৰে পৰা চলি আহিছে। এই উতলোৱা গাখীৰৰ ৰাসায়নিক বাহ্যিক পৰিবৰ্ত্তন নি হয়েই, তাৰ উপৰি গাখীৰৰ মূল বস্তু ভিটামিনৰ ধ্বংস হয়। এই কাৰণে উতলোৱা গাখীৰ বিজ্ঞানসন্মত আহাৰ হব নোৱাৰে।

পাছটিৰিজেশ্যন প্ৰণালীৰে গাখীৰৰ কেনেকৈ বিশুদ্ধ কৰা হয় তাক পাছত বিশদভাৱে দেখুৱা হব।

পাছটিৰিজেশ্যনত গাখীৰ গৰম কৰি বীজাণু ধ্বংস কৰা হয়, আৰু গৰম কৰাৰ পাছতে ততালিকে ঠাণ্ডা কৰি সেই ধ্বংস কৰা বীজাণুক কোনো ৰকমে পুনৰোদ্ভৱ হবপৰা সুবিধা নিদিয়াকৈ ৰখা হয়। এই উদ্দেশ্যে গাখীৰ ১৪৫° উত্তাপত আধা ঘণ্টাকাল তপতাই তৎক্ষণাত ৪৫°ৰপৰা ৫০° উত্তাপলৈ ঠাণ্ডা কৰা হয়। ইয়াৰপৰা তলত কি উপকাৰ হয় চাওক—

১৪৫° লৈ তপতোৱা গাখীৰৰ সোৱাদ কেঁচা গাখী-ৰৰ দৰেই মুখৰোচক। পোৱা বা পগোৱা সোৱাদ বা গোন্ধ সেই গাখীৰত নেথাকে। অথচ আধা ঘণ্টাধৰি তপতোৱাৰ কাৰণে ই উতলোৱা গাখীৰৰ দৰেই মাৰাত্মক বীজাণু ৰহিত হল। তদুপৰি উতলোৱা গাখীৰৰ দৰে এই গাখীৰৰ ভিটামিন নষ্ট নহল।

৪৫°—৫০°লৈ তৎক্ষণাত ঠাণ্ডা কৰাৰ কাৰণে ১৪৫°ৰ পৰা ৪৫°—৫০°ৰ ভিতৰত থকা বীজাণুৰ উপযোগী উত্তাপত আধামৰা আধাজীয়া হৈ থকা বীজাণুবিলাকক ঠন ধৰিবলৈ সুবিধা দিয়া নহল; বৰঞ্চ এনে আকস্মিক পৰিবৰ্ত্তনেৰে সিহঁতক নিৰ্ম্মূল কৰা হল। উতলাওঁতে যিবা অলপ পগোৱা পগোৱা গোন্ধ (cooked flavour) হৈছিল তাকো এনে ভাৱে ঠাণ্ডা কৰি গুচোৱা হয়। ঠাণ্ডা কৰি গাখীৰ এই ঠাণ্ডাতে ৰাখিবলৈ চেষ্টা কৰিব লাগে। তেনেহলে গাখীৰ বহুত সময় কাচি নমৰাকৈ থাকে।

পাছটিৰিজেশ্যন আৰু ভিটামিন সংক্ৰান্ত বিজ্ঞানাগাৰৰ পৰীক্ষাত সিদ্ধান্ত হৈছে যে ওপৰত কৈ অহা নিয়মে যি গাখীৰ সংশোধন হয়, সেই গাখীৰৰ "ক, "খ" ভিটামিন অটুট থাকে। কেৱল, "গ" ভিটামিন নষ্ট হয়। কাৰণ "গ" ভিটামিন ১২২° উত্তাপত নষ্ট হয়। কেচুৱা-লৰা-ছোৱালীক সেই কাৰণে এই (pasteurized) গাখীৰ খুৱালে বিলাহি বেঙেনাৰ বা সুমথিৰা টেঙাৰ ৰস কেইফোঁটামান এই গাখীৰত দি লব লাগে।

পাছ্‌টিৰিজেশ্যনত সকলো বিধৰ বীজাণুৰ সম্পূৰ্ণ নিৰ্ম্মূল নহয়, কাৰণ সকলো বিধৰ বীজাণুৰ সম্পূৰ্ণ নিৰ্ম্মূল-সাধনৰ কাৰণে ১৪৫° উত্তাপ যথেষ্ট নহয়। পাছ্‌টিৰিজেশ্যনত গাখীৰৰ ৰাসায়নিক আৰু ভৌতিক গুণ আৰু ভিটামিন আদি খাদ্য-প্ৰাণৰ কাৰণে বিশেষ দৃষ্টি ৰখা হয়। পাছ্‌টিৰিজেশ্যনৰ বিশেষ লক্ষ মাৰাত্মক বীজাণু। সকলো-বিধৰ বীজাণু ধ্বংস কৰি সেই গাখীৰত কোনো ৰকমে বতাহ সোমাবলৈ নিদি পুনৰ বীজাণু সোমোৱা বাট বন্ধ কৰি ৰাখিব পাৰিলে সেই গাখীৰ অনিৰ্দ্দিষ্ট সময় ৰাখিব পাৰি বুলি বৈজ্ঞানিকসকলে দাবী কৰিছে। এনে ভাৱে সকলো ৰকমৰ বীজাণু-ৰহিত কৰা প্ৰণালীক sterilisation বোলা হয়। মই পঞ্জাবৰ কৰ্ণাল

চহৰত ডেৰ-বছৰীয়া পুৰণা sterilized গাখীৰ খাই আহিছোঁ। অধ্যাপকসকলৰ মুখত ৭.৮ বছৰীয়া গাখীৰৰ কথাও শুনিছিলোঁ। sterilized গাখীৰ পঞ্জাবৰ পৰা কলিকতাত বিক্ৰী কৰিবলৈ পঠোৱা হৈছিল। যিবিলাক টিনত কোনো ৰকম চকুৰে মনিব নোৱাৰা বিন্ধাৰে গৈ বতাহ সোমাবলৈ দিছিল, সেই বিলাক টিনৰ গাখীৰ হে ডেৰ বছৰৰ মূৰত বেয়া হোৱা পোৱা গৈছিল। এই গাখীৰৰ সোৱাদ horlicks গাখীৰৰ বৰণ প্ৰায় বঙচুৱা। এই প্ৰণালীৰে সংশোধন কৰা গাখীৰৰ 'খ' আৰু 'গ' ভিটামিন একেবাৰে নষ্ট হয়। 'ক' ভিটামিনো বহুত ক্ষুণ্ণ হয়। এই প্ৰণালীৰ বিষয়েও সময়ত বহলায় আলোচনা কৰিম।

ইয়াৰ বাহিৰেও গাখীৰৰ বেলেগ বেলেগ উপাদান-বিলাক পৃথক কৰি গাখীৰৰ গুৰি তৈয়াৰি কৰিও গাখীৰ সাঁচি থোৱা হয়। সেইবিলাক পুনৰ লগ-লগায় আৱশ্যক মতে গাখীৰ কৰা হয়। এনে বিধৰ গাখীৰক synthetic milk বোলে। ইয়াৰ কাৰণে iron cow নামে এটা যন্ত্ৰ ব্যৱহাৰ কৰা হয়। ইয়াত ১০০° উত্তাপত পানী তপতাই, সেই পানীত গুৰি গাখীৰ (চেনি, চৰ্ব্বি আৰু পানী কাটি নি গুৰি কৰি ৰখা গাখীৰৰ আন আন উপাদান) মিহলোৱা হয়। তাৰ পাছত চেনি দিয়া হয়। চেনিৰ পাছতে চৰ্ব্বি দিয়া হয়। চৰ্ব্বি মিহলায় ১ ঘণ্টা যন্ত্ৰ চলোৱাৰ পাছত সেই মিহলি গাখীৰৰ homogeniser বোলা যন্ত্ৰ এটাৰ সহায়েৰে চৰ্ব্বিৰ কণিকাবোৰ পানীৰ লগত সুন্দৰ ভাবে মিহলি কৰা হয়। এই গাখীৰ দেখিবলৈ খাঁটি গাখীৰৰ দৰেই। সোৱাদ গ্লাক্স' বা মেলিনছ দুগ্ধৰ নিচিনা।

(আগলৈ)

শ্ৰীগানেশ্বৰ হাজৰিকা

---

# মোৰ মাতৃমুখ দৰ্শন

দেৰকুৰি কি ছকুৰি বছৰৰ মূৰত এইবাৰ মোৰ মাতৃমুখ দৰ্শন ঘটিল। ইমান বছৰ মই মোৰ জীৱনটো বাহিৰে বাহিৰে কটায়েই বুঢ়া কৰিলো। কাৰ্য্যটো নিশ্চয় আপচু। কিন্তু কিয় যে তেনে হৈছিল, তাৰ সন্তোষজনক কৈফিয়ৎ মই দিব নোৱাৰো। মহাপুৰুষৰ কীৰ্ত্তনঘোষাত আছে,—

"নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাগোট মোৰ ভৈল মহাভাৰ॥"

ইত্যাদি পদবোৰো মোৰ বিষয়ে খটাই চলাই দিব পাৰি; মাথোন "মাধৱৰ" ঠাইত মাতৃ শব্দটো বহুৱাই দিলেই হব। সিদিনা শিৱসাগৰত বহা এখন সভাত মোৰ ডেকা বন্ধু এজনে মোৰ এনে আচৰণৰ বিষয়ে কাৰণ এটা দিছিল;—মই হেনো গপ বা ওফোন্দ পাতিহে এনে কৰি আছিলো। মই অৱশ্যে তেওঁক তেতিয়াই কৈ দিবলৈ নহল, যে "ৰামচন্দ্ৰ! সেইবোৰ একো নহয় দেওহে! গপো নহয়, ওফোন্দো নহয়। হয় যদি ই এটা শাওপাতহে।" শাওপাতত পৰিলে মানুহে পানীত এডিঙিলৈকে নামিও পিয়াহত শুকাই মৰে। মহাত্মা কবীৰে কৈছিল,—

"পানীমে মীন পিয়াসী।
মোক শুনত শুনত লাগে হাসি॥"

শাওপাত-শনিপাতে পোৱা ছটা প্ৰাণীয়ে নৈখনৰ ইপাৰে এটা আৰু সিপাৰে আনটো থাকি একেলগ হবলৈ নাপাই, ওৰেৰাতি চিঞঁৰি কান্দি মৰে। এনেকুৱা শাওপাততে পৰিয়েই একঠা মাটিৰ নিমিত্তে ছইভায়ে কিলাকিলি মৰামৰি গোচৰ ফৰিয়াদ কৰি সৰ্ব্বস্বান্ত হৈ মৰে, তথাপি আপোচে মিতমাত কৰি মিলিজুলি পৈতৃক সম্পত্তি খাইমেলি থাকিব নোৱাৰে। এনে শাওপাতৰ নিমিত্তেই দুৰ্য্যোধনে পাঁচ পাণ্ডৱক পাঁচখন গাওঁ দিয়ক ছাৰি বেজীৰ আগটোৱে ঢাকিব পৰা মাটিকণ পৰ্য্যন্ত দিও বুলি যুঁজ কৰি মৰিল। শাওপাত বা "খোদাৰ গজপত" পৰি ছইভাই হিন্দু মুছলমানে ফুটুকাৰ ফেন সোপা বা নকটা-খেৰৰ নল-মুঠিৰ ভাগ বিচাৰি, মিছাতে দন্দহাই কটাকটি কৰি মৰি লোকৰ হাঁহিয়াতৰ পাত্ৰ হব লাগিছে, তথাপি তেওঁলোকৰ গালৈ চেতন অহা নাই। মথুৰা আৰু বৃন্দাবনৰ মাজত ব্যৱধান ছমাইল কি দহ মাইল। বিধিৰ এনে বিধানতে পৰিয়েই বৃন্দাবনচন্দ্ৰই এই কেৰাকে ডেই মথুৰাৰপৰা গৈ বৃন্দাবনত মাক বাপেক আৰু গোপীসকলক দেখা দিব পৰা নাছিল। সাতোৱা বিশ্বাত পানীৰ পোক যেন একোজন নিয়তিৰ হাতত পৰি একাঠু পানীত পৰি বুৰি মৰে। বিধিলিপি আগ্ৰহ কৰিব নোৱাৰিয়েই অমুক লক্ষপতিয়ে ধনখৰচৰ ভয়ত লঘোনে থাকি আঠুমুৰীয়া চুৰিয়া পিন্ধি জীৱন কটায়। এনে শাওপাতৰ পাকত পৰিয়েই অমুক মাৰোৱাৰী মহাজনে ডাক্তৰক "ভিজিট" দিবৰ ভয়ত, ধন আৰু লোটেৰে খুন্দাখুন্দাই থকা লোৰ পেৰাৰ সচাৰ কাঠীটো নিজৰ গাৰুৰ তলত থৈ ডাক্তৰক নামাতি লেকেটীয়া নৰীয়াত ভুগি মৰি যায়; আৰু এনে গঢ়ৰ শাওপাতত পৰিয়েই ছশকণ দৰ্ম্মহা পোৱা অমুক চৰ্জ্জে খৰচৰ ভয়ত, জাৰকালি মাথোন ফটা কঁথা এখন গাত মেৰিয়াই লৈয়েই চালপীৰাত বহি জজ্ মেণ্ট লেখি জীৱন কটায়। সেইদেখি মুঠতে কওঁ যে মোৰ এই কাৰ্য্য গপ, অহঙ্কাৰ অভিমান বা ওফোন্দৰ শাৰীৰ নহয় ই বিধিৰ বিতং বিধান · অদৃষ্টৰ ফল; বলৱন্ত নিয়তিৰ নিয়মিত। ৰাৱণে কৰিবলৈ পাতি থোৱা স্বৰ্গৰ জখলাটো কৰিব নোৱাৰিলে, লোণ সাগৰখন সিঁচি পেলাই, লঙ্কাৰ চাৰিওফালে গাখীৰৰ সাগৰখন বোৱাই আনিব নোৱাৰিলে, ঠিক এনেকুৱা দৈৱৰ বলতেই।

কোনো মানুহক সবাহলৈ নিমন্ত্ৰণ কৰা আৰু তাক টেকেলা লগাই ধৰাই লৈ যোৱা, এই ছটাৰ ভিতৰত প্ৰভেদ বিস্তৰ। নিমন্ত্ৰণ পাওঁতাজনৰ সবাহলৈ যাবৰ মন থাকিলেও, আৰু সবাহত তেওঁৰ অপাৰ আনন্দ লাভৰ সম্পূৰ্ণ আগন্তুক থাকিলেও, অনেক সময়ত এলাহ, ভাগৰ, খেৰোগেৰো ইত্যাদি এল-এটা মনে-গঢ়া আহুকাল তাৰ ভিতৰত সোমাই সেইবোৰে জুমুৰি দি ধৰি গোটেইখন খেলিমেলি লগাই তাত ব্যাঘাত জন্মায়। কিন্তু তেওঁক ধৰি লৈ যাবলৈ অহা টেকেলাৰ লাখুটিৰ আগত সেই মকৰাজালবোৰ আৰু থাকিব নোৱাৰে। যাম, যোৱাটো উচিত, গলে ভাল, নোযোৱাটো বেয়া, ইত্যাদিবোৰ যদিও ধুন-পেচ মৰা গাভৰুৰ দৰৰ দৰে তথাপি হামি, হেকেটি, ভাগৰ, খৰচৰ ভয় প্ৰভৃতি নিগনি শলিয়া বিছা, চেলা, পইতাচোৰাৰ হঠাৎ তেওঁলোকৰ আগত আবিৰ্ভাৱ হলে, সেই দলটি সম্ভৱতঃ ছেদেলি-ভেদেলি হব। "আহিবই লাগিব, এৰণ নাই" এইমাৰ "আহক, অহা উচিততকৈ" নিশ্চয় বলী। মাতৃভূমিয়ে এই চিৰ প্ৰৱসুৱাক সদায় মাতি আছিল, কিন্তু সেই মতা বাজহুৱা ডাক। এই ডাক যদিও বিৰাট তথাপি সি নিৰ্দ্দিষ্ট আকৃতি গ্ৰহণ কৰি মোৰ আগত দেখা দিয়া নাছিল দেখি তাৰ শক্তি মোৰ পক্ষে বিক্ষিপ্ত আৰু দুৰ্ব্বল হৈ আছিল। বিষ্ণু সৰ্ব্বব্যাপী সৰ্ব্বস্থিতা ব্যাপ্ত অৱস্থাত এই বিভুৰ শক্তি যদিও বিৰাট মহান, তথাপি সৰ্ব্বসাধাৰণ বিষয়ী সংসাৰীৰ পক্ষে সি ক্ষীণ। কিন্তু যেতিয়া তেওঁ ভক্তৰ আহ্বানত নিৰ্দ্দিষ্ট মূৰ্ত্তি পৰিগ্ৰহ কৰি বাহিৰ হয়, তেতিয়া সি ঘোৰ নৰসিংহৰূপী;—হিৰণ্যকশিপুৰ কাল-স্তক আৰু প্ৰহ্লাদৰ প্ৰশান্ত পুৰুষ তেতিয়া সেই শক্তি অগ্ৰাহ্য অমান্তৰ স্ফটিকৰ স্তম্ভৰ বাহিৰত। মাতৃৰ ব্যাপ্ত অশৰীৰী ডাকে যেতিয়া মূৰ্ত্তি পৰিগ্ৰহ কৰি বাজ হল, তেতিয়া আৰু এই অধম সন্তানৰ মূৰ তেওঁৰ চৰণত ভক্তি গদ্গদভাৱে স্বভাৱতে নত হৈ পৰিল। তেতিয়া এলাহ, অমনযোগ, শৈথিল্য, সকলোবোৰ, নৃসিংহৰ আগত দৈত্যেন্দ্ৰৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ পৰিল।

"নেদেখিয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে।
লুকাই পতঙ্গ যেন অগণিত জাসে॥"

দুৰ্গাপূজাৰ বন্ধত ৰেল কোম্পানীয়ে যাত্ৰীক ভেৰোণৰ সুবিধা কৰি দিয়া সুবিধাকে লৈ ১৮৩০ শৃষ্টাব্দৰ ১৯ ছেপ্টেম্বৰত আসামলৈ বুলি যাত্ৰা কৰি আমি সম্বলপুৰ এৰিলো। লগত মোৰ সহধৰ্ম্মিণী আৰু সৰুটী কন্যা। মানুহৰ মুখে মুখে প্ৰচলিত একাষাৰ সংস্কৃত শ্লোক আছে

যে "পথে নাৰী বিবৰ্জ্জিতা।" কব নোৱাৰো সেই শ্লোক কোনে কৰিছিল। মই কিন্তু তাৰ অনুশাসন মানি নচলো। নিশ্চয় শ্লোক কৰোতাই তিৰুতাক গলগ্ৰহ ভাবি সেই শ্লোক ৰচনা কৰিছিল। হব পাৰে, নানা কাৰণত শ্লোক ৰচকৰ তেনে অৱস্থাত দুৰৱস্থা ঘটিছিল। সেইদেখি শ্লোকৰচক পুৰুষৰ হে যোগ্য, খণ্ডৰ নহয়। মই কওঁ মোৰ বহুদৰ্শনত 'পথে নাৰী বিবৰ্জ্জিতা" নহয় সম্পূৰ্ণতাহে। বয় বস্তু দেখা শুনা, লাগিলে ৰেলৰ টিকিট পৰ্য্যন্ত কিনা, ঘণ্টায় ঘণ্টায় ফলটো, পিঠাখন, চাহপানীটোপা যতনাই খুৱাই বাটৰ ভোকক ৰেলৰ খোটালিৰ ভিতৰৰপৰা গতিয়াই উলিয়াই দিয়া, শুবলৈ পাটীখন পাৰি দিয়া, গাৰুটো মূৰৰ তলত গুজি দিয়া, আৱশ্যক হলে বিছনীৰে মূৰৰ ওপৰত বিছি ঘামৰ কণ-কঠীয়া মৰা, ইত্যাদি এশ-এটা সৰু-বৰ কাম ৰেলৰ পথত আমাৰ তেওঁৰ দ্বাৰাই সুসম্পাদিত হৈ যাত্ৰা সুখাতি-সুখকৰ মোৰ পক্ষে সদায় হয়। সেইদেখি মই কবলৈ বাধ্য যে মোৰ পক্ষে নাৰী পথত যে গলগ্ৰহ নহয়েই বৰং গলৰ মালা হে হৈ পৰে, আৰু কবিতা কৰি কলে, সিয়ো মালতীৰ মালা।

বি, এন, আৰ অৰ্থাৎ বেঙ্গল-নাগপুৰ ৰেলৰ ঝাৰ-সোগোড়া জংশ্যন সম্বলপুৰৰপৰা ৩১ মাইল দূৰত। গধূলি চাৰে পাঁচ বজাত সম্বলপুৰৰ ৰেলত উঠি ডেৰঘণ্টাৰ মূৰত ঝাৰসোগোড়া পোৱাগৈ যায়। তাত সাৰে-সাত বজাত কলিকতাৰ ফালে যোৱা বোম্বাই-মেইল গাড়ীত উঠিব লাগে। কিন্তু সেইদিনা আমাৰ কপালত দুৰ্গতি লেখা আছিল; গতিকে ডাক-গাড়ীৰে সৈতে আমাৰ বাহি নাছিল। আমি ঝাৰসোগোড়া পোৱাৰ আগতে বোম্বাই-মেলে আমাৰ বুকুত বিৰহৰ অগণি জ্বালি দি গুচি গল। ডাকগাড়ী হেৰুৱাই আমি না-জল না-স্থলত পৰিলোঁ। আমাৰ সম্বলপুৰৰ গাড়ীয়ে যে পলম কৰি আহি মেইল ধৰিব নোৱাৰিলে, তাকে গুণি-গাঁথি আমাৰ বিলাই-বিপত্তিৰ কাৰণে সম্বলপুৰৰ গাড়ীক পাৰোমানে গালিপাৰি ঝাৰসোগোড়া ষ্টেশ্যনতে বহি আছোঁহঁক, এনেতে কোনোবাই কলে যে ৰাতি দুই কি তিনিমান বজাত এখন পেছেঞ্জৰ গাড়ী ঝাৰসোগোড়াৰপৰা কলিকতালৈ যায়, সেইখনতে আমাৰ যোৱা উচিত। নিৰূপায় হৈ, টোপনি খতি কৰি, খাপ দি সেই পেছেঞ্জাৰ গাড়ী-খনতে উঠিলোঁহঁক। ফলত, ৰাতিৰ বাকী-ডোখৰ আৰু পিছ-দিনাৰ গোটেইটো দিন, সেই চেকেৰ্ চেকেৰ্ পেছেঞ্জৰ গাড়ীতে খপি কুৰি ঘণ্টাৰ বাটি আঠমান বজাত কলিকতা পালোগৈ। বাটত আমাৰ অনাহাৰ বুলিলেও, সৰহকৈ বঢ়াই কোৱা নহয়। যাওঁতে মনত খেলাইছিল যে হিচাপৰ বহীত ইমান বছৰৰ বাকী পৰি থকা আউসী, একাদশীবোৰে সিহঁতৰ পাওনা ওচোৰ কৰিবলৈ, যেন হাতত বাম্টাঙোন লৈ কাবুলীৰ দৰে আমাৰ গাড়ীৰ খোটালিৰ দুৱাৰমুখত থিয় হৈ আছে; আৰু লাগুটিৰ আগৰে বাকী পাওনা আদায় কৰি লৈ হে উভতি যাব। আচলতে, সেইগাড়ীত মাথোন ৰাতিটো গৈ পুৱাই কলিকতা পামগৈ বুলি আমি লগত খাবলৈ প্ৰায় একোকে নিয়া নাছিলো। প্ৰায় এইবাৰে বুজিছোঁ, যে দিনৌ চাৰি সাঁজকৈ খাই বৰ-অভ্যাসত পৰা আমাৰ লগত যি আছিল, সি নিঃ+ৰস সন্ধিৰ "ৰ"ৰ আগৰপৰা বিসৰ্গ লোপ হৈ নীৰস হোৱাৰ দৰে এনাংতে নীৰস হৈ লুপ্ত হৈ গল। পেছেঞ্জৰ গাড়ীত "ডাইনিং কাৰ" নাথাকে। বাটৰ দুঠাইত এঠাইত যি "ৰিফ্ৰেছ্মেণ্ট ৰুম" আছে, সেইবোৰে পেছেঞ্জৰ গাড়ীৰ অধীনতা স্বীকাৰ নকৰে। তথাপি গাৰ্ডক কৈ খৰগপুৰ আৰু চক্ৰধৰপুৰৰ ৰিফ্ৰেছ্মেণ্ট ৰুমৰ মেনেজৰলৈ মই টেলিগ্ৰাফ কৰালো, যাতে আমালৈ অলপ আহাৰৰ আয়োজন কৰি থয়। কিন্তু ক'ৰ টেলিগ্ৰাম কলৈ উৰি গল, তাৰ কৰ্ত্তা কৰ্ম্ম কৰণ অধিকৰণ সকলোহে জানে; সেই দুই ঠাইতে ৰিফ্ৰেছ্মেণ্ট ৰুমৰ মেনেজৰে আমালৈ একো আয়োজনকে নকৰি, টেলিগ্ৰাফ নাই পোৱা বুলি কৈ গা সাৰিলে; যদিও আমি আমাৰ পেটৰ ভোকক তেনেকৈ কিবা এটা কৈফিয়ৎ দি গা সাৰিব নোৱাৰিলোঁহঁক। কুটা নাৰত চিৰ্চিৰ্কৈ পানী সোমোৱাদি ওৰে দিনটো আমাৰ পেটত ভোকে চিৰ্চিৰাই আছিল। নাৰৱীয়াই নাৱৰ



কুটাত ফটাকানিৰ সোপা দিয়াদি, ষ্টেশ্যনত বিক্ৰি কৰা কচুৰি শিঙৰা এসোপাকে কিনি লৈ আমি যদিও ভোকৰ কুটাত সোপা দিবলৈ ধৰিলো, কিন্তু গাখীৰৰ হেঁপাহ খোলে কেনেকৈ পলুৱায়? তেনে অৱস্থাৰেই ভোকত লেকাত লাগি গৈ আমি ৰাতি কলিকতা পালোগৈ। ঘ'ত উঠিলোগৈ, তাত লৰালৰিকৈ ভাত আৰু মাছৰ আঞ্জা বন্ধাই খাই পেটক প্ৰবোধ দি সেই ৰাতিৰ নিমিত্তে শুই থাকিলোঁহঁক। কবলৈ পাহৰিছোঁ যে, বাটত আমাৰ অশান্তি বাহিৰে ভিতৰে সমানে চলিছিল। মগনিয়াৰে বাটৰ একালৰপৰা আৰম্ভ কৰি ঘৰে ঘৰে মাগি পইচা বুটলি ফুৰাদি পেছেঞ্জৰ গাড়ী প্ৰায় সকলো ষ্টেশ্যনতে বৈ বৈ যাত্ৰী বুটলি ফুৰে। আমি ঝাৰ-সোগোড়াৰপৰা যাওঁতে আমাৰ দ্বিতীয় শ্ৰেণীৰ খোটালিত আন কোনো নাছিল। কিন্তু লাহে লাহে আমাৰ গাড়ীখনে দুজন-এজনকৈ যাত্ৰী বুটলি আমাৰ খোটালি ভৰাই পেলালে। এটাইতকৈ আহকালৰ কথা হৈছিল, বাটৰ এটা ষ্টেশ্যনত। উঠা নোৱৰা বৰ নৰিয়া পৰা লৰা এটাক মাক বাপেকে কোলাত লৈ, দুটা-তিনটা মানুহেৰে সৈতে আমাৰ খোটালিত সোমালহি। লৰা-টোক কলিকতাত চিকিৎসা কৰাবলৈ লৈ গৈছিল। তেওঁলোক সোমায়েই খোটালিটোৰ খিলিকি দুৱাৰবোৰ মাৰি দিলে,—নৰীয়াৰ গাত চেচা বতাহ লাগে বুলি। ফলত, যাত্ৰীৰে থূন্দ খোৱা খোটালিটো চিৰাজদ্দৌলাৰ অন্ধকূপ (Black hole) যেন হল। ভদ্ৰতা আৰু পৰহিতৰ অনুৰোধত আমি সেই জুলুম নীৰৱে সহিব লগীয়াত পৰিছিলোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# দুখনি চিঠি

[ শ্ৰীহেমচন্দ্ৰ বৰুৱা ]

মানুহে নিজৰ প্ৰয়োজনৰ, নিজৰ দাবিৰ ভিতৰেদি নিজক প্ৰকাশ নকৰে। মানুহে নিজক প্ৰকাশ কৰে ত্যাগৰ দ্বাৰা; কিন্তু এই ত্যাগ পুৰিভোজী, গাঁজাখোৰ, গাত ছাই ভস্ম সনা সন্ন্যাসীৰ ত্যাগ নহয়। এই ত্যাগ হৈছে সাধকৰ, প্ৰকৃত সন্ন্যাসীৰ। এই ত্যাগৰ ভিতৰত সৃষ্টি। যি শক্তি আছে সেই শক্তিয়েই মানুহৰ ঘৰক, মানুহৰ সমাজক, মানুহৰ সভ্যতাক ঠন ধৰাই তুলিছে। তলত দিয়া চিঠি খনৰ ভাঙনীয়েই ত্যাগৰ অপৰিসীম শক্তিৰ আভাস দিব।

(১)

বন্ধু!

আশাহীন যৌৱনৰ নিৰানন্দ স্মৃতিৰ মেটমৰা ভাৰখন থস্কেকলৈ নমাই থব পাৰো বুলিয়েই তোমালৈ এই চিঠিখন লেখিছোঁ। মই তোমাক কাবৌকৰি মাতিছোঁ চিঠিখনৰ কথাখিনি যেন কাৰো আগত নোকোৱা—ই মোৰ অন্তৰৰ কথা। এজনী তিৰোতাত বাজে দ্বিতীয় জনে এই বিষয়ে একোকে নাজানে। চিঠি পঢ়ি আকৌ তুমি মাত্ৰ মোৰ অনন্ত নিৰ্য্যাতনৰ কথা জানিব পাৰিবা। আশা কৰো এই ব্যথিতৰ-মৰ্ম্মবেদনাক শ্ৰদ্ধাৰ চকুৰে চাবা।

তিৰোতাজনীৰপৰা বিদায়লৈ ৯ জুলাইৰ দিনা মই গোৱালটিৰাই নগৰৰপৰা খোজ ললো। সেইদিনা বুধবাৰ। পাৰ্মাৰ্পৰা মিলান, মিলানৰপৰা চায়ছোলৈ আহোতে লোক ভোকে পিয়াহে জলাকলা কৰিলে। চায়ছোত উপস্থিত হৈ এখন বাতৰিকাকত হাতত লৈ ওপৰে ওপৰে চকু ফুৰাওঁতে হঠাৎ চকুত পৰিল যে ৰাজদ্ৰোহ অপৰাধত মোৰ পিতা বন্দী হৈছে। মন বৰ চঞ্চল হৈ উঠিল। এবাৰ ভাবিলো, ঘৰলৈ উলটি যাওঁ; কিন্তু জীৱনৰ বাটত ইমানদূৰ বাটকুৰি বাই আহি আকৌ উলটিবলৈ মনে যোক নকলে।

টকা থোৱা থুপুপাকৰ তলি উদং কৰি এখন টিকট কিনি লোকাৰ্ণোলৈ যোৱা ৰেলত

উঠিলো। খিড়িকীৰ ওচৰত থিয় দি বাহিৰৰ ফালে চাবলৈ ধৰিলো। তেতিয়া ৰাতি হবলৈ ধৰিছে আৰু সেই ৰাতিয়ে যেন মোৰ ভোকৰ ৰঙৰ লগতে ৰঙ চৰাই এক অপূৰ্ব্ব মূৰ্ত্তি ধৰি আহিছে। দূৰৰ পৰ্ব্বতৰ টিঙত থকা বৰফৰ ওপৰত আকাশৰপৰা জোনে পোহৰ ছটিয়াই দিছে, ওচৰৰ পৰ্ব্বতবোৰ বিৰাট দৈত্যৰদৰে থিয়দি আছে। ইয়াৰ মাজেদিয়েই মই দেহ আৰু অন্তৰৰ ভোকত লালকাল হৈ যাব লাগিছো,— নহলে হুগুনা ঠাইলৈ। খোটালীটোৰ আটাই-বিলাক যাত্ৰীৰ ভৰযুবটি; কিন্তু মোৰ চকুত টোপনি নাই, মই ভাবত বিভোৰ।

লোকাৰ্ণোলৈ যোৱা এজন যাত্ৰীৰ লগত ৰেলতে মোৰ চিনাজনা হ'ল। তেখেতে লোকাৰ্ণোৰ দৰ্জ্জীৰ দোকান এখনত মোক এটা চাকৰী যোগাৰ কৰি দিব পাৰিব বুলি কলে। এই আশাতে তেখেতৰ লগত নামিলো; কিন্তু আশাত নিৰাশ হলো। চাকৰী নাপালো। ভদ্ৰলোকজনে দয়াপৰবশ হৈ মোক এটা মুদ্ৰা দিলে। এই অযাচিত দান অৰ্থাৎ ভিক্ষা গ্ৰহণ কৰিবলৈ মোক মনে বাধা কৰিলে; মই এই দানৰ বিনিময়ত তেখেতক মোৰ এখন ধুনীয়া ছুৰি উপহাৰ দিলো।

মনত আছে সেই দিনা শনিবাৰ, বাটত যাওঁতে মোৰদৰে এজন চিত্ৰকৰৰ লগত পৰিচয় হল। দুইজনে অৰ্ব্ নগৰৰ ফালে খোজ কাঢ়ি যাবলৈ ধৰিলো। তাত বোলে কাম পায়। দুদিন খোজকাঢ়ি গৈ অৰৱ্ নগৰ পালো আৰু অলপ খা-খবৰ কৰাৰ পিছত এটি চাকৰীৰ যোগাৰ কৰিলো।

দিনে এঘাৰ ঘণ্টাকৈ খাটিব লাগে। সকলোৱে কাম কৰিছে—ময়ো কামত লাগি গলো। মূৰত পাচি লৈ এশকুৰিবাৰ দিনৰ ভিতৰত ওপৰৰপৰা তললৈ ভঙা-শিল লৈ উঠা-নমা কৰিব লাগে। সন্ধ্যা লগাত অনুভৱ কৰিব পাৰিলো যে মোৰ গোটেই গাটোত বিষ! দেহ অৱসন্ন হৈ আহিছে! আহাৰ হল আলু সিজোৱা; এসোপা খেৰৰ ওপৰত মোৰ অৱসন্ন দেহ লাংখাই পৰিল, সেয়েই হল মোৰ শয্যা। পাছদিনা পুৱা ৫ বজাতে কামলৈ গলো। তৃতীয় দিনা কামলৈ যাওঁতে কামৰ গৰাকীয়ে বিদ্ৰূপ কৰি কলে "ইমান ভাল কাপোৰকানিৰে মুটিয়াৰ কাম নচলে।" শুনতে মোৰ গা কঁপিবলৈ ধৰিলে; ভাবিলো,—একে টাঙোনে মানুহটোৰ মূৰটো চিৰাচিৰ কৰো! কিন্তু পাছ মুহূৰ্ত্ততে মনত পৰিল টকাৰ মোনাটো তাৰ হাতত হে। সেই দিনা সন্ধিয়া মই মোৰ পাৰলগীয়া ধনখিনি চিঞাপ কৰি লৈ মোৰ জোতাজোৰ মেৰামত কৰিলো আৰু ৰেলত উঠি লুছানৰ ফালে যাত্ৰা কৰিলো। লুছানো পাই কেইদিনমান কোনোৰকমে কটালো। তাৰ পাছত হাত উদং হৈ পৰিল। জেপত কাৰ্ল মাৰ্কছৰ মোহৰ মৰা এটা তামৰ পদকৰ বাহিৰে এটি পয়ছাও নোহোৱা হ'ল। গোটাই দিনটো অনাহাৰে গ'ল। সন্ধিয়া ভোকত পেট পুৰিবলৈ ধৰিলে। এখন উদ্যানলৈ গৈ এটা মৰ্ম্মৰ মূৰ্ত্তিৰ তলত বহিলোগৈ। মূৰ ডাঙি চাওঁ,—মূৰ্ত্তিটো বীলিয়াম টেলৰ। মোৰ ৰূপ দেখি মূৰ্ত্তি চাবলৈ অহা মানুহবোৰে ভয়ত থতমত খাবলৈ ধৰিলে।



ইটালিৰ অধিনায়ক ছিনৰ মুছোলিনি

সন্ধ্যা লাগিল—ৰাহ্মনী বেলিৰ পোহৰে গছৰ আগেপাতে খেমালি কৰিবলৈ ধৰিছে। ক্ৰমাৎ আন্ধাৰ হবলৈ ধৰিলে। মই উঠিলো আৰু নৈৰ পাৰৰ বাটটোৱেদি যাবলৈ ধৰিলো। নৈলৈ চাই মনত খেলিবলৈ ধৰিলে যে এই জীৱনৰ কি



প্ৰয়োজন! কালিলৈ প্ৰভাত-সূৰ্য্যক চাই হব কি……।

এনেতে হঠাৎ সঙ্গীতৰ মধুৰ শব্দ বতাহত ভাহি আহিবলৈ ধৰিলে; নৈৰ পাৰৰ হোটেল-বিলাকত একেলগে বাজনা বাজি উঠিল! সেই সুৰৰ অপূৰ্ব্ব আহ্বানত মোৰ পীড়িত অন্তৰে ভোক পাহৰি মোক নজনোৱাকৈ নাচি উঠিল। কিন্তু ভোকৰ কোবত সিও শাম কাটিলে; মই ভোকত থিয় হৈ থাকিব নোৱাৰাত পৰিলো। মোৰ ওচৰেদি আনন্দত কোলাহল কৰি নানা-দেশৰ মানুহে অহা-যোৱা কৰিব লাগিছে—আনন্দ সিহঁতৰ মাতত, আনন্দ সিহঁতৰ ভঙ্গীত, আনন্দ সিহঁতৰ প্ৰতি খোজত! কেৱল আনন্দ নাই মোৰ, আহাৰ নাই মোৰ, শয্যা নাই মোৰ! ওচৰেদি যোৱা প্ৰত্যেকটো মানুহকে কব খুজিছিলো—'মোক অলপ কিবা দিয়া, মই গোটেই দিনটো একো খোৱা নাই' কিন্তু মুখে সেই ভিক্ষাৰ কথা ফুটাই কব নোৱাৰিলে। ৰাতি হৈ আহিল; মূৰ গুজি লুকাই থাকিবলৈ লাগিব। শয্যাতো কোনেও নিদিয়ে, কিন্তু শয্যাহীনৰ নিমিত্তে আইনে শাস্তিৰ বিধান কৰিছে। ৰাতি দহ বজাৰপৰা এঘাৰ বজালৈ ৰাস্তাৰ ওচৰত থকা পায়খানাত বহি থাকিলো। তাৰপৰা ওলাই নৈৰ ওচৰত উবুৰিয়াই খোৱা ভগা নাৱৰ তলত আশ্ৰয় ললো। গোটেই গাটো জাৰত ঠেৰেঙা দিলে!

পুৱা উঠি বাটেদি যাওঁতে দোকান এখনৰ আয়নাত মোৰ ৰূপ দেখি নিজেই বিস্ময় মানিলোঁ। কি পৰিবৰ্ত্তন! বাটত গৈ থাকোঁতে গাঁৱলীয়া মানুহ এজনক লগ পাই তেওঁক সকলো কথা কলোঁ। তেওঁ মোক মিছলীয়া বুলি ভাবি হাঁহিলে, কিন্তু যাবৰ সময়ত মোক কেইটামান পইছা দি গ'ল। তিলমাত্ৰও পলম নকৰি এখন ৰুটিৰ দোকানলৈ গৈ এটা ৰুটি কিনি পগলা কুকুৰৰ দৰে কামুৰি কামুৰি চোবাবলৈ ধৰিলো। অলপ প্ৰকৃতিস্থ হৈ তাৰ এজন ইটালীয়ান প্ৰফেছাৰৰ ওচৰলৈ গলো। প্ৰকাণ্ড ঘৰ, দুৱাৰ মুখত জোতাৰ ধুলি জাৰি ললো। বৰ কষ্টেৰে তেখেতৰ লগত দেখা হল। তেখেতে মোক দেখিয়েই খঙত অগ্নিমূৰ্ত্তি হৈ কলে—"কৰ এইটো ভিখাৰী! কোনে ইয়াক সোমাবলৈ দিলে? ইয়াতো একো নহব—এইটো দাতব্য-শালা নহয়, ওলা ইয়াৰপৰা।" মই শুনতে দাঁত মূৰ কামুৰি ওলাই আহিলো।

মই এই ভাবেই যাব লাগিছো—কিন্তু কলৈ কব নোৱাৰো!" ইতি

মুছোলিনি

• • •

আজি এই মুছোলিনি ইটালিৰ ভাগ্য-নিয়ন্তা। এসময়ত গোয়ালটিৰাই নামৰ নগৰৰ স্কুল শিক্ষকৰ কামৰ বাবে অনুপযুক্ত বুলি খেদা খোৱা আৰু এই চিঠি লিখোঁতা ডোবিয়া প্ৰদেশৰ কমাৰৰ লৰা মুছোলিনি আজি ইটালিৰ অধিনায়ক ফেশ্চিজমৰ প্ৰবৰ্ত্তক ৰাষ্ট্ৰ-জগতক নতুন আদৰ্শত অনুপ্ৰাণিত কৰি তেখেতে উৎপাপন বাদ (কমিউনিজম)ৰ বিৰুদ্ধে থিয় দিছে।

(২)

"আমি যে কিমান দুখ পাইছোঁ—কি কষ্টত যে আমাৰ দিন অতিবাহিত হব লাগিছে তাক আমি বাহিৰৰ মানুহক জানিবলৈ দিয়া নাই। তেখেতৰ স্বামীৰ (কাৰ্ল মাৰ্কছ) বাতৰি কাকতখন যেতিয়া বন্ধ কৰি দিলে আৰু তাৰ লগে লগে যেতিয়া তেখেতক জাৰ্ম্মাণীৰপৰা উলিয়াই দিলে, তেতিয়া তেখেতে তেখেতৰ বন্ধুসকলৰ আৰু বাতৰি কাকতখনিৰ সম্মান ৰক্ষা কৰিবলৈ বিপদৰ বোজা নিজে মূৰ পাতি ললে। হাতত থকা ধনেৰে বাতৰি কাকতৰ সম্পাদকসকলৰ দৰ্ম্মহা দিলে। তুমি জানাই আমি একোকে গাঁঠিব পৰা নাছিলো। আমাৰ ৰূপৰ বাচন-বৰ্ত্তন যি অলপ অচৰপ আছিল তাকো বন্ধক দিবলৈ মই ফ্ৰাঙ্কফোৰ্টলৈ যাত্ৰা কৰিলো—তাতোঁ আমাৰ বস্ত্ৰ-বস্তুবিলাক বেচিলো। লণ্ডনত থকা যে কিমান কষ্টকৰ তুমি জানাই, তিনিটা লৰা-ছোৱালী, তাৰ উপৰিও নতুনকৈ জন্মগ্ৰহণ কৰা আৰু এটা শিশু। কেৱল ঘৰ ভাৰা দিবলৈ মাহে ৪২ থেলাৰ (মুদ্ৰাবিশেষ) লাগে। আমাৰ হাতত থকা সামান্য পুঁজিবো অন্ত পৰিল। অৱস্থা ইমান শোচনীয় হল যে কেছুৱাটোক লালন-পালন কৰিবলৈ ধাই এজনী নিযুক্ত কৰিবলৈকো মোৰ সামৰ্থ্য নোহোৱা হল। মোৰ বুকুৰ আৰু পিঠিৰ অসহ্য বেদনা থকা স্বত্বেও নিৰুপায় হৈ অগত্যা কেছুৱাটোক ডাঙৰ দীঘল কৰাৰ ভাৰ মই নিজেই ললো। কিন্তু দাৰুণ দুশ্চিন্তাত

মোৰ স্তনদুগ্ধ বিহত পৰিণত হ'ল, হতভাগ্য অকণমান কেচুৱাটোৱে সেই দুগ্ধ পান কৰি প্ৰথম দিনাই পীড়িত হল। যন্ত্ৰনাত সি দিনে ৰাতিয়ে চিঞৰিবলৈ ধৰিলে। এদিন সংসাৰৰ দুখ যাতনাৰ কথা ভাবি থাকোতে হঠাৎ ঘৰৰ গিৰিহঁতটো আহি ওলালহি। তেওঁ ঘৰৰ ভাৰা আদায় কৰিবলৈ পীড়াপীড়ি কৰিবলৈ ধৰিলে। আমি ঘৰৰ ভাৰা দিব নোৱাৰাত তেতিয়াই দুজন প্ৰহৰী আহি উপস্থিত হলহি। সিহঁতে আমাৰ কাপোৰ-কানি, বিছনাপত্ৰ, আনকি মোৰ সৰু ছোৱালী দুজনীৰ খেলাৰ পুতলাকো সিহঁতক কলুৱাই ক্ৰোক কৰিলে। মই জাৰত কঁপি থকা লৰা-ছোৱালী কিটা আগুৰি শুদা মজিয়াত পৰি থাকিলো। পাছদিনা আমাক ঘৰ এৰি যাবলৈ হুকুম দিলে। সেই দিনা বৰ ঠাণ্ডা পৰিছিল। আকাশ মেঘে ছাটি থৈছিল আৰু বৰষুণ হৈছিল, মোৰ স্বামীয়ে ভাৰাতৈ ঘৰ বিচাৰি ওলাল। কিন্তু তেওঁৰ চাৰিটা লৰা-ছোৱালী থকা বুলি শুনি কোনেও ঘৰ ভাৰাতৈ নিদিলে। অৱশেষত এজন বন্ধুৰ সহায় পালোঁ। বিছনা বেচি পোৱা ধনৰে ঔষধ, কটী, মাংস গাখীৰ আদিৰ নিমিত্তে কৰা ধাৰ মাৰিলো, আমি অইন ঠাইলৈ যাম বুলি শুনি সকলোৱে আহি আমাক হেঁচা মাৰি ধৰিলে। আমাৰ বিছনাবিলাক বেচিবৰ নিমিত্তে গকৰ গাৰীত তুলি বাটৰ কাষলৈ আনিব লগা হৈছিল। এনেকৈয়ে আমাৰ যথাসৰ্ব্বস্ব বেচি আমাৰ ধাৰ মাৰিলো। তাৰ পাছত লৰা ছোৱালীকেটাৰ হাতত ধৰি, হাতত এটা ফুটা কড়িও নোহোৱাকৈ লিষ্টাৰ ষ্ট্ৰীটৰ ১নং জাৰ্ম্মাণ হোটেললৈ গৈ দুটা সৰু কোঠালি ভাৰাতৈ লৈ দিন নিয়াইছো। নেভাবিব যে মই এই সামান্য কাৰ্য্যত বিচলিত হৈছো। মই ইয়াকে জানো যে জগতত আমাৰ দৰে বহুতেই দুখ ভোগ কৰিছে, আমিয়েই একমাত্ৰ দুখীয়া নহও। জগতৰ দুখঃধনৰ ধনীবিলাকৰ ভিতৰত মইও এজন বুলি ভাবি মনে মনে আনন্দ অনুভৱ কৰো, কাৰণ মোৰ জীৱন সৰ্ব্বস্ব মোৰ স্বামী এতিয়াও মোৰ কাষত বিদ্যমান।" ইতি

## "জেনী মাৰ্কছ"

এই চিঠিখনি লেখিছিল কাৰ্ল মাৰ্কছৰ পৈণীয়েক জেনী মাৰ্কছে তেওঁৰ এজন বন্ধুলৈ। কাৰ্লে আশ্ৰয়লোৱা প্ৰত্যেক দেশৰপৰা বিতাৰিত হৈ অৱশেষত লণ্ডনত আশ্ৰয় লয় আৰু তেওঁৰ মৃত্যু কাললৈকে তেওঁ ইংলণ্ডতে বাস কৰে। তেখেতে জ্ঞানৰ সন্ধানত কি ভয়াবহ দুখৰ অগ্নি-পৰীক্ষাৰ ভিতৰেদি যাব লগাত পৰিছিল তাক এই তেজস্বিনী আৰু নিৰ্ভীক মহিলাৰ চিঠিখনিয়েই ফুটাই তুলিছে। তেখেতে ২৪বছৰ কাল এই ভাবেই কটাব লগাত পৰিছিল। এনে দুখ-কষ্টলৈ ভ্ৰূক্ষেপ নকৰি, ত্যাগৰ চৰম আদৰ্শ দেখুৱাই সাম্যবাদৰ আদি গুৰু কাৰ্ল মাৰ্কছে ২৪ বছৰৰ অশেষ অধ্যৱসায়ৰ ফলত 'মূলধন' (Capital) বোলা এক বিশাল গ্ৰন্থ লেখি ভাব জগতত যি বিপ্লৱ ঘটাই গৈছে, সেই বিপ্লৱৰ ফলত ৰজাৰ সাম্ৰাজ্যও আজি ফুঁতে উৰিব লাগিছে। তেখেতৰ আদৰ্শৰ চৰম পৰিণতি হৈছে আজিৰ বলছেভিক ৰুছিয়াত।

(অসমীয়াৰপৰা উদ্ধৃত)

---

## ভুল শুধৰনি

এই সংখ্যা বাঁহীৰ ২০৪ পৃষ্ঠাত থকা 'অধ্যাপক ৰমণ আৰু নোবেল্ প্ৰাইজ্' নামৰ প্ৰবন্ধৰ প্ৰথম স্তম্ভৰ দ্বিতীয় শাৰীত থকা "ছুইজাৰলেণ্ডৰ" ঠাইত "চুইডেন" হব।

---

# পৰলোকগত মৌলানা মহম্মদ আলীৰ সংক্ষিপ্ত জীৱনী

**জন্ম আৰু জন্মস্থান:**—মৌলানা মহম্মদ আলী ১৮৭৮ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰে। ভাৰতবৰ্ষৰ উত্তৰ অঞ্চলত থকা যুক্তপ্ৰদেশৰ অন্তৰ্গত মোৰাদাবাদ নামে নগৰত তেখেতৰ ঘৰ। তেখেতৰ ককাদে ভাৰতৰ প্ৰসিদ্ধ কংদৰাজ্য ৰামপুৰ নবাবষ্টেটত ডাঙৰ চাকৰি কৰিছিল।

**পিতৃ বিয়োগ:**—মহম্মদ আলীৰ বয়স যেতিয়া মুঠেই দুবছৰ তেতিয়াই তেখেতৰ পিতাক আলী বক্স খাই ৩৩ বছৰ বয়সত ১৮৮০ খৃষ্টাব্দত, তেওঁৰ ২৭ বছৰীয়া বিধবা পত্নীৰ ওপৰত নিচেই সৰু সৰু ছটি সন্তানৰ লালন পালনৰ ভাৰ দি, হাইজাৰোগত প্ৰাণত্যাগ কৰে। পিতাক ঢুকুৱাৰ সময়ত চৌকত আলীৰ বয়স ৭ বছৰ।

**শিক্ষা:**—বেৰেইলী আৰু আলিগড়ত তেখেতে প্ৰথমে শিক্ষা লাভ কৰে। আলিগড়ত পঢ়াৰ সময়ত মহম্মদ আলীৰ অসাধাৰণ ৰচনা শক্তি আৰু মেধাৰ পৰিচয় পোৱা গৈছিল। স্কুলত পঢ়া বয়সতে তেখেতে লিখা গভীৰ গৱেষণাপূৰ্ণ ৰচনা আৰু প্ৰবন্ধাদি বিশ্ববিদ্যালয়ৰ বি-এ উপাধিধাৰী একোজনেও বুজিবলৈ টান পাইছিল। তেখেতৰ এনে অসাধাৰণ প্ৰতিভাত মুগ্ধ হৈ ৰামপুৰ নবাব ষ্টেটৰ মন্ত্ৰী নবাব মহম্মদ য়ুছুফ খাই তেখেতক ছিভিল ছাৰ্ভিছ পঢ়িবলৈ বিলাতলৈ পঠিয়ায়। সাহিত্য চৰ্চ্চা কৰিবলৈ মন মেলি তেখেতে অক্সফোৰ্ড বিশ্ব-বিদ্যালয়ত পঢ়ে আৰু বি-এ উপাধি লয়। তিনি চাৰি বছৰ লিঙ্কনম্ "ইন"তো তেখেতে পঢ়িছিল কিন্তু নানা কাৰণত পাঠৰ ব্যাঘাত জন্মাত কৃতকাৰ্য্য হব নোৱাৰিলে। ১৯০২ খৃষ্টাব্দত তেখেত ভাৰতলৈ উভতি আহে আৰু পুনৰ বি-এ পৰীক্ষা দিবলৈ বিলাতলৈ যায়। উকীল হবলৈ এলাহাবাদ হাইকোৰ্টৰ ওকালতি পৰীক্ষাও তেখেতে দিছিল; কিন্তু অকৃতকাৰ্য্য হয়।

**চাকৰী:**—ইয়াৰ পিছত মহম্মদ আলীয়ে বৰোদা ৰাজ্যৰ বিচাৰ বিভাগত পদ পায়। বিশেষ কৃতিত্বৰে কাম কৰি মহম্মদ আলীয়ে প্ৰশংসা লাভ কৰে। তাৰ পাছত তেখেতে দুবছৰৰ ছুটি লৈ কলিকতালৈ আহে আৰু "কমৰেড" নামে বাতৰি কাকত এখন প্ৰকাশ কৰে।

এই কাকতৰ প্ৰথম সংখ্যা ১৯১১ সনত প্ৰকাশ হয়। হিন্দু-মুছলমানৰ আৰু শাসক আৰু শাসিতৰ মাজত একতা স্থাপন, মুছলমান সমাজত হিন্দুশিক্ষাৰ বিস্তাৰ কৰা এই কাকতৰ উদ্দেশ্য আছিল আৰু তাৰ বাবে অহোপুৰুষাৰ্থও কৰিছিল।

সম্পাদকীয় কোনো প্ৰকাৰৰ শিক্ষা নলভি জয়ে জয়ে বাতৰি কাকতৰ সম্পাদক হবলৈ যোৱা দেখি এজন বন্ধুৱে তেখেতক তাৰ কাৰণ সোধাত মহম্মদ আলীয়ে উত্তৰত সমাজ আৰু স্বদেশ বিচৰাত তেখেত সেই কাৰ্য্যৰ ব্ৰতী হৈছে বুলি কৈছিল। তেখেতৰ এই উত্তৰত আমি তেখেতৰ নিৰ্ভীকতা আৰু সমাজ-স্বদেশ-প্ৰীতিৰ জলন্ত উদাহৰণ পাওঁ।

এই কাগজ উলিয়াৰ পাছত দেখিলে যে কাকতখন ইংৰাজী ভাষাত হোৱা সি সৰ্ব্বসাধাৰণৰ বোধগম্য হোৱা নাই আৰু উপকাৰতো অহা নাই। তেখেতে বেছ বুজি উঠিলে যে, দেশীয় ভাষাৰেহে দেশবাসীক জগাব পৰা যায় আৰু সেই বাবে তেখেতে "হামদাৰ্দ্দ" নামে এখন উৰ্দ্দু ভাষাত কাকত উলিয়ায়। এই কাকতত তেখেতে নিজে একো বিশেষ নিলিখিছিল কিন্তু তেখেতৰ সহকাৰীসকলক মাথোন কেনেকৈ কি ভাবে চলাব লাগে উপদেশ দিছিল। মহম্মদ আলীক অন্তৰীণ কৰাৰ অলপ দিনৰ পিছতে চৰকাৰে ৰাজদ্ৰোহ প্ৰচাৰ কৰা বুলি অভিযোগ অনাত চৰকাৰৰ আদেশ মতে এই কাকতৰ প্ৰকাশ বন্ধ হয়।

**জাতীয় (মুছলমান) বিদ্যালয়:**—বিশ্ববিদ্যালয়ত মুছলমানৰ ধৰ্ম্ম আৰু জাতীয়তাক ৰক্ষা

কৰি, প্ৰাচীন সভ্যতাক অক্ষুণ্ণ ৰাখি ৰৰ্ত্তমানৰ জ্ঞান-বিজ্ঞান শিক্ষা দিবলৈ মহম্মদ আলীয়ে আলীগড়ক দ্বিতীয় বোগ্দাদ কৰি গঢ়ি তুলিবলৈ দৃঢ় সংকল্প কৰে। এই উদ্দেশ্যে তেখেতে মাননীয় আগাখাঁৰ সহযোগিতা লৈ নানা ঠাইৰপৰা বহুত অৰ্থ সংগ্ৰহ কৰে। কিন্তু বৰ দুখৰ কথা যে অৰ্থ-সংগ্ৰহৰ পাছতে তেখেত অন্তৰীণ হয়। তেখেতৰ অন্তৰীণ অৱস্থাতে এই বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হয়।

মুছলমানৰ হিতৰ কাৰণেহে তেখেতে আগেয়ে চেষ্টা কৰিছিল বুলি কোনোৱে কোনোৱে তেখেতৰ ওপৰত দোষাৰোপ কৰে। কিন্তু এই অপবাদ যে অমূলক সেই কথা নিজৰ ধৰ্ম্মত নিষ্ঠাবান হৈও আন আন ধৰ্ম্মৰ প্ৰতি কোনো বিদ্বেষভাৱ পৰিপোষণ নকৰি সদায়েই "হিন্দুৱে হিন্দুৰ হিন্দুত্ব বজায় ৰাখি আৰু মুছলমানে মুছলমানৰ ধৰ্ম্মক বচাই পৰস্পৰে পৰস্পৰক সহায় কৰি জাতীয় আৰু ৰাষ্ট্ৰীয় জীৱন গঠন কৰিব পাৰে" বুলি কৈ অহা কথাষাৰেই বঢ়িয়াকৈ প্ৰমাণ কৰে।

**ধৰ্ম্মত হস্তক্ষেপৰ বিৰোধী**ঃ— ১৯১৩ সনত কাণপুৰত এটা নতুন বাট উলিয়াবলৈ গৱৰ্ণমেণ্টে মছলিবাজাৰৰ মছজিদৰ কিছু অংশ পুলিছৰ সহায়েৰে ভাঙি বাট বান্ধে। এইদৰে ধৰ্ম্ম মন্দিৰ ধ্বংস কৰা দেখি গোটেই ভাৰতৰ ঠায়ে ঠায়ে মুছলমানসকলে প্ৰতিবাদ কৰে আৰু এই আন্দোলনৰ গুৰি ধৰোতা আছিল মহম্মদ আলী। আন্দোলনৰ ফলত বৰলাট বাহাদুৰ লৰ্ড হাৰ্ডিঞ্জে আকৌ মছজিদ গঠন কৰিবলৈ আদেশ দিয়ে আৰু পূৰ্ব্বে যিসকল এইবিষয়ে কাৰাৰুদ্ধ হৈছিল তেওঁলোককো মুক্তি দিয়ে। ধৰ্ম্মৰ ওপৰত হাত দিয়া যে তেখেতে সমূলি সহিব নোৱাৰিছিল এয়ে তাৰ সুন্দৰ প্ৰমাণ।

**মুছলমান ধৰ্ম্মৰক্ষা আৰু ধৰ্ম্ম-গুৰুৰ প্ৰতি সন্মান**ঃ— তুৰস্ক আৰু বলকানৰ যুদ্ধ হওঁতে, তুৰস্কই অকলে যুদ্ধত নামিব লগা হল। এই তুৰস্কৰ "খালিফে"ই ভাৰতীয় মুছলমানৰো "ধৰ্ম্ম-গুৰু।" এই ধৰ্ম্মগুৰু যাতে বিধৰ্ম্মীৰ হাতত লাঞ্ছিত আৰু পবিত্ৰ তুৰস্ক যাতে বিধৰ্ম্মীৰ হস্তগত নহয় তাৰ বাবে মহম্মদ আলীৰ প্ৰাণ দিনে ৰাতিয়ে কান্দিবলৈ ধৰিলে।

তুৰস্কৰ এনে দুৰ্দ্দিনত সহায় কৰিবলৈ তেখেত সাৰি-পাৰি লাগিল আৰু লগতে ডাক্তৰ আন্সাৰিও ওলাল। ডাক্তৰ আন্সাৰিয়ে অধিনায়কৰূপে ভালেমান ডাক্তৰ, কম্পাউণ্ডাৰ আদিক লগত লৈ তুৰস্কলৈ যাত্ৰা কৰিলে। ভাৰতীয় মুছলমানৰ সমবেদনা আৰু সেৱাত তুৰ্কী চিৰ-কৃতজ্ঞ বল। এই সৎকাৰ্য্যৰো গুৰিয়াল মহম্মদ আলীয়েই; ডাক্তৰ আন্সাৰি পৰিচালকহে মাথোন।

গৱৰ্ণমেণ্টৰ আদেশ অনুসাৰে সহজে চলা দিল্লীৰ অন্যান্য মুছলমান নেতাৰ দৰে মহম্মদ আলী নাছিল আৰু তেওঁ-পানীয়ে নিমিহলাৰ দৰে তেনে দলৰপৰা তেখেত সদায় আঁতৰে আঁতৰে ফুৰিছিল।

**হিন্দুৰ সৈতে মিলনৰ চেষ্টা**ঃ—মহম্মদ আলীয়ে হিন্দু মুছলমানৰ মিলনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সেই উদ্দেশ্যেই তেখেতে কাশীৰ হিন্দু বিশ্ব-বিদ্যালয়ৰ ছাত্ৰসকলক কৈছিল :—"আমি আমাৰ জাতিগত পাৰ্থক্য বজায় ৰাখিও একেলগ হম। এই পাৰ্থক্য ৰাখিও আমি হিন্দু মুছলমানে এক হৈ স্বদেশসেৱাত নিযুক্ত হম।"

মিউনিছিপালিটিৰ নিয়ম কাৰণ পৰিবৰ্ত্তন কৰিও তেখেতে হিন্দু মুছলমানৰ মিলনৰ চেষ্টা কৰাৰ প্ৰমাণ পোৱা যায়।

**মোছলেম লীগ**ঃ—১৯০৬ খৃষ্টাব্দত এই লীগ প্ৰতিষ্ঠিত হয় আৰু ইয়াৰো গুৰিতে মৌলানা মহম্মদ আলীয়েই। প্ৰথমে প্ৰথমে ৰাজভক্তি প্ৰচাৰ কৰাতে এই লীগ ব্যস্ত থকা দেখা গৈছিল; কিন্তু মহম্মদ আলীৰ চেষ্টাতে এই লীগে স্বাৰ্থৰ ঠেক সীমা পাৰ হৈ "স্বৰাজেই একমাত্ৰ কাম্য" মন্ত্ৰত দীক্ষিত হয়। ওপৰত উল্লিখিত মহান আদৰ্শ তুৰ্কী ইটালীৰ যুদ্ধ বা আন কোনো ঈৰ্ষাপৰায়ণভাৱৰ ফল নহয়, ই মাথোন মানুহৰ স্বাভাবিক ধৰ্ম্মৰ বিকাশ হে মাথোন।

**স্বৰাজৰ বাবে ব্যাকুলতা**ঃ—ইয়াৰ পিছত এই উদাৰচেতা নেতাৰ অন্তৰ স্বৰাজৰ কাৰণে



ব্যাকুল হৈ পৰে আৰু সেই অনুপ্ৰেৰণাত অনুপ্ৰাণিত হৈ স্বৰাজৰ কথা প্ৰচাৰ কৰিবলৈ ধৰে। তেখেতৰ শিক্ষাতে শিক্ষিত মুছলমানসকলেও "স্বৰাজ লাভৰ উপায়,—হিন্দুসমাজৰ সহযোগিতা।" বুলি নিৰ্দ্দেশ কৰা আদৰ্শকে গ্ৰহণ কৰিলে। সেই বাবেহে বোধকৰো তেখেতে ১৯১৩ খৃষ্টাব্দত মোছলেম লীগৰ অধিবেশনত সভাপতিৰূপে নিৰ্ভীকচিত্তেৰে প্ৰচাৰ কৰিছিল যে, স্বৰাজ মুছলমান সমাজৰ ৰাজনৈতিক আন্দোলনৰ একমাত্ৰ কাম্য বস্তু।

**অন্তৰীণ অৱস্থা**ঃ—যুৰোপীয় মহাযুদ্ধৰ পূৰ্ব্বে "লণ্ডন টাইমছ" নামে বিলাতৰ বাতৰি কাকতএখনে অপমানজনক প্ৰবন্ধ এটাত তুৰ্কী জাতিটো বিদ্বেষাত্মক বুলি প্ৰকাশ কৰিছিল। এই প্ৰবন্ধত ভয় দেখুৱাবৰ ভাবো আছিল। এনে বিদ্বেষাত্মক প্ৰবন্ধৰ প্ৰতিবাদ নকৰাকৈ স্বাধীনচেতা মহম্মদ আলী থাকিব নোৱাৰিলে। সেইবাবে তেখেতে তেখেতৰ কাকতত ইয়াৰ যথাযথ প্ৰতিবাদ কৰে। এই প্ৰতিবাদৰ কিছুমান দিনৰ পাছতে গৱৰ্ণমেণ্টে মহম্মদ আলীৰ প্ৰেছ আৰু বাতৰি কাকত বাজেয়াপ্ত কৰে। ১৯১৫ সনৰ মে মাহত ছৌকত আলী আৰু মহম্মদ আলী বন্দী হয়। গোটেই দেশতে বিজুলী গতিৰে এই বাতৰি প্ৰকাশিত হল আৰু মুক্তিৰবাবে দেশব্যাপী আন্দোলন চলিবলৈ ধৰিলে।

অন্তৰীণ অৱস্থাত থকা বন্দীৰ বিৰুদ্ধে কোনো মোকৰ্দ্দমা অনা নহয়; আনকি তেনে বন্দীয়ে নিজৰ অপ-ৰাধৰ কথাও গম নেপায়। আলী-ককাই-ভাইৰ অৱৰোধ কৰা ঘটনাৰ বিষয়েও একো জনা নাযায়। মাথোন ১৯১৫-১৬ সনৰ দিল্লীৰ শাসনবিভাগৰ ৰিপোৰ্টত ইমানকে জানিবপৰা গৈছিল যে, বৃটিশৰাজৰ বিৰুদ্ধে বিদ্বেষ প্ৰচাৰ কৰা কাৰণে আলী-ককাই-ভাইক বন্দীকৰি নথলে নচলাত পৰিছিল।

**দেশব্যাপী আন্দোলন**ঃ—আলী-ককাই-ভাইক অন্তৰীণ অৱস্থাত ৰখা সময়ত সাম্ৰাজ্য ৰক্ষা আইন অনুসাৰে শ্ৰীযুতা এনি বেছান্ত, মিঃ ৱাদিয়া, অৰুণেওল আদি কেইজনমান জননায়ক অৱৰুদ্ধ হৈছিল। এই নেতাসকলৰ মুক্তিৰ কাৰণে গোটেই দেশতে আন্দোলন চলিছিল। হিন্দুমুছলমান নেতাসকলে তেওঁলোকৰ মুক্তিৰ কাৰণে দৃঢ়সংকল্প হৈ আইনসঙ্গত-ভাৱে আন্দোলন কৰিবলৈ ধৰিলে। সেই সময়ত ভাৰত সচিব মণ্টেগু ভাৰতলৈ অহাৰ কথা আছিল আৰু তেওঁ ভাৰতলৈ আহি ভাৰতবাসীৰ অসন্তোষৰ ভাব দেখিব পাৰে বুলি ভাবি গৱৰ্ণমেণ্টে তেওঁলোকক মুক্তি দিলে। মুক্ত হৈ মহম্মদ আলীয়ে দেখিলে যে যুদ্ধ-লিপ্ত জাতি সমূহে তুৰস্কৰ প্ৰতি অবিচাৰ কৰিব পাৰে; সেই কাৰণে তেখেতে ইংৰাজক মুছলমান সমাজৰ মনৰ ভাব জনাবলৈ হাজাৰ হাজাৰ মানুহেৰে খিলাফৎ কমিটী গঠন কৰে। ১৯২০ সনত তেখেত ভাৰতীয় খিলাফৎ দলৰ প্ৰতিনিধি স্বৰূপে বিলাতলৈ যায়।

**পুনৰ বন্দী**ঃ—১৯১৯ সনৰ আগভাগতে যদিওবা তেখেত মুক্ত হৈছিল, আকৌ জুনমাহতে ১৮১৮ সনৰ তিনি আইনৰ বলত মধ্যপ্ৰদেশৰ বেতুল জেলত ছমাহলৈ অৱৰুদ্ধ হয় আৰু ১৯২০ সনত মুক্তিলাভ কৰি মহাত্মা গান্ধীৰ প্ৰবৰ্ত্তিত অসহযোগ আন্দোলনত যোগ দিয়ে।

**অসহযোগ আন্দোলনত যোগ-দান**ঃ—ঠিক এই সময়তে অৰ্থাৎ ১৯২০ সনত ভাৰতত মহাত্মা গান্ধীয়ে প্ৰবৰ্ত্তন কৰা সহযোগিতা বৰ্জ্জন নীতিয়ে ছাত্ৰসকলৰ মাজত ঢৌৰ খলকনি তুলিবলৈ ধৰে। দলে দলে ছাত্ৰই স্কুল কলেজ এৰি আহিল, ঠায়ে ঠায়ে জাতীয় বিদ্যালয় স্থাপিত হবলৈ ধৰিলে। লাহে লাহে আলি-গড়তো এই খলকনি সোমাল। সেই সময়ত মহাত্মা গান্ধী আৰু আলী-ককাই-ভাই তাতে আছিল। আলি-গড় কলেজৰ ছাত্ৰসকলে তেওঁলোকৰ জয়ধ্বনি দি বাটে ঘাটে ফুৰিবলৈ ধৰিলে আৰু এটা ডাঙৰ কলেজ প্ৰতি-ষ্ঠানৰ কল্পনা-জল্পনা চলিবলৈ ধৰিলে। এইদৰে কলেজ এৰি যোৱা দেখি উপায় বুদ্ধিহীন হৈ আলিগড় কলেজৰ অধ্যক্ষজনে ছাত্ৰসকলক ছুটি দিলে। ছুটি পায় কিছুমান ছাত্ৰৰে ঘৰলৈ যাবলৈ ওলোৱা দেখি মৌলানা মহম্মদ আলীয়ে নীজে আলিগড় কলেজৰ এক অংশ অধিকাৰ কৰি ৰহিল। তেখেতৰ মতে দেশৰ মানুহৰ ধনেৰে পৰিপুষ্ট এই কলেজ দেশৰ সম্পত্তি আৰু বেছিভাগ

ছাত্ৰবেই এই মতৰ পক্ষপাতী যেতিয়া আইন অনুসাৰে তেখেতলোকে কলেজটো অধিকাৰ কৰিব পাৰে। তেখেতৰ কাৰ্য্যত কলেজৰ কৰ্তৃপক্ষই বিমোৰত পৰি গৱৰ্ণমেণ্টৰ সহায় প্ৰাৰ্থনা কৰে। মেজিষ্ট্ৰেটৰ আদেশত আৰু অতিমাত্ৰাত ছাত্ৰসকলে উত্তেজিত হৈ মাৰ-পিট কৰাৰ আশঙ্কাত তেখেতে অৱশেষত কলেজ এৰি দিয়ে কিয়নো মহাত্মা গান্ধীৰ নিৰুপদ্ৰৱ অসহযোগিতা ৰক্তপাতৰ পক্ষপাতী নহয়। সেই সময়তে তাত এটি জাতীয় কলেজ প্ৰতিষ্ঠিত হয় আৰু মহাত্মাই নিজে তাক প্ৰতিষ্ঠা কৰে। বহুত ছাত্ৰ এই কলেজত ভৰ্ত্তি হয় আৰু কেবাজনো উচ্চ শিক্ষিত মুছলমান ভদ্ৰলোক অধ্যাপক হয়।

**পুনৰ কাৰাবৰণ** ঃ— ১৯২১ সনত কৰাচীত ভাৰতীয় দণ্ডবিধি আইনৰ ১২১ ধাৰামতে তেখেতৰ ওপৰত অভিযোগ অনা হয় আৰু বিচাৰত দুবছৰলৈ কাৰাদণ্ড হয়।

**পুনৰ মুক্তি আৰু কংগ্ৰেছৰ সভাপতি** ঃ— দুবছৰ কাৰাদণ্ড ভোগ কৰাৰ পাছত তেখেত মুক্ত হয় আৰু ১৯২৩ সনত ভাৰতীয় জাতীয় মহাসভাৰ কোকনদত বহা অধিবেশনত সভাপতি হৈছিল। সভাপতিৰূপে দিয়া অভিভাষণত হিন্দু-মুছলমানৰ মাজত মিলন ঘটাবলৈ কৰা আবেগময়ী আহ্বান ভালকৈয়ে ফুটি ওলাইছিল। এইদৰে ভাৰতৰ ৰাজনীতিক্ষেত্ৰত মৌলানা মহম্মদ আলীয়ে নানান ফালৰপৰা জাতীয় উন্নতিজনক কাম কৰি স্বদেশপ্ৰেমিকতাৰ পৰিচয় সুন্দৰ ভাবে দিছে।

**ঘূৰণীয়া মেজ মেলত যোগদান** ঃ— কংগ্ৰেছৰ প্ৰতিবাদ গ্ৰাহ্য নকৰি যদিওবা মহম্মদ আলীয়ে ঘূৰণীয়া মেজ মেললৈ নিমন্ত্ৰণ গ্ৰহণ কৰিলে তথাপি তেখেতে বিলাততো তেজস্বীতাৰ কথা নাপাহৰি মেলৰ প্ৰথম অধিবেশনৰ বক্তৃতাত কৈছিল— 'ব্যক্তিগতভাৱে মই পূৰ্ণ স্বাধীনতাৰ উপাসক হলেও ভাৰতৰ বৰ্ত্তমান অৱস্থাত মই নিচেই সৰু দাবীলৈহে উপস্থিত হৈছোঁহি। এতিয়ালৈ পূৰ্ণ ঔপনিবেশিক স্বায়ত্ত-শাসন পালেও সন্তুষ্ট থাকিমহঁক। বৃটিশ জাতিক এই দাবীৰ কথা জনাবলৈকে বুলিহে মই অসুস্থ শৰীৰেৰেও লণ্ডনলৈ আহিছোঁ। ভাৰতবাসীয়ে আমাক নিন্দা কৰিছে আৰু সেই নিন্দাবাদ সহ্য কৰিও আমি ইয়ালৈ আহিছোঁ। আমি দি বিচাৰিছোঁ তাক নাপালে পৰাধীন ভাৰতলৈ আৰু ঘূৰি নিযাওঁ, বিলাততে যেন মোৰ কবৰ হয়।"

**পীড়া** ঃ— ঘূৰণীয়া মেজ মেলৰ কাৰ্য্য আৰম্ভ হোৱাৰ পাছতে তেখেত আকৌ পীড়িত হয় আৰু যোৱা ৪ জানুৱাৰী তাৰিখে দেওবাৰে পুৱা ৯॥ বজাত ৫২ বছৰ বয়সত তেখেতৰ বিধবা পত্নী, কন্যাক আৰু লগে লগে সকলো ভাৰতবাসীক চিৰকাললৈ কন্দুৱাই বিলাততে ইহলীলা সম্বৰণ কৰে!

পীড়িতাৱস্থাত তেখেতে হেনো 'ৰয়টাৰ'ৰ প্ৰতিনিধিৰ আগত কৈছিল :—

"কিছুদিনৰ আগেয়ে ভয়ানকৰূপে হৃদৰোগত মোৰ জীৱন শেষ হব লগা হৈছিল, কিন্তু সেই যাত্ৰাত ৰক্ষা পৰিলোঁ। হিন্দু মুছলমানৰ যাতে মিলন হয় তাৰ বাবে চেষ্টা কৰিবলৈ মোৰ সামৰ্থ্য জন্মিছে আৰু এতিয়া আপোষ মীমাংসাৰ আলোচনা কৰিব পাৰিম বুলি মই আশা কৰোঁ।" ৫৪০৮/অ:

কবলৈ গলে এয়ে মৌলনা মহম্মদ আলীৰ শেষ উক্তি। এয়ে স্পষ্ট প্ৰমাণ কৰে যে জীৱনৰ শেষ মুহূৰ্ত্তলৈকে হিন্দু মুছলমানৰ মিলনৰ আশা তেখেতে পৰিপোষণ কৰিছিল।

বৰ দুখৰ বিষয় যে তেখেতৰ এই আশা পৰিপূৰণ নোহওঁতেই নিদাৰুণ কালে তেখেতক বলেৰে অকালতে আমাৰপৰা আঁতৰাই নিলে। যোৱা বীৰ! তুমি পুণ্য ধামৰপৰা দেৱতাৰূপে অশীষ বৰষাবা যাতে তোমাৰ শেষ ইচ্ছা কাৰ্য্যত পৰিণত হয়। জীৱনৰ বিফলতাই মৰণৰ পাছত সফলতা আনিব। হে ভাৰতবাসী হিন্দু মুছলমান দেশসেৱকসকল! শোকত ম্ৰিয়মান হৈ থাকিলে স্বৰ্গীয় বীৰৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ কাম নহব ;—তেখেতৰ শেষ আশা পূৰ্ণ কৰিবলৈ যত্ন কৰাটো হে সকলোৰে উচিত আৰু তেনে কৰিলেহে মৃতকৰ আত্মাই শান্তি লাভ কৰিব নহলে বেহেস্তত থাকিও মৃত বীৰৰ আত্মাই তৃপ্তি লাভ নকৰিব।

শ্ৰীউপেন্দ্ৰনাথ ঠাকুৰ